www.epaper.asombarta.in
অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক
শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক
PRGI REGD. NO. (Title) : ASSASS01389

# অসম বাৰ্তা


কৰ্মৰ মাজেৰেহে জীৱনে পূৰ্ণতা লাভ কৰে।
— বেইলী


ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক।
- 'অসম বাৰ্তা' গোষ্ঠী -

❐ ষষ্ঠ বছৰ ❐ সংখ্যা - ১৮০ ❐ মঙ্গলবাৰ ❐ ২৬ আগষ্ট, ২০২৫ চন ❐ ৯ ভাদ, ১৯৪৭ শক ❐ VOL - 6 ❐ NO.- 180 ❐ Tuesday ❐ 26th August, 2025 ❐ মূল্য ঃ ১০.০০ টকা ❐ মুঠ পৃষ্ঠা ঃ ৮

## মোদীৰ ডিগ্ৰী সম্পৰ্কীয় তথ্য প্ৰকাশৰ নিৰ্দেশ বাতিল

দিল্লী উচ্চ ন্যায়ালয়ৰ গুৰুত্বপূৰ্ণ ৰায়

■ আৰটিআইৰ জৰিয়তে ১৯৭৮ চনত দিল্লী বিশ্ববিদ্যালয়ৰ পৰা কলা শাখাত স্নাতক ডিগ্ৰী লাভ কৰা সকলো ছাত্ৰ-ছাত্ৰীৰ তথ্য বিচাৰিছিল এজন ব্যক্তিয়ে ■



**অনলাইন ডেস্ক, অসম বাৰ্তা, ২৫ আগষ্ট ঃ** দিল্লী উচ্চ ন্যায়ালয়ে সোমবাৰে এক গুৰুত্বপূৰ্ণ ৰায়ত কেন্দ্ৰীয় তথ্য আয়োগৰ (চিআইচি) প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ▸▸৬ পৃষ্ঠাত

সামাজিক মাধ্যমত মৃণাল শইকীয়াৰ বিশেষ পষ্ট

## কেনিয়াৰ পৰা আমদানিকৃত চাহে অসম তথা ভাৰতীয় চাহৰ প্ৰতি ভাবুকি আনিছে

**ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ২৫ আগষ্ট ঃ** বৰ্হিৰাষ্ট্ৰ কেনিয়াৰ পৰা আমদানিকৃত চাহৰ পৰিমাণ বৃদ্ধিয়ে অসম তথা ভাৰতীয় চাহৰ প্ৰতি ভাবুকি



আনিছে। অসমত কেঁচা চাহ পাতৰ মুল্য নিম্নগামী হোৱাত এতিয়া অসমৰ লাখ লাখ ক্ষুদ্ৰ চাহ খেতিয়কলৈ দুৰ্যোগ নমাই আনিছে। অসমৰ চাহ উদ্যোগৰ এক দুৰ্যোগপূৰ্ণ পৰিস্থিতিৰ ওপৰত খুমটাই সমষ্টিৰ বিধায়ক মৃণাল ▸▸৬ পৃষ্ঠাত

পুষ্টিহীনতাত ভোগা শিশুৰ ক্ষেত্ৰত অসমৰ স্থান দেশৰ ভিতৰতে চতুৰ্থ

# পুষ্টিহীনতাত আক্ৰান্ত অসমৰ ৪২.৯৪ শতাংশ শিশু

❐ ০-৫ বছৰ বয়সৰ প্ৰতি এহেজাৰ শিশুৰ ভিতৰত মৃত্যুমুখত পৰে ৩৫টি শিশু

❐ অসমত প্ৰতি এহেজাৰ নৱজাতকৰ (০-২৮ দিন বয়স) ভিতৰত মৃত্যু হয় ২২টি



**নিউজ ডেস্ক, অসম বাৰ্তা, ২৫ আগষ্ট ঃ** শেহতীয়াকৈ অসমৰ শিশুসকলৰ সন্দৰ্ভত কেন্দ্ৰীয় মহিলা আৰু শিশু কল্যাণ মন্ত্ৰালয়ে ৰাজ্যসভাত চাঞ্চল্যকৰ তথ্য প্ৰকাশ কৰিছে। তথ্য অনুসৰি সাম্প্ৰতিক সময়ত ০-৫ বছৰ বয়সৰ অসমৰ ৪২.৯৪ শতাংশ শিশু পুষ্টিহীনতাত ভুগিছে। তৃণমূল কংগ্ৰেছৰ সাংসদ সাকেট গোখলেই সোধা এক লিখিত প্ৰশ্নৰ উত্তৰত মহিলা আৰু শিশু কল্যাণ মন্ত্ৰালয়ৰ কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী সাবিত্ৰী ▸▸৬ পৃষ্ঠাত

## ছৈয়দা হামিদৰ মন্তব্যৰ বাবে দায়ী নহয় নাগৰিক সন্মিলন



**নিউজ ডেস্ক, অসম বাৰ্তা, ২৫ আগষ্ট ঃ** পৰিকল্পনা আয়োগৰ প্ৰাক্তন সদস্য তথা মানৱ অধিকাৰ কৰ্মী ছৈয়দা হামিদৰ অসমৰ উচ্ছেদ আৰু বাংলাদেশীৰ বিষয়ে বিতৰ্কিত মন্তব্যৰ দায় অসম নাগৰিক সন্মিলনৰ নহয় বুলি স্পষ্ট কৰিছে সভাখনৰ ▸▸৬ পৃষ্ঠাত

সভাৰ বাহিৰত কৰা মন্তব্যৰ দায় আমি ল'ব নোৱাৰোঁ ঃ অজিত কুমাৰ ভূঞা

বিজেপি চৰকাৰৰ দশ বছৰৰ বিফলতাৰ সমালোচনা গৌৰৱৰ

## যদি ৰামদেৱে উৰিয়ামঘাটৰ উচ্ছেদ কৰা মাটিৰ বাবে ফোন কৰে, চৰকাৰে দি দিব

■ বিজেপিয়ে কেৱল আদানী, আম্বানীৰ দৰে উদ্যোগপতিৰ হাতত মাটি তুলি দিছে ■



**ষ্টাফ ৰিপ'টাৰ, অসম বাৰ্তা, ২৫ আগষ্ট ঃ** অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি তথা যোৰহাটৰ সাংসদ গৌৰৱ গগৈয়ে বিজেপি চৰকাৰৰ বিৰুদ্ধে তীব্ৰ সমালোচনা কৰি কয়, "বিগত দশ বছৰত বিজেপি চৰকাৰে কেৱল বিফলতাৰ প্ৰমাণ দিছে। আদানী, আম্বাণী ▸▸৬ পৃষ্ঠাত

গুৱাহাটীত কেন্দ্ৰীয় মন্ত্ৰীৰ ঘোষণা

## মুম্বাইত অসম চৰকাৰৰ বাবে চাৰি বিঘা ভূমিৰ লীজ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৫ আগষ্ট ঃ** কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ঘোষণা কৰিছে যে মুম্বাই বন্দৰ প্ৰাধিকৰণে অসম ▸▸৬ পৃষ্ঠাত

তামুলপুৰত নৃশংস হত্যাকাণ্ড; অভি-নীল হত্যাকাণ্ডৰ পুনৰাবৃত্তি

## দুৰ্ঘটনাৰ পিছত সহায় ভিক্ষা বিচৰা অভিষেকক মৰিয়াই হত্যা





**নিউজ ডেস্ক, অসম বাৰ্তা, ২৫ আগষ্ট ঃ** তামুলপুৰত সংঘটিত এটা ভয়ংকৰ ঘটনাই সমগ্ৰ ৰাজ্যত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। ২৩ বছৰীয়া যুৱক অভিষেক দাসক এটা দুৰ্ঘটনাৰ পিছত স্থানীয় লোকৰ একাংশই নৃশংসভাৱে প্ৰহাৰ কৰি হত্যা কৰাৰ অভিযোগ উত্থাপিত হৈছে। এই ঘটনাই মানৱতাৰ ওপৰত প্ৰশ্নৰ সৃষ্টি কৰাৰ লগতে সমাজৰ কিছুমান লোকৰ পাষাণ ▸▸৬ পৃষ্ঠাত

## সংবিধান সংশোধনীৰ বিৰুদ্ধে কংগ্ৰেছৰ স্থিতি গ্ৰহণযোগ্য নহয়



কংগ্ৰেছ এতিয়াও চেষ্টা কৰি আছে যাতে জে'ললৈ গ'লে তেওঁলোকে সহজেই জে'লৰ পৰা চৰকাৰ গঠন কৰিব পাৰে

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৫ আগষ্ট ঃ** কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে সংসদত গৃহীত ১৩০ নম্বৰ সংবিধান সংশোধনী বিধেয়কৰ বিৰুদ্ধে কংগ্ৰেছৰ বিৰোধী স্থিতিক তীব্ৰভাৱে সমালোচনা কৰি কয় যে এই অৱস্থান কোনোভাৱেই ▸▸৬ পৃষ্ঠাত

অজাপ সভাপতি লুৰীণজ্যোতি গগৈৰ গুৱাহাটীত সংবাদমেল

## মেহমুদ মাদানী, হিমন্ত বিশ্ব শৰ্মা আৰু বদৰুদ্দিন আজমলৰ মাজত আছে গোপন বুজাবুজি !



**ষ্টাফ ৰিপ'টাৰ, অসম বাৰ্তা, ২৫ আগষ্ট ঃ** অসমৰ ৰাজনীতিত শেহতীয়াকৈ জমিয়ত উলেমা-ই-হিন্দৰ নেতা মেহমুদ মাদানীৰ বিতৰ্কিত মন্তব্যক কেন্দ্ৰ কৰি তীব্ৰ বিতৰ্কৰ সৃষ্টি হৈছে। এই পৰিস্থিতিত অসম জাতীয় ▸▸৬ পৃষ্ঠাত

## ইউটিউবাৰ, ইনফ্লুৱেন্সাৰক সম্প্ৰদায়ৰ আৱেগত আঘাত নিদিবলৈ উচ্চতম ন্যায়ালয়ৰ সতৰ্কবাণী

**অনলাইন ডেস্ক, অসম বাৰ্তা, ২৫ আগষ্ট ঃ** উচ্চতম ন্যায়ালয়ে ইউটিউবাৰ আৰু সামাজিক মাধ্যমৰ ইনফ্লুৱেন্সাৰসকলক তেওঁলোকৰ কনটেণ্ট বা কৌতুকৰ মাধ্যমেৰে কোনো সম্প্ৰদায়ৰ আৱেগত আঘাত নকৰিবলৈ কঠোৰ সতৰ্কবাণী জাৰি কৰিছে। আদালতে স্পষ্ট কৰি কয় যে বাক স্বাধীনতা আৰু বাণিজ্যিক উদ্দেশ্যৰ কথা-বতৰাৰ মাজত পাৰ্থক্য আছে। কোনো ব্যক্তিয়ে বাণিজ্যিক ▸▸৬ পৃষ্ঠাত

## মুখ্যমন্ত্ৰীয়ে পুলিচ মিলিটেৰিৰ ভয় খুৱাই সাংবাদিক, সমাজ সেৱক আৰু বিৰোধী দল সমূহক দমন কৰিছে ঃ গৌৰৱ গগৈ



যোৰহাট-মাজুলী সংযোগী দলঙৰ পুনৰ নিৰ্মাণত পলম হোৱাক লৈ সৰৱ গৌৰৱ

**অসম বাৰ্তা, উজনী মাজুলী, ২৫ আগষ্ট ঃ** অসম প্ৰদেশ কংগ্ৰেছ সভাপতি হিচাপে দায়িত্বভাৰ গ্ৰহণ ▸▸৬ পৃষ্ঠাত

পাকিস্তানৰ সৈতে দ্বিপাক্ষিক ক্ৰিকেট মেচ খেলাটো ৰাষ্ট্ৰীয় স্বাৰ্থবিৰোধী ঃ গৌৰৱ

## ভাৰত-পাকিস্তান ক্ৰিকেট মেচৰ পৰা ভাৰতৰ নাম প্ৰত্যাহাৰৰ দাবী গৌৰৱ গগৈৰ

**নিউজ ডেস্ক, অসম বাৰ্তা, ২৫ আগষ্ট ঃ** ভাৰত আৰু পাকিস্তানৰ মাজত চলি থকা কূটনৈতিক উত্তেজনাৰ মাজতে ১৪ ছেপ্টেম্বৰত ডুবাইত অনুষ্ঠিত হ'বলগীয়া ▸▸৬ পৃষ্ঠাত

'তামুলপুৰৰ মৰেল পুলিচিঙৰ ঘটনা দুৰ্ভাগ্যজনক'

## অসমৰ সমস্যাসমূহ আগতকৈ অধিক জটিল হৈ পৰিছে ঃ দেৱব্ৰত শইকীয়া



**নিউজ ডেস্ক, অসম বাৰ্তা, ২৫ আগষ্ট ঃ** বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই সোমবাৰে বঙাইগাঁৱত বৃহত্তৰ বঙাইগাঁও প্ৰেছ ক্লাবত এক সংবাদমেল সম্বোধন কৰি বিজেপি চৰকাৰৰ তীব্ৰ ▸▸৬ পৃষ্ঠাত






**শ্বহীদ মনবৰ নাথ প্ৰেৰণা আৰু সাহসৰ প্ৰতীকঃ মুখ্যমন্ত্ৰী**

# বেবেজীয়াৰ জামুগুৰিত বীৰ শ্বহীদ মনবৰ নাথৰ প্ৰতিমূৰ্তি উন্মোচন



**অসম বাৰ্তা, নগাঁও, ২৫ আগষ্ট ঃ** ভাৰতৰ স্বাধীনতা আন্দোলনৰ বিয়াল্লিছৰ বীৰ শ্বহীদ মনবৰ নাথৰ স্মৃতি ৰক্ষাৰ্থে তেওঁৰ জন্মস্থান নগাঁও জিলাৰ বেবেজীয়াৰ সমীপৰ জামুগুৰিত এটা প্ৰতিমূৰ্তি স্থাপনৰ বাবে সদৌ নাথ যোগী ছাত্ৰ সন্থাই জনাই অহা দাবী আজি পূৰণ হয়। আজি ৰহা বিধান সভা সমষ্টিৰ অন্তৰ্গত পুব জামুগুৰিত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শ্বহীদ মনবৰ নাথৰ প্ৰতিমূৰ্তি আনুষ্ঠানিকভাবে উন্মোচন কৰে। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰীৰ পুজিৰ পৰা আৱণ্টিত ১৫ লাখ টকাৰে সদৌ নাথ যোগী ছাত্ৰ সন্থাৰ তত্ত্বাৱধানত নিৰ্মিত বীৰ শ্বহীদজনৰ প্ৰতিমূৰ্তি উন্মোচন কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে-' স্বাধীনতা আন্দোলনৰ বীৰ শ্বহীদ সকলৰ ভিতৰত শ্বহীদ মনবৰ নাথ অন্যতম। ১৯৪২ চনৰ ২০ ছেপ্টেম্বৰৰ দিনা শ্বহীদ মনবৰ নাথকে ধৰি বহুজনে ত্ৰিৰংগা পতাকা উত্তোলন কৰোঁতে শ্বহীদ মনবৰ নাথক গুলীয়াই হত্যা কৰিছিল। অসমৰ নৱ প্ৰজন্মৰ বাবে শ্বহীদ মনবৰ নাথ প্ৰেৰণা আৰু সাহসৰ প্ৰতীক। আজি শ্বহীদ মনবৰ নাথৰ প্ৰতিমূৰ্তি উন্মোচন কৰিবলৈ পাই গৌৰৱ অনুভৱ কৰিছো। বীৰ শ্বহীদ মনবৰ নাথ অনন্ত প্ৰেৰণাৰ প্ৰতীক হওক। মুখ্যমন্ত্ৰী ড° শৰ্মাই ভাষণ প্ৰসংগত কয় যে-সদৌ নাথ যোগী ছাত্ৰ সন্থাই মোক ১৮ দফীয়া দাবী সন্নিবিষ্ট এখন স্মাৰক পত্ৰ প্ৰদান কৰিছে। তেওঁলোকক অতি সোনকালে চৰকাৰী বিষয়া সকলৰ ওপৰত আলোচনাৰ বাবে নিমন্ত্ৰণ জনাম। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰী ড° শৰ্মাই ইয়াৰ পূৰ্বে মধ্য অসমৰ প্ৰাণবিন্দু ৰূপে পৰিচিত নগাঁও জিলাৰ সাংস্কৃতিক পৰিচয়ক অধিক দৃঢ় আৰু আকৰ্ষণীয় ৰূপত প্ৰতিষ্ঠা কৰাৰ উদ্দেশ্যেৰে অসম চৰকাৰৰ অনুমোদিত আছুঁতীয়া পুঁজিৰ দ্বাৰা ডিমৌচাৰিআলিৰ পৰা নগাঁও চহৰলৈ যোৱা ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ ডিমৌস্থিত 'আমাৰ নগাঁও আমাৰ গৌৰৱ' সম্বলিত নগাঁও চহৰলৈ আদৰণি তোৰণখন উদ্বোধন কৰে। উদ্বোধন উদ্বোধন কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই বিধায়ক ৰূপক শৰ্মাক প্ৰশংসা কৰি কয় যে বিধায়ক ৰূপক শৰ্মাই নগাঁৱত বহু ভাল কাম কৰি আছে। নগাঁৱৰ মৌলিকতা ৰক্ষা কৰি বিধায়ক ৰূপক শৰ্মাই স্থাপন কৰা এই তোৰণে নগাঁৱৰ ঐতিহ্য, কলা-সংস্কৃতিক নতুন ৰূপ দিব-। বীৰ শ্বহীদ মনবৰ নাথৰ প্ৰতিমূৰ্তি আৰু নগাঁও চহৰলৈ আদৰণি তোৰণখন নিৰ্মাণৰ ভাস্কৰ্য শিল্পী লক্ষ্যজিৎ বৰাই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক বীৰ শ্বহীদ মনবৰ নাথৰ প্ৰতিকী প্ৰতিমূৰ্তি প্ৰদান কৰে। বীৰ শ্বহীদ মনবৰ নাথৰ প্ৰতিমূৰ্তি উন্মোচনৰ পিচত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নগাঁৱৰ জামুগুৰিস্থিত 'সৰ্বজনীন গৰখীয়া থান'ত সেৱা আগবঢ়ায়। মুখ্যমন্ত্ৰী ড° শৰ্মাই থানখনৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে ২০ লাখ টকা সাহায্য আগবঢ়োৱাৰ কথা ঘোষণা কৰে। ইপিনে মুখ্যমন্ত্ৰী ড° শৰ্মাই গুণগত মানৰ ড্ৰাইভাৰ প্ৰশিক্ষণ সুবিধা, স্বচ্ছ আৰু নিৰপেক্ষ ফলাফল, দ্ৰুত ড্ৰাইভিং লাইচেঞ্চ প্ৰদান প্ৰক্ৰিয়া, দক্ষ চালকৰ দ্বাৰা পথ সুৰক্ষা নিশ্চিতকৰণকে আদি কৰি বিভিন্ন সুবিধাসম্পন্ন অসম চৰকাৰৰ দ্বাৰা অনুমোদন প্ৰাপ্ত জিলাখনৰ ৰাঙলুত নৱনিৰ্মিত 'স্বীকৃতিপ্ৰাপ্ত ড্ৰাইভাৰ প্ৰশিক্ষণ কেন্দ্ৰ' আৰু 'স্বয়ংক্ৰিয় ড্ৰাইভাৰ টেষ্ট ট্ৰেক কেন্দ্ৰ'টি উদ্বোধন কৰে। এই সমগ্ৰ কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক সংগদান কৰে তথ্য আৰু জনসংযোগ মন্ত্ৰী পীয়ূষ হাজৰিকা, বিধায়ক ৰূপক শৰ্মা, শশীকান্ত দাস, ৰমাকান্ত দেউৰী, সদৌ অসম নাথ যোগী ছাত্ৰ সন্থাৰ সভাপতি অৰবিন্দ নাথ, সম্পাদক দীপক নাথ, জিলা যোগী ছাত্ৰ সন্থাৰ সভাপতি জ্যোতিপ্ৰসাদ হাজৰিকা, সম্পাদক প্ৰশান্ত নাথকে ধৰি উপস্থিত থাকে। অন্যহাতেদি অনুষ্ঠানৰ পিচত সাংবাদিকৰ আগত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৩০ দিন জেলত থাকিলে যিকোনো মন্ত্ৰীৰে মন্ত্ৰী পদ খাৰিজ হোৱাৰ বিষয়ত সংসদত উত্থাপন হোৱা নতুন বিধেয়কৰ প্ৰসংগত কয় যে-প্ৰধানমন্ত্ৰীক আমি অসমৰ জনসাধাৰণৰহৈ সমৰ্থন আগবঢ়াইছো। এই বিধেয়কখন ৰাজনীতিক অপৰাধ মুক্ত কৰিবলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে গ্ৰহণ কৰা এক ইতিবাচক প্ৰচেষ্টা। অন্যহাতেদি জি এম চিত শিশুৰ মৃত্যু হোৱা বিষয় সম্পৰ্কত কাইলৈ প্ৰতিবেদন দাখিল কৰিব বুলি সদৰী কৰে। সমগ্ৰ অসমতে চলি থকা উচ্ছেদৰ সম্পৰ্কত সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত ডঃ শৰ্মাই কয় যে-নগাঁও জিলাটো উচ্ছেদ আৰম্ভ হ'ব। এইক্ষেত্ৰত আমি সাৱধানে আগবাঢ়িছো। আকাংক্ষিত লক্ষ্যত উপনীত নোহোৱালৈকে ক্ষান্ত নহও। জমিয়তৰ সভাপতি মাদানীয়ে কোৱা বক্তব্যৰ সম্পৰ্কত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে-মাদানী অসম বিৰোধী ব্যক্তি। অসমৰ মুখ্যমন্ত্ৰী কোন হব বা নহব অসমৰ ৰাইজে সিদ্ধান্ত লব। মাদানীয়ে অসমৰ মুখ্যমন্ত্ৰীৰ বৰ্খাস্তৰ দাবী জনোৱাৰ অধিকাৰ নাই। অসমৰ যুৱক-যুৱতীক টেট নিযুক্তি দিবলৈ ধৰোঁতেও তেওঁ বাধা দিছিল। এন আৰ চিৰ সময়তো অসম বিৰোধী কামত লিপ্ত আছিল। মাদানীৰ দৰে ব্যক্তিক অসমীয়া ৰাইজে প্ৰতিহত কৰিব লাগিব। সাৱধান নহলে মাদানীৰ দৰে ব্যক্তি সকল অসমৰ ভাগ্য বিধাতাহৈ থাকিব। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে-ব্যক্তিগত ভাবে আমি মাদানীক চুলিৰ সমানো কেয়াৰ নকৰো। অসমৰ ৰাইজক অপমান কৰাৰ বাবে আইন সন্মত ব্যৱস্থা লম। জমিয়তৰ অসম বিৰোধী ৰাজনীতি কৰিব নিদিও। অসমৰ ৰাইজ জাগ্ৰত সেনানী।

# বিশিষ্ট কালিবাদক কলিৰাম বৰাক 'হেমকান্ত শৰ্মা সোঁৱৰণী বঁটা-২০২৫' প্ৰদান

**অসম বাৰ্তা, ডবকা, ২৫ আগষ্ট ঃ** লোকসংস্কৃতিৰ ক্ষেত্ৰখনলৈ আগবঢ়োৱা অনবদ্য অৱদানক স্বীকৃতি দি অসমৰ বিভিন্ন স্থানৰ লগতে ভাৰতৰ কেই বাখনো ৰাজ্যত কালি বজাই যথেষ্ট সমাদৰ লাভ কৰা অসমৰ বিশিষ্ট কালিবাদক কলিৰাম বৰাক সন্মানীয় 'হেমকান্ত শৰ্মা সোঁৱৰণী বঁটা ২০২৫' প্ৰদান কৰা হৈছে। নগাঁও কলংপাৰ বিদ্যাপীঠে আয়োজন কৰা ৩০ সংখ্যক প্ৰতিষ্ঠা দিৱস আৰু নৱাগত আদৰণি উৎসৱ অনুষ্ঠানতে অসমীয়া লোক সংগীত জগতলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে ২১ আগষ্ট পবিত্ৰ দিনটোতে লোকশিল্পী কলিৰাম বৰাক প্ৰদান কৰা হয়। এই বঁটাত কলিৰাম বৰাক গামোচা, চেলেং চাদৰ, প্ৰশস্তি পত্ৰ আৰু নগদ ধন আগবঢ়ায়। উল্লেখ্য যে, প্ৰতিবছৰে ৰাজ্যৰ একোগৰাকীকৈ বিশিষ্ট ব্যক্তিক 'হেমকান্ত শৰ্মা সোঁৱৰণী বঁটা' প্ৰদান কৰা হয়। বিগত কেইবা বছৰৰে পৰা নগাঁৱৰ কলংপাৰ বিদ্যাপীঠে এই কাম সুকলমে কৰি আহিছে।

# বিশিষ্ট অধিবক্তা, প্ৰবীণ জাতীয়তাবাদী নেতা শ্বৰ্গীৰ ইমদাদ ইয়াচিনৰ মৃত্যুত বিভিন্ন দল-সংগঠনৰ শোক

**ষ্টাফ ৰিপটাৰ, শিৱসাগৰ,** অসমৰ এগৰাকী প্ৰবীণ জাতীয়তাবাদী নেতা, শিৱসাগৰৰ জেষ্ঠ অধিবক্তা তথা উজনি অসম মুছলিম কল্যাণ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ উপদেষ্টা শ্বৰ্গীৰ ইমদাদ ইয়াচিন আৰু নাই। বিগত ৫টা দিন মৃত্যুৰ সৈতে যুঁজ দি যোৱা নিশা ১১-৪৫ বজাত ডিব্ৰুগড়ৰ এখন নাৰ্চিংহোমত এই গৰাকী আপোচহীন জাতীয়বাদী নেতাই শেষ নিশ্বাস ত্যাগ কৰিলে। উদাৰ ধৰ্মনিৰপেক্ষ মনৰ ব্যক্তি শ্বৰ্গীৰ ইমদাদ ইয়াচিন বিগত ৪ দিনৰ পূৰ্বে কৰ্মস্থলীত গুৰুতৰ ভাৱে অসুস্থ হৈ পৰাত ততালিকে ডিব্ৰুগড়লৈ নিয়া হয়। ডিব্ৰুগড়ৰ নাৰ্চিংহোমত এটা জটিল অস্ত্ৰপ্ৰচাৰ কৰাৰ পাছৰে পৰা তেখেতৰ স্বাস্থ্যৰ অৱনতি ঘটি যোৱা নিশা মাত্ৰ ৬৫ বছৰত তেখেতে শেষ নিশ্বাস ত্যাগ কৰে। সমগ্ৰ জিলাৰ ভিতৰতে অতি জনপ্ৰিয় এই ব্যক্তি গৰাকীৰ নশ্বৰ দেহ আজি পুৱা শিৱসাগৰৰ টেক্সী আলিত থকা বাসভৱনলৈ অনাৰ পাছৰে পৰা অগণন গুণমুগ্ধৰ তেওঁৰ বাসভৱনলৈ সমাগম হয়। তেওঁৰ অকাল মৃত্যুত সমগ্ৰ জিলাখনতেই গভীৰ শোকৰ ছাঁ পৰে। আজি বিয়লি ১ বজাত উজনি অসম মুছলিম কল্যাণ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি মনিৰুল ইছলাম বড়াৰ নেতৃত্বত কল্যাণ পৰিষদৰ কৰ্মী সকলে প্ৰয়াত উপদেষ্টা গৰাকীৰ নশ্বৰ দেহত উজনি অসম মুছলিম কল্যাণ পৰিষদৰ পতাকা অৰ্পণ কৰি শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ইয়াৰ লগতে শিৱসাগৰ উকিল সন্থাকে ধৰি কেইবাটাও সংগঠনে তেখেতৰ প্ৰতি শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। মৃত্যুৰ সময়ত তেওঁ পত্নীৰ উপৰিও একমাত্ৰ পুত্ৰ আৰু বোৱাৰীক ইহ সংসাৰত এৰি থৈ যায়। আজি বিয়লি ২-৩০ বজাত দৰবাৰ কেন্দ্ৰীয় কবৰস্থানত তেওঁৰ জানাজা সম্পন্ন কৰা হয়। উল্লেখযোগ্য যে, চৰকাৰী অধিবক্তা হিচাপে কাৰ্যনিৰ্বাহ কৰিলেও শ্বৰ্গীৰ ইমদাদ ইয়াচিন অসমৰ জাতীয়তাবাদী শিৱিৰৰ এটা চিনাকি নাম আছিল। সশস্ত্ৰ সংগ্ৰামী সংগঠন আলফাৰ উত্থান আৰু পতনৰ সাক্ষী শ্বৰ্গীৰ ইমদাদ ইয়াচিনে আলফাৰ অভাৰগ্ৰাউণ্ড সংগঠন অসম জাতীয় উন্নয়ন পৰিষদৰ লগতে অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, মানৱ অধিকাৰ সংগ্ৰাম সমিতিৰ দৰে আগশাৰীৰ সংগঠনৰ সৈতে সক্ৰিয়ভাৱে জড়িত হৈ আছিল। শ্বৰ্গীৰ ইমদাদ ইয়াচিনৰ মৃত্যুত অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, মানৱ অধিকাৰ সংগ্ৰাম সমিতি, উজনি অসম মুছলিম কল্যাণ পৰিষদ, শিৱসাগৰ প্ৰেছ ক্লাব, পি চি পি ডি, শিৱসাগৰ উকিল সন্থা, জাতীয় দল অসম, গণ স্বৰাজ পাৰ্টি, গ্ৰীণ আচাম, টৌআলি যুৱ সংঘ, খিলঞ্জীয়া মুছলমান সাহিত্য চৰ্চা মঞ্চ, হজৰত খন্দকাৰ পীৰ দৰগাহ পৰিচালনা সমিতি, বাঘ হাজৰিকা জাগৰণ মঞ্চ, স্বেচ্ছাসেৱী সংগঠন ঐক্য, ৰংপুৰ জ্যোতি ক্লাব, তৰুণ সংঘ ৰিডিং ক্লাব, আলোক সংঘকে ধৰি বহু সংগঠন আৰু অনুষ্ঠানে গভীৰ শোক প্ৰকাশ কৰিছে।

# টংলাত বিশিষ্ট নাট্যকাৰ, গীতিকাৰ হেমন্ত দত্ত স্মাৰক বক্তৃতা অনুষ্ঠান সম্পন্ন

**ষ্টাফ ৰিপৰ্টাৰ, টংলা, ২৫ আগষ্ট ঃ** ওদালগুৰি জিলা সাহিত্য সভাৰ উদ্যোগত আৰু প্ৰেচিডেন্সি চিনিয়ৰ চেকেণ্ডাৰী স্কুলৰ সহযোগত টংলাস্থিত প্ৰেচিডেন্সি চিনিয়ৰ চেকেণ্ডাৰী স্কুলৰ ছাত্ৰ ছাত্ৰী সকলৰ মাজত অসমৰ স্বনামধন্য নাট্যকাৰ, পৰিচালক, গীতিকাৰ, অভিনেতা অসম সৌৰভ বঁটা প্ৰাপক অসম সন্তান শ্ৰদ্ধাৰ হেমন্ত দত্তদেৱৰ স্মৃতিত প্ৰেচিডেন্সি চিনিয়ৰ চেকেণ্ডাৰী স্কুলৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এখনি বক্তৃতা অনুষ্ঠান অনুষ্ঠিত হয়। ওদালগুৰি জিলা সাহিত্য সভাৰ ভাৰপ্ৰাপ্ত সভাপতি সন্তোৰাম কছাৰীৰ সঞ্চালনাত অনুষ্ঠিত বক্তৃতানুষ্ঠানত আদৰণি ভাষণেৰে আদৰণি জনায় বিদ্যালয়খনৰ অধ্যক্ষ মোহন শৰ্মাই। অনুষ্ঠানৰ সমল ব্যক্তি তথা নিৰ্দিষ্ট বক্তা হিচাপে টংলা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক, গ্ৰন্থাকাৰ জয়ন্ত কুমাৰ চক্ৰৱৰ্তীয়ে নাট্যকাৰ হেমন্ত দত্তদেৱৰ সাংস্কৃতিকক্ষেত্ৰখনত থকা বিৰল অৱদানৰ বিষয়ে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বক্তৃতা আগবঢ়ায় আৰু বৰ্তমানৰ যুৱপ্ৰজন্ম ছাত্ৰ-ছাত্ৰীসকলক সাহিত্য আৰু সংস্কৃতি দিশত গুৰুত্ব দিবলৈ আহ্বান জনায়। অনুষ্ঠানত বিদ্যালয়খনৰ ছাত্ৰী নিশা ৰাভা আৰু শিল্পী সৰকাৰে এটিকৈ গীত পৰিৱেশন কৰাৰ লগতে শিক্ষাগুৰু ভাস্কৰ শৰ্মাই শিক্ষক-শিক্ষয়িত্ৰীসকলৰ তৰফৰ পৰা দুআষাৰ বক্তব্য ৰাখে। ওদালগুৰি জিলা সাহিত্য সভাৰ সম্পাদক দিবাকৰ বড়াই আঁত ধৰা বক্তৃতা অনুষ্ঠানত ওদালগুৰি জিলা সাহিত্য সভাৰ ধনভঁৰালী ভদ্ৰকান্ত শৰ্মা, ওদালগুৰি জিলা সাহিত্য সভাৰ প্ৰাক্তন উপ সভাপতি আদিত চন্দ্ৰ কলিতা, টংলা সাহিত্য সভাৰ সভাপতি ঘটেশ্বৰ বৰুৱা, উপ সভাপতি তপেশ্বৰ ৰাভা, সম্পাদক শ্যামল কুমাৰ দাস, সাংবাদিক নাৰায়ণ ডেকা, বিদ্যালয়খনৰ উপাধ্যক্ষ প্ৰকাশ শৰ্মা, জিলা প্ৰতিনিধি ইমদাদুল হক চৌধুৰী, ওদালগুৰি জিলা সাহিত্য সভাৰ যুৱ সংসদৰ আহ্বায়ক মধুস্মিতা মজুমদাৰ টংলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি চন্দ্ৰপ্ৰভা দত্ত, টংলা সাহিত্য সভাৰ পত্ৰিকা সম্পাদক জয়ন্ত দাসৰ লগতে বহুসংখ্যক সাহিত্যানুৰাগী ৰাইজ অংশগ্ৰহণ কৰে।

# পঞ্চমবাৰৰ বাবে অনলাইন মাধ্যমত কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ত ছাত্ৰ একতা সভাৰ নিৰ্বাচন সম্পন্ন

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২৩ আগষ্ট,** এক ব্যতিক্ৰমী ৰূপত শান্তিপূৰ্ণ পৰিৱেশত অসমৰ আগশাৰীৰ উচ্চ শিক্ষানুষ্ঠান ডিব্ৰুগড় হনুমানব' সূৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)-ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচন আজি (২৩-৮-২৫)অনুষ্ঠিত হৈ যায়। পঞ্চমবাৰৰ বাবে সম্পূৰ্ণ অনলাইন পদ্ধতিৰে অনুষ্ঠিত নিৰ্বাচনত পৰাজিত প্ৰাৰ্থীসকলে বিজয়ীসকলক হাতে হাত মিলাই বিজয়ৰ প্ৰমাণ পত্ৰ প্ৰদান কৰি এক আদৰ্শৰ বাট দেখুৱায়। মহাবিদ্যালয়খনৰ অধ্যক্ষৰ সভাকক্ষত পুৱা ৯ বজাত অনলাইন মাধ্যমত অনুশীলন ভোট আৰম্ভ হোৱাৰ পিছত পুৱা ১০ বজাৰ পৰা বিয়লি ২ বজালৈ অনলাইন মাধ্যমত ভোটদান প্ৰক্ৰিয়া সম্পন্ন হয়। সম্পূৰ্ণ নিকা আৰু স্বচ্ছতাৱে ভোটদান প্ৰক্ৰিয়া সম্পন্ন হোৱাৰ পিছত বিয়লি ২.১৫ বজাত ভোটদান প্ৰক্ৰিয়াৰ ফলাফল ঘোষণা কৰা হয়। ২০২৫-২০২৬ বৰ্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত মুঠ ১৪টা পদৰ বিপৰীতে ০৫টা পদৰ বাবে অনুষ্ঠিত হোৱা নিৰ্বাচনত ১০ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিল। পুৱা ১০ বজাৰ পৰা বিয়লি ২ বজাৰ ভিতৰত অনুষ্ঠিত হোৱা ভোটদান প্ৰক্ৰিয়াত মহাবিদ্যালয়ৰ মুঠ ৩, ৮৬১ গৰাকী ছাত্ৰ-ছাত্ৰীৰ ভিতৰত মুঠ ২, ৬৩৫ গৰাকীয়ে ভোটদান কৰে, ভোটদানৰ হাৰ আছিল ৬৮.২৫ শতাংশ। ইয়াৰে ১, ০৫২ গৰাকী ছাত্ৰ আৰু ১, ৫৮৩ গৰাকী ছাত্ৰীয়ে তেওঁলোকৰ ভোটাধিকাৰ সাব্যস্ত কৰে। নিৰ্বাচনত ক্ৰমে সভাপতি পদৰ প্ৰাৰ্থী আত্ৰেয় চেতীয়াই মুঠ ১, ২৮৪টা ভোট, সাধাৰণ সম্পাদকৰ পদত বেদব্যাস বড়ীয়ে ১, ৮৭৭টা ভোট, সমাজ সেৱা সম্পাদকৰ পদত হৰ্ষিতা গগৈয়ে ১, ৩৭৬টা ভোট, গুৰু ক্ৰীড়া সম্পাদকৰ পদত চয়ন শুভাংকৰ দাসে ১, ৭১০টা ভোট আৰু সংগীত সম্পাদকৰ পদত জিমণি কোঁৱৰে ১, ২৫৯টা ভোট লাভ কৰি বিজয়ী হয়। সমান্তৰালভাৱে উপ-সভাপতি পদত চানক্য বৰুৱা, আলোচনী আৰু সাহিত্য সম্পাদকৰ পদত ৰিয়া বৰুৱা, লঘু ক্ৰীড়া সম্পদকৰ পদত সুস্মিতা চেত্ৰী, সাংস্কৃতিক সম্পাদকৰ পদত সৌৰভ জ্যোতি দাস, তৰ্ক সম্পাদক পদত শিল্পী ফুকন, শৰীৰ চৰ্চা সম্পাদকৰ পদত ৰক্তিম গগৈ, ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ পদত দীপজ্যোতি কোঁৱৰ আৰু ছাত্ৰী জিৰণি কোঠাৰ সম্পাদকৰ পদত ৰমিজা বেগমে বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হ'বলৈ সক্ষম হয়। উল্লেখ্য যে সহকাৰী সাধাৰণ সম্পাদকৰ পদত কোনো প্ৰতিদ্বন্দ্বীৰ মনোনয়ন পত্ৰ গৃহীত নোহোৱাৰ পৰিপ্ৰেক্ষিতত উক্ত পদটি খালী হৈ বয়। কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই নিৰ্বাচন সুকলমে অনুষ্ঠিত কৰাত মহাবিদ্যালয়ৰ উপাধ্যক্ষ অভিজিত বৰুৱা, নিৰ্বাচনী বিষয়া ড° অনন্ত কুমাৰ দত্ত প্ৰমুখ্যে নিৰ্বাচন প্ৰক্ৰিয়াটোৰ লগত প্ৰত্যক্ষ অথবা পৰোক্ষভাৱে জড়িত হৈ থকা প্ৰতিগৰাকী অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী, চিষ্টেম ডেভলপাৰ কাকুল বেজবৰুৱাক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। উল্লেখ্য যে ছাত্ৰ একতা সভাৰ এই নিৰ্বাচনত মহাবিদ্যালয় চৌহদত প্ৰৱেশ নকৰাকৈ ছাত্ৰ-ছাত্ৰীসকলে দেশৰ বিভিন্ন প্ৰান্তৰ পৰা তেওঁলোকৰ ভোটাধিকাৰ সাব্যস্ত কৰে। বিয়লি ২.১৫ বজাৰ পৰা অনুষ্ঠিত ছাত্ৰ একতা সভাৰ নিৰ্বাচনৰ ভোট গণনা প্ৰক্ৰিয়াত মহাবিদ্যালয়ৰ নব নিযুক্ত পৰিচালনা সমিতিৰ সভাপতি ড° লখিৰাম শইকীয়াৰ লগতে পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি তথা বৰ্তমানৰ সদস্য অভিমন্যু বৰুৱা, পৰিচালনা সমিতিৰ সদস্য ড° গোপাল হাজৰিকা, সদ্য অৱসৰপ্ৰাপ্ত প্ৰাক্তন উপাধ্যক্ষ ড° প্ৰিয়দেৱ গোস্বামী, মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰীসকলৰ উপস্থিতিত অনুষ্ঠিত হোৱা ছাত্ৰ একতা সভাৰ নিৰ্বাচন অতি সুন্দৰভাৱে অনুষ্ঠিত হৈ যায়। উল্লেখ্য যে বিগত ২০১৮ চনত মহাবিদ্যালয়খনে ডিজিটেল পদ্ধতিত পোনপ্ৰথমবাৰৰ বাবে ২০টা কম্পিউটাৰ ব্যৱহাৰ কৰি নিৰ্বাচন অনুষ্ঠিত কৰাৰ পিছত ২০১৯ চনত এই ভোটদান প্ৰক্ৰিয়া সম্পূৰ্ণ অনলাইন পদ্ধতিলৈ উন্নীত কৰা হয় আৰু দেশৰ বিভিন্ন প্ৰান্তৰ পৰা ছাত্ৰ-ছাত্ৰীয়ে ভোটদান সাব্যস্ত কৰিব পৰা হয়। ২০২১-২০২২ বৰ্ষৰ পৰা ম'বাইলত এল এম এছ ছ'ফটৱেৰৰ অধীনত বে'ববেছড এপ্লিকেশ্যনৰ মাধ্যমত সম্পূৰ্ণ অনলাইন পদ্ধতিত ভোটদান ব্যৱস্থা সংযোজন কৰা হয়। এইবাৰো সেই পদ্ধতিৰে নিৰ্বাচন অনুষ্ঠিত কৰাত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কোনো ধৰণৰ সংঘাতৰ সুৰুঙা হোৱা নাই। উল্লেখ্যযে ২০২২-২৩ শিক্ষাবৰ্ষৰ পৰা শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিৰ হাৰ সম্পূৰ্ণ অনলাইন মাধ্যমত সম্পন্ন হয়।

**নামনি মাজুলী আঞ্চলিক সমিতি গঠন**

# সদৌ কলিতা জনগোষ্ঠী ছাত্ৰ সন্থাৰ সাধাৰণ সভা

**অসম বাৰ্তা, উজনী মাজুলী, ২৫ আগষ্ট ঃ** সদৌ কলিতা জনগোষ্ঠী ছাত্ৰ সন্থাৰ এখন বিশেষ সাধাৰণ সভা নামনি মাজুলীৰ গোৱালগাঁও শাস্ত্ৰী আদৰ্শ পুথিভঁৰালত অনুষ্ঠিত হয়। মাজুলী জিলা কলিতা জনগোষ্ঠী ছাত্ৰ সন্থাৰ উদ্যোগত অনুষ্ঠিত হোৱা উক্ত সভাত নামনি মাজুলী আঞ্চলিক সমিতিখন গঠন কৰা হয়। কলিতা জনগোষ্ঠীৰ ছাত্ৰ সন্থাৰ মাজুলী জিলা সমিতিৰ সভাপতি অনিৰুদ্ধ দত্তৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে মাজুলী জিলা সমিতিৰ কাৰ্যকৰী সভাপতি মৃদুল মূদৈয়ে। সভাত কলিতা জনগোষ্ঠীৰ ছাত্ৰ সন্থাৰ মাজুলী জিলা সমিতিৰ সাধাৰণ সম্পাদক পৰানজ্যোতি বৰাই কলিতা জনগোষ্ঠীৰ ছাত্ৰ সন্থাৰ লক্ষ্য উদ্দেশ্য সন্দৰ্ভত ব্যাখ্যা আগবঢ়ায়। সভাত কলিতা জনগোষ্ঠীৰ সাংগঠনিক দিশত কৃষ্ণৰাম হাজৰিকা, নিলোৎপল হাজৰিকা, যদু কলিতা, অজিত মুক্তিয়াৰ, দিগন্ত হাজৰিকা, দীপাংকৰ হাজৰিকা আদিয়ে, ৰঞ্জিত ৰুবুল হাজৰিকা, জগত ভূঞা, টংকেশ্বৰ ভঁৰালী, দিগন্ত বৰুৱা, সুমন্ত বৰুৱা আদিয়ে সভাত ভাষণ প্ৰদান কৰে। সভাত, নামনি মাজুলীৰ কলিতা জনগোষ্ঠী ছাত্ৰ সন্থাৰ আঞ্চলিক সমিতিখন গঠন কৰা হয়। উক্ত, সমিতিত যদু কলিতাক মুখ্য উপদেষ্টা, ৰঞ্জিত ৰুবুল হাজৰিকাক সভাপতি, নৱজ্যোতি শইকীয়াক কাৰ্যকৰী সভাপতি, দিগন্ত বৰুৱা আৰু অজিত মুক্তিয়াৰক উপ-সভাপতি গোবিন মূদৈক সাধাৰণ সম্পাদক হিচাপে লৈ এখন ৩১ জনীয়া সদস্যৰে কলিতা জনগোষ্ঠীৰ আঞ্চলিক ছাত্ৰ সন্থাৰ নতুন সমিতি গঠন কৰা হয়। সভাত, নামনি মাজুলীত কলিতা লোকসকলৰ সংখ্যা নিৰ্ধাৰণৰ বাবে এটা শুদ্ধ জৰীপ কৰা, নামনি মাজুলীৰ সকলো কলিতা জনগোষ্ঠীৰ লোকসকলক লৈ এখন সাধাৰণ সভা অনুষ্ঠিত কৰা আৰু বিভিন্ন শাখা সমিতি গঠন কৰাৰ বাবে সভাত প্ৰস্তাৱ গ্ৰহণ কৰা হয়। আজিৰ উক্ত সভাত সদৌ অসম কলিতা জনগোষ্ঠী ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক ভবেন শইকীয়া, উপ-সভাপতি শিৱ প্ৰসাদ বৰাই অংশগ্ৰহণ কৰে। অনুষ্ঠানত শলাগ জ্ঞাপন কৰে জিলা সমিতিৰ সাধাৰণ সম্পাদক পৰাণজ্যোতি বৰাই।

**মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ জাগীৰোড সমষ্টিৰ জাগীভকতগাঁৱত সম-জিলা আয়ুক্তৰ নতুন কাৰ্যালয় ভৱনৰ আধাৰশিলা স্থাপন**

# জাগীৰোডত কৰ্মৰত মহিলা হোষ্টেলৰ ভূমি পূজন আৰু আধাৰশিলা স্থাপন

**ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ২৫ আগষ্ট ঃ** মৰিগাঁও জিলস্থিত জাগীৰোড সমষ্টিত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কৰ্মৰত মহিলাৰ বাবে নিৰ্মাণ হ'বলগীয়া ১০ মহলীয়া আধুনিক হোষ্টেলখনৰ ভূমি পূজন আৰু আধাৰশিলা স্থাপন কৰে। গুৱাহাটী নগৰ উন্নয়ন প্ৰাধিকৰণ (GMDA)ৰ উদ্যোগত আৰু টাটা ছেমি কণ্ডাক্টৰ প্লাণ্টৰ সমীপত প্ৰায় ১৪২ কোটি টকা ব্যয়েৰে নিৰ্মিত হ'বলগীয়া এই হোষ্টেলখনত ৮৩০খন বিছনাৰ সুবিধা থাকিব আৰু প্ৰায় ৬ একৰ ভূমিত নিৰ্মিত হবলগীয়া এই কাৰ্য ১৮ মাহৰ ভিতৰত সম্পূৰ্ণ হোৱাৰ লক্ষ্য ৰখা হৈছে। আজি দিনটোতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ জাগীৰোড সমষ্টিৰ জাগীভকতগাঁৱত সম-জিলা আয়ুক্তৰ নতুন কাৰ্যালয় ভৱনৰ আধাৰশিলা স্থাপনকৰে। এই পদক্ষেপে প্ৰশাসনিক ব্যৱস্থা শক্তিশালী কৰাৰ লগতে নাগৰিকসকলক দ্ৰুত, দক্ষ আৰু সহজভাৱে সেৱা প্ৰদানৰ ক্ষেত্ৰত এক নতুন দিশ উন্মোচন কৰিব। নতুন কাৰ্যালয় স্থাপন হোৱাৰ ফলত সম-জিলা পৰ্যায়ৰ বিভিন্ন দাপ্তৰিক সেৱা স্থানীয় ৰাইজে নিজৰ অঞ্চলতে লাভ কৰিব পাৰিব বুলি মন্তব্য প্ৰকাশ কৰে। আনফালে আজি দিনৰ প্ৰায় ১১মান বজাত মৰিগাঁও জিলাৰ জাগীৰোড সমষ্টিত আজিৰ দিনটো মহিলাসকলৰ অৰ্থনৈতিক স্বাৱলম্বিতা আৰু উদ্যমশীলতাৰ দিশত এক ঐতিহাসিক পদক্ষেপৰ সূচক হ'ল। অসম চৰকাৰে গ্ৰহণ কৰা মহিলাসকলৰ সবলীকৰণৰ লক্ষ্যেৰে মাননিয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই আজি 'মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযান'ৰ শুভাৰম্ভ কৰে। এই আঁচনিৰ অধীনত প্ৰথম পৰ্যায়ত জাগীৰোড সমষ্টিৰ প্ৰায় ৩৭ হাজাৰ আত্মসহায়ক গোটৰ মহিলাসকলে ১০,০০০ টকাকৈ আৰ্থিক সহায় লাভ কৰিছে। মহিলাসকলক ক্ষুদ্ৰ উদ্যোগ গঢ়ি তুলিবলৈ সহায় কৰা তথা তেওঁলোকক উদ্যমী আৰু আত্মনিৰ্ভৰশীল কৰি তোলাৰ ক্ষেত্ৰত এই আঁচনিখনে এক নতুন দিশ উন্মোচন কৰিব বুলি বিশ্বাস প্ৰকাশ কৰা হয়। এই শুভক্ষণত জাগীৰোডক অসম তথা ভাৰতৰ অন্যতম ঔদ্যোগিক কেন্দ্ৰ হিচাপে গঢ়ি তুলিবলৈ মুখ্যমন্ত্ৰী ডাঙৰীয়াই যি অগ্ৰগণ্য পদক্ষেপ গ্ৰহণ কৰি আহিছে, তাৰ বাবে জাগীৰোড তথা মৰিগাঁও জিলাৰ জনগণৰ পক্ষৰ পৰা আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰা হয়। প্ৰতিটো অনুষ্ঠানতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগত সঙ্গতি দিয়া লগতে অনুষ্ঠানত উপস্থিত থাকে সামাজিক ন্যায় আৰু সৱলীকৰণ, জলসম্পদ, তথ্য আৰু জনসংযোগ বিভাগৰ মাননিয় মন্ত্ৰী পিযুষ হাজৰিকা, খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক সুৰক্ষা বিভাগৰ মাননিয় মন্ত্ৰী তথা জিলাখনৰ অভিভাৱক মন্ত্ৰী কৌশিক ৰায়, মৰিগাঁও সমষ্টিৰ বিধায়ক ৰমাকান্ত দেউৰী, তিৱা স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া জীৱন চন্দ্ৰ কোঁৱৰ, জিলা আয়ুক্ত অনামিকা তেৱাৰী, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া অনন্ত কুমাৰ গগৈ, অতিৰিক্ত জিলা আয়ুক্ত অনসুয়া শৰ্মা আৰু নীতিশা বৰা, জাগীৰোড সম জিলা আয়ুক্ত হৃদয় কুমাৰ দাসৰ লগতে জিলা প্ৰশাসনৰ সকলো বিষয়ববীয়া, বিভিন্ন বিভাগীয় বিষয়া আৰু অসংখ্য গণ্যমান্য ব্যক্তি উপস্থিত আছিল।

**মৃত মহিলা গৰাকীৰ স্বামীৰ বিৰুদ্ধে বিভিন্ন অভিযোগ; হত্যাকাণ্ডৰ সন্দেহ**

# দেৰগাঁৱৰ জাৰ্ফিনা ৰহমানৰ আত্মহননে লৈছে নতুন মোৰ

**অসম বাৰ্তা, দেৰগাঁও, ২৫ আগষ্ট ঃ** দেৰগাঁৱৰ তিনি নং গেটত অলপতে সংঘটিত জাৰ্ফিনা ৰহমান নামৰ বোৱাৰী গৰাকীৰ আত্মহননৰ ঘটনাই নতুন মোৰ লোৱা দেখা গৈছে। যোৱা ১৯ আগষ্টত সংঘটিত হোৱা এই ৰহস্যজনক আত্মহননৰ ঘটনাই দেৰগাঁৱত সৃষ্টি কৰিছে তীব্ৰ চাঞ্চল্যৰ। জানিব পৰা মতে, দেৰগাঁৱস্থিত বেটেলিয়ান ট্ৰেইনিং চেণ্টাৰৰ লেঞ্চ নায়ক আৰিফুৰ ৰহমানৰ পত্নী জাৰ্ফ্ৰিনা ৰহমানে সেইদিনা দিনৰ ভাগতে আত্মহননৰ পথ বাছি লৈছিল। কিন্তু স্বামীৰ বাসগৃহত উদ্ধাৰ হোৱা মৃতদেহৰ অৱস্থিতিক লৈ সৃষ্টি হয় ৰহস্যৰ। উল্লেখযোগ্য যে শোৱনি কোঠাৰ বিছনাত ভৰি বন্ধা অৱস্থাত উদ্ধাৰ হৈছিল জাফ্ৰিনাৰ মৃতদেহ। ফেনত লাগি আছিল ৰচি। ইয়াৰ পিছতে দেৰগাঁও আৰক্ষী থানাত জাৰ্ফ্ৰিনাৰ মাতৃগৃহৰ পৰিয়ালে স্বামী আৰিফুৰ ৰহমানৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰে। এই এজাহাৰৰ ভিত্তত এক গোছৰ ৰুজু হয় আৰিফুৰৰ বিৰুদ্ধে। মৃত জাৰ্ফ্ৰিনাৰ মাতৃৰ পৰিয়ালৰ দাবী এইয়া এক পৰিকল্পিত হত্যাকাণ্ড। ইফালে সংবাদ মাধ্যমৰ সন্মুখত জাৰ্ফ্ৰিনাৰ ১৪ বছৰীয়া কন্যাৰ বিস্ফোৰক ভাষ্য প্ৰায়ে আৰক্ষী পিতৃয়ে নিৰ্মম অত্যাচাৰ চলাইছিল মাতৃক। বুট জোতাৰে গছকি পিতৃয়ে নাৰকীয় অত্যাচাৰ চলাইছিল মাতৃক। মৃত জাৰ্ফ্ৰিনাৰ মাতৃৰ পৰিয়ালৰ সন্দেহ আৰক্ষী হোৱা বাবেই সাৰি যাব নেকি আৰিফুৰ ৰহমান? সমগ্ৰ ঘটনাৰ সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ হস্তক্ষেপৰো দাবী জনাইছে পৰিয়ালটোৱে।

# চৰাইবাহী কুঁহিয়াৰবৰীয়াত অবিৰত ভাগৱত পাঠৰ আয়োজন

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ২৫ আগষ্টঃ** চৰাইবাহী আৰু খঙীয়া মৌজাৰ ৪০খন সৰুবৰ গাঁৱৰ ৰাইজে গঠন কৰি লোৱা আঞ্চলিক অখণ্ড ভাগৱত পাঠ সমিতিয়ে বিগত বৰ্ষসমূহৰ দৰে এইবছৰ চৰাইবাহী কুঁহিয়াৰবৰীয়া বামুণ গাঁৱৰ নামঘৰত সপ্তাহজোৰাকৈ ২০২৬ বৰ্ষৰ মাৰ্চৰ দ্বিতীয় সপ্তাহত ভাগৱত পাঠ অবিৰতভাৱে ৭ দিনীয়াকৈ পালনৰ সিদ্ধান্ত কৰি পৰিচালনাৰ বাবে আয়োজক নামঘৰত ১৭ আগষ্টত অনুষ্ঠিত প্ৰায় ৩০০ গৰাকী ভকত-বৈষ্ণৱৰ উপস্থিতিত প্ৰদীপ নেওগক সভাপতি, ৰাজীৱ বেজক কাৰ্যকৰী সভাপতি, ৰঞ্জিত বৰাক প্ৰধান সম্পাদক, জিণ্টু কাঠকটীয়া, সত্যেন্দ্ৰনাথ দত্ত, নৱজিৎ বৰুৱা, মহেশ্বৰ কাঠকটীয়া, সঞ্জীৱ বৰাক কাৰ্যকৰী সম্পাদক, চন্দন বৰাক কোষাধ্যক্ষ আৰু কেইবাখনো উপ-সমিতি গঠন কৰে। যোগেন দত্তক মুখ্য উপদেষ্টাৰূপে লৈ গঠন কৰা সমিতিখনে সেৱকী ৪০খন গাঁৱৰ লগতে অঞ্চলৱতী ৰাইজৰ সহায়-সহযোগিতা সমিতিখনে কামনা কৰিছে।

# সদৌ কলিতা জনগোষ্ঠী ছাত্ৰ সন্থা, অসমৰ ৰঙিয়া জিলা সমিতি গঠন

**অসম বাৰ্তা, বাহাৰঘাট, ২৫ আগষ্ট ঃ** সদৌ কলিতা জনগোষ্ঠী ছাত্ৰ সন্থাৰ এখন বিশেষ সাধাৰণ সভা ৰঙিয়া সমজিলাৰ কামপীঠ (কএওঁ) অনুষ্ঠিত হয়। সদৌ কলিতা জনগোষ্ঠী ছাত্ৰ সন্থাৰ উদ্যোগত অনুষ্ঠিত হোৱা উক্ত সভাত ৰঙিয়া সমিতিখন গঠন কৰা হয়। উক্ত সভাখন শ্ৰী বিমান কলিতাৰ সভাপতিত্বত অনুষ্ঠিত হয়, সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে শ্ৰী ৰুবুল কলিতাই। সভাত কলিতা জনগোষ্ঠীৰ সাংগঠনিক দিশত বিশ্বজিৎ কলিতা, ধ্ৰুৱজ্যোতি কলিতা, ৰাকেশ কলিতা ভাষণ প্ৰদান কৰে। সভাত, ৰঙিয়া জিলা কলিতা জনগোষ্ঠী ছাত্ৰ সন্থাৰ সমিতিখন গঠন কৰা হয়। উক্ত, সমিতিত বিমান কলিতাক মুখ্য উপদেষ্টা, নয়নজ্যোতি ডেকা, বিশ্বজিৎ কলিতা, বেদান্ত শইকীয়াক উপদেষ্টা, ৰুবুল কলিতাক সভাপতি, অলকেশ কলিতা আৰু মাধৱ কলিতাক উপ-সভাপতি, ৰাকেশ কলিতাক সাধাৰণ সম্পাদক, ধ্ৰুৱজ্যোতি কলিতা আৰু হিৰকজ্যোতি কলিতাক সহ- সাধাৰণ সম্পাদক, অপূৰ্ব কলিতাক মুখ্য সাংগঠনিক সম্পাদক, মিণ্টু কলিতাক সহ- সাংগঠনিক সম্পাদক, বিকাশ কলিতা আৰু যুৱৰাজ কলিতাক প্ৰচাৰ সম্পাদক হিচাপে লৈ এখন ২০ জনীয়া সদস্যৰে কলিতা জনগোষ্ঠীৰ ৰঙিয়া জিলা সমিতি টিখন গঠন কৰা হয় আৰু আজিৰ সভাই আগন্তুক সময়ত সমিতিখন পূৰ্ণাংগ কৰাৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰে। সভাত, আগন্তুক সময়ত ৰঙিয়া সমজিলাৰ সকলো কলিতা জনগোষ্ঠীৰ লোকসকলক লৈ এখন সাধাৰণ সভা অনুষ্ঠিত কৰা আৰু বিভিন্ন শাখা সমিতি গঠন কৰাৰ বাবে সভাত প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

# ৰঙাচাহী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ নৱাগত আদৰণি সভা সম্পন্ন

**অসম বাৰ্তা, উজনী মাজুলী, ২৫ আগষ্ট ঃ** মাজুলীৰ উচ্চ শিক্ষাৰ অগ্ৰণী শিক্ষানুষ্ঠান ৰঙাচাহী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ নৱাগত ছাত্ৰ-ছাত্ৰীসকলক আদৰণি জনোৱাৰ উদ্দেশ্যে এক স্বাগতানুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানটোত অসমীয়া বিভাগৰ মুৰব্বী লক্ষ্যজিত মুদৈয়ে সভাপতিত্ব কৰে আৰু আঁত ধৰে পঞ্চম ষাণ্মাসিকৰ ছাত্ৰী মানসী নাথে। সভাখনত ৰঙাচাহী মহাবিদ্যালয়ৰ উপাধ্যক্ষ তৰুণ কুমাৰ নাথে বিভাগীয় সাহিত্য চ'ৰাৰ তৰফৰ পৰা প্ৰকাশিত 'অনুৰণ' নামৰ ই-আলোচনীখন উন্মোচন কৰি উদ্বোধনী ভাষণত ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক বিকাশত ই-আলোচনীৰ ভূমিকা আলোকপাত কৰে। ই-আলোচনীখনৰ সম্পাদক মিগাং পেগুৱে আলোচনীখনৰ সৈতে জড়িত সকলোলৈ কৃতজ্ঞতা জ্ঞাপন কৰে। এই অনুষ্ঠানত অসমীয়া বিভাগলৈ অহা নৱাগতসকলক আদৰণি জনাই তেওঁলোকৰ চিনাকি পৰ্ব সম্পন্ন কৰে। লগতে ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক বদন চন্দ্ৰ নেওগ, সহকাৰী অধ্যাপিকা ৰীণাশ্ৰী খাউণ্ড আৰু অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপক নিলোৎপল দত্ত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলৰ উদ্দেশ্যে উদ্‌গনিমূলক বক্তব্য প্ৰদান কৰে। সভাখনতে উচ্চ শিক্ষাৰ বাবে যোৱা বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলক বিশেষভাৱে আমন্ত্ৰণ জনাই শুভেচ্ছা জ্ঞাপন কৰে। অনুষ্ঠানত অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ৰাজীৱ হাজৰিকা, সহকাৰী অধ্যাপিকা ড° নৱৰূপা চুতীয়া আৰু ন-পুৰণি ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।

**মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণৰ লগতে আন দুটা কাৰ্যসূচীত অংশগ্ৰহণ**

# মাৰ্ঘেৰিটাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা



**অসম বাৰ্তা, জাগুন, ২৫ আগষ্ট ঃ** আজি ৮৩ নং মাৰ্ঘেৰিটা বিধান সভা সমষ্টিত অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কেইবাটাও কাৰ্যসূচীৰ বাবে উপস্থিত হয়। বিশেষকৈ অসম চৰকাৰৰ মহিলা উদ্যমিতা আঁচনিৰ অন্তৰ্গত মুঠ ১৮, ৩৭০ গৰাকী মহিলাক ১০, ০০০.০০(দহ হাজাৰকৈ) টকাৰ চেক বিতৰণ কৰে মুখ্যমন্ত্ৰী গৰাকীয়ে। ইয়াৰে ১৩খন গাঁও পঞ্চায়তৰ ১৬, ৬০৩ গৰাকী আৰু ১০টা পৌৰ সভা ৱাৰ্ডৰ ১৭৬৭ গৰাকী মহিলাক চেক বিতৰণ কৰা হয়। মুখ্যমন্ত্ৰী গৰাকীয়ে তেখেতৰ ভাষণ প্ৰসংগত জনায় যে আজি প্ৰদান কৰা ১০,০০০.০০(দহ হাজাৰ) টকাৰ সৎ ব্যৱহাৰ কৰা মহিলা সকলক অহা বছৰ ২৫, ০০০.০০(পঁচিশ হাজাৰকৈ) টকা প্ৰদান কৰিব আৰু পৰৱৰ্তী সময়ত এই পৰিমাণ ৫০, ০০০.০০ (পঞ্চাছ হাজাৰলৈ)বৃদ্ধি কৰা হব লগতে তেখেতে কয় যে অহা ছেপ্টেম্বৰ মাহৰ পৰা অৰুণোদয় ৩.০ শুভাৰম্ভ কৰা হব আৰু প্ৰতিগৰাকী হিতাধিকাৰিক পূৰ্বৰ ১২৫০.০০ টকাৰ পৰিবৰ্তে ১৫০০.০০ টকাকৈ মাননি প্ৰদান কৰা হ'ব। ইয়াৰোপৰি মুখ্যমন্ত্ৰী গৰাকীয়ে মাৰ্ঘেৰিটা পৌৰসভাৰ নিউ কলনীত প্ৰায় ৬ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰি উলিওৱা আৱৰ্জনা নিষ্কাষণ আৰু আৱৰ্জনাৰ পৰা পচন সাৰ প্ৰস্তুত কৰা এটা অত্যাধুনিক প্ৰকল্পৰ আনুষ্ঠানিক উদ্বোধন কৰাৰ লগতে নতুনকৈ নিৰ্মাণ কৰা অটল বিহাৰী বাজপেয়ী ভৱনৰো শুভ উদ্বোধন কৰে। আজিৰ এই কাৰ্যসূচীত মুখ্যমন্ত্ৰীজনক সংগ দিয়ে মাৰ্ঘেৰিটা বিধান সভা সমষ্টিৰ বিধায়ক ভাস্কৰ শৰ্মা, তিনিচুকীয়া জিলাৰ অভিভাৱক মন্ত্ৰী বিমল বৰা, মন্ত্ৰী ৰূপেশ গুৱালা, মন্ত্ৰী প্ৰশান্ত ফুকন, ৰাজ্যসভাৰ সাংসদ ৰামেশ্বৰ তেলী, বিধায়ক ক্ৰমে সুৰেন ফুকন, বলিন চেতিয়া, সঞ্জয় কিষান বিভিন্ন নিগম নিকায়ৰ বিষয় ববীয়াৰ লগতে তিনিচুকীয়া জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনৰ উচ্চ পৰ্যায়ৰ বিষয়া সকলে। আজি সাংবাদিক সকলৰ সন্মুখত মন্তব্য আগবঢ়ায় সাংবাদিকে সুধা মাৰ্ঘেৰিটাত বসবাস কৰি থকা সন্দেহজনক নাগৰিকৰ উচ্ছেদ সন্দৰ্ভৰ এক প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰীজনে এইদৰে জানিবলৈ দিয়ে যে মাৰ্ঘেৰিটাত প্ৰায় ১০/১২ হাজাৰ সন্দেহজনক নাগৰিকে অবৈধভাৱে বিভিন্ন ঠাইত বেদখল কৰি বসবাস কৰি থকাৰ তথ্য পোৱা গৈছে আৰু এই ক্ষেত্ৰত অতি সোনকালে ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

# বৰ্ষশ্ৰেষ্ঠ শিক্ষক ড° নৱনীতা ফুকন, বৰ্ষশ্ৰেষ্ঠ কৰ্মচাৰী গোপাল চেত্ৰীক বঁটা প্ৰদান; এমবিবিএছ ডিগ্ৰীপ্ৰাপ্ত চুমচুম বৰা, সুনীতা বৰপাত্ৰক অভিনন্দন

# যোৰহাট সৰ্বোদয় মহাবিদ্যালয়ৰ নৱাগত আদৰণী সভা সম্পন্ন

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ২৫ আগষ্ট ঃ** যোৰহাটৰ পশ্চিম দিশৰ মালৌপথাৰত ১৯৮৫ চনতে প্ৰতিষ্ঠিত সৰ্বোদয় মহাবিদ্যালয়ত ৪০৭ গৰাকী শিক্ষাৰ্থীয়ে স্নাতক শ্ৰেণীত এইবছৰ নামভৰ্তি কৰিছে। তেওঁলোকক আদৰণি জনোৱাৰ উদ্দেশ্যে মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি ড° বিকাশ চন্দ্ৰ বৰাৰ সভাপতিত্বত মহাবিদ্যালয়খনৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত সভাখনত আদৰণী ভাষণ আগবঢ়াই মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° মনোজ বৰুৱাই নামভৰ্তি কৰা শিক্ষাৰ্থীসকলক উদ্দেশ্যি কয়, শিক্ষা গ্ৰহণ কৰাৰ আৰম্ভণিতে লক্ষ্য স্থিৰ কৰি ল'ব লাগে। পুৰাই শোৱাপাটী ত্যাগ কৰি ধনাত্মক চিন্তাৰে দিনটোৰ কাৰ্যসূচী আৰম্ভ কৰিব লাগে। দলীয়ভাৱে গঠনমূলক আলোচনা কৰাৰ উপৰি নৈতিকতা ৰক্ষা, জীৱনৰ পৰ্যালোচনা কৰাৰ লগতে স্বভাৱ চৰিত্ৰ অক্ষুণ্ণ ৰখাৰ উপৰি সুখাদ্য গ্ৰহণ কৰিব লাগে। তদুপৰি, খেলা-ধূলা, ব্যায়াম আদি কৰিবলৈও শিক্ষাৰ্থীসকলক পৰামৰ্শ আগবঢ়াই মহাবিদ্যালয়খনৰ নীতি-নিয়ম ৰক্ষা কৰি মান-সন্মান আৰু গৌৰৱ অক্ষুণ্ণ ৰখাৰ বাবে সকলোৰে প্ৰতি মুকলি আহ্বান জনায়। নিৰ্দিষ্ট বক্তাৰ ভাষণত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ সহকাৰী অধ্যাপক ড° প্ৰাঞ্জল বুঢ়াগোহাঁইয়ে শিক্ষাৰ্থীসকলৰ লগতে উপস্থিতসকলক উদ্দেশ্যি কয়, ইচ্ছা কৰিলে জীৱনত সকলো কৰিব পাৰি, তাৰ বাবে পৰিকল্পনাৰে আগবাঢ়িব লাগিব। স্থিৰ কৰি ল'ব লাগিব মন। পৰিকল্পনা ৰূপায়ণৰ বাবে কৰিব লাগিব কষ্ট। জটিল পৰিস্থিতিকো আওকাণ কৰি আগবাঢ়িলে সকলো কামতে সফল হ'বই। কাম আৰম্ভ কৰিলে শেষ কৰিবই লাগিব। তাৰবাবে আগতীয়াকৈ নক্সা, চিন্তা আৰু সময় স্থিৰ কৰি ল'ব লাগিব। মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি নৃপেন দেউৰীয়ে বক্তব্য আগবঢ়োৱা সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে আলোচনী সম্পাদক ফাল্গুনী বৰাই। আদৰণী ভাষণ আগবঢ়ায় ছাত্ৰ একতা সভাৰ সভাপতি লক্ষ্মীনাথ মৰাং, সম্পাদক বিশাল পেগুৱে। মহাবিদ্যালয়ৰে জড়িত পুলিন বৰপাত্ৰ, জয়ন্ত বৰদলৈ, অঞ্জুমণি বৰা, বিপুল বৰা, মহেন্দ্ৰ গগৈ, সংবাদদাতা ৰমেন শইকীয়া, মৃদুল হাজৰিকা বিশিষ্ট অতিথিৰূপে উপস্থিত থকা সভাখনত সদ্যঘোষিত স্নাতক কলা চূড়ান্ত বৰ্ষত 'এ প্লাছ' আৰু 'এ' গ্ৰেডপ্ৰাপ্ত ১২ গৰাকী শিক্ষাৰ্থীৰ লগতে চিকিৎসাশাস্ত্ৰত (এম বি বি এছ) ডিগ্ৰী লাভ কৰা গৰুমৰাৰ চুমচুম বৰা, বৰমেৰ ন-হটীয়াৰ সুনীতা বৰপাত্ৰক অভিনন্দন জনায়। তদুপৰি, বিগত বৰ্ষসমূহৰ দৰে এইবছৰ মহাবিদ্যালয়খনৰ বৰ্ষশ্ৰেষ্ঠ শিক্ষক বঁটা দৰ্শন বিভাগৰ সহকাৰী প্ৰবক্তা ড° নৱনীতা ফুকনক আৰু বৰ্ষশ্ৰেষ্ঠ কৰ্মচাৰী বঁটা চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী গোপাল চেত্ৰীক মুকলি সভাখনতে প্ৰদান কৰা হয়। বুৰঞ্জী বিভাগৰ সহকাৰী প্ৰবক্তা পল্লৱ বৰুৱাই সঞ্চালনা কৰা সাংস্কৃতিক অনুষ্ঠানত নৱাগতসকলৰ লগতে প্ৰায়সকল শিক্ষাৰ্থীয়ে গীত পৰিৱেশন, একক, দলীয়ভাৱে নৃত্য প্ৰদৰ্শন আৰু স্ব-প্ৰতিভা প্ৰদৰ্শন কৰে। দলীয়ভাৱে শিক্ষাৰ্থীসকলে পৰিৱেশন কৰা সমৱেত সংগীতেৰে আৰম্ভণি কৰা মুকলি সভাখনৰ পূৰ্বে মহাবিদ্যালয়ৰ প্ৰাঙ্গণত গছপুলি ৰোপণ কৰে বকুল দাসে, পতাকা উত্তোলন কৰে অজিত দাসে, স্মৃতি তৰ্পণ কৰে ফাল্গুনী বৰাই। প্ৰবক্তা ড"ৰ হেমন্ত বৰাই বন্তি প্ৰজ্বলন কৰি শুভাৰম্ভ কৰা পুৰণি-নতুন শিক্ষাৰ্থীসকলৰ অন্তৰঙ্গ আলাপ সঞ্চালনা কৰে সমাজতত্ত্ব বিভাগৰ মুৰব্বী প্ৰবক্তা শ্ৰীমন্ত তামুলীয়ে। স্থানীয় বহুসংখ্যক লোক মূল সভাখনত উপস্থিত থাকে। উল্লেখ্য, মহাবিদ্যালয়খনত বৰ্তমান ৭১৮ গৰাকী শিক্ষাৰ্থীক অধ্যক্ষ প্ৰমুখ্যে ৩১ গৰাকী প্ৰবক্তাই শিক্ষাদান কৰি থকাৰ লগতে ১৩ গৰাকীয়ে মহাবিদ্যালয়খন পৰিচালনা কৰি আছে। মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাপক সকলৰ অন্যতম জীৱেশ্বৰ বৰা আৰু পোনাৰাম বৰপাত্ৰৰ প্ৰতিচছবি প্ৰতিষ্ঠা কৰি ২৩ আগষ্টৰ নৱাগত আদৰণী সভাৰ আৰম্ভণিতে সমূহীয়াভাৱে শ্ৰদ্ধা তৰ্পণ কৰা হয়।

# দেৰগাঁৱত গৰুৰ কটা মুণ্ড উদ্ধাৰক লৈ চাঞ্চল্য

**অসম বাৰ্তা, দেৰগাঁও, ২৫ আগষ্ট ঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তত গো মাংস উদ্ধাৰৰ উত্তেজনা মাৰ নাযাওঁতেই এইবাৰ দেৰগাঁৱত উদ্ধাৰ হৈছে গৰুৰ কটা মূৰ। দেওবাৰে সন্ধ্যা দেৰগাঁৰৰ সমীপৰ চকিয়াল গাৱঁৰ এঘৰ হিন্দু লোকৰ চোতালত গৰুৰ কটা মূৰ উদ্ধাৰ হোৱাৰ ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হয়। বিদ্যুৎ হাজৰীকা নামৰ যুৱক জনৰ চোতালত গৰুৰ কটা মুৰ উদ্ধাৰৰ পিছতে সমগ্ৰ অঞ্চলজুৰি সৃষ্টি হৈছে উত্তেজনা মই পৰিস্থিতি। অৱশ্যে ঘটনা সন্দৰ্ভত নিশাই দেৰগাঁও থানাত এজাহাৰ দাখিল কৰিছে গৃহস্তই। হিন্দু-মুছলমান সকলোৱে মিলা প্ৰীতিৰে বছৰ বছৰ ধৰি বসবাস কৰি থকা অঞ্চলটোত সংঘৰ্ষ সৃষ্টিৰ বাবে কোনো দুৰ্বৃত্তই এই কাণ্ড কৰাৰ সন্দেহ কৰিছে স্থানীয় ৰাইজে। এনে নিকৃষ্টকাণ্ডকলৈ এতিয়া জাঙুৰ খাই উঠিছে অঞ্চলটোৰ লোকসকল। এনে ঘটনাই সাম্প্ৰদায়িক উত্তেজনাৰ ৰূপ ল'ব পাৰে বুলি আশংকাত ভুগিছে ৰাজ্যবাসী। ইতিমধ্যে ঘটনা সন্দৰ্ভত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

# অভয়াপুৰীত বিশ্ব হিন্দু পৰিষদৰ ৬১ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন

**অসম বাৰ্তা, অভয়াপুৰী, ২৫ আগষ্ট ঃ** বিশ্ব হিন্দু পৰিষদ অভয়াপুৰী প্ৰখণ্ড সমিতিৰ উদ্যোগত আজি অভয়াপুৰী লালমাটি—দুৰামাৰীস্থিত শ্ৰীশ্ৰী গণেশ মন্দিৰ প্ৰাংগণত এক গম্ভীৰ আৰু আধ্যাত্মিক পৰিবেশত উদযাপন কৰা হয় সংগঠনটোৰ ৬১ সংখ্যক প্ৰতিষ্ঠা দিৱস। পুৱাৰে পৰা স্থানীয় ৰাইজ আৰু ভক্তসকল মন্দিৰত সমবেত হৈ এই বিশেষ দিনটোৰ অংশীদাৰ হয়। পুৱা ১০ বজাত ধ্বজা উত্তোলন কৰে ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ বঙাইগাঁও জিলাৰ সম্পৰ্ক প্ৰমুখ শ্ৰী ৰূপেশ অধিকাৰীয়ে। ইয়াৰ পাছত শ্ৰীশ্ৰী গণেশ মন্দিৰ সমিতিৰ মুখ্য উপদেষ্টা শ্ৰী গিতেন চন্দ্ৰ নাথ দেৱে বন্তি প্ৰজ্জ্বলন কৰি কাৰ্যসূচীৰ আনুষ্ঠানিকভাবে শুভাৰম্ভ কৰে। অনুষ্ঠানৰ দ্বিতীয় পৰ্যায়ত স্থানীয় আই সকলৰ গীত-ভজনৰ সৈতে নাম-প্ৰসংগ অনুষ্ঠিত হয়। তাৰ পাছতেই অনিল পাঠক দেৱে ভাগৱত পাঠ কৰি উপস্থিত ভক্তসকলক ধৰ্মীয় আধ্যাত্মিকতাৰে সমৃদ্ধ কৰে। ভাগৱত পাঠ সমাপ্ত হোৱাৰ পিছত সম্বোধনমূলক বক্তৃতা প্ৰদান কৰে বিভিন্ন অতিথি আৰু সংগঠক সকলে। তেওঁলোকে বিশ্ব হিন্দু পৰিষদৰ প্ৰতিষ্ঠাৰ ইতিবৃত্ত, লক্ষ্য আৰু সাফল্যৰ কথা ব্যাখ্যা কৰে। বিশেষকৈ হিন্দুত্ব আৰু সনাতন ধৰ্মৰ মূল্যবোধৰ বিষয়ে গভীৰ বৌদ্ধিক আলোচনা আগবঢ়ায় ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ বঙাইগাঁও জিলাৰ কাৰ্যবাহ চন্দ্ৰ কিশোৰ ৰায়, জিলাৰ প্ৰচাৰক উজ্জ্বল দাস আৰু বিশ্ব হিন্দু পৰিষদৰ বঙাইগাঁও জিলাৰ সম্পাদক মনোৰম বণিক্যাই। আজিৰ এই বিশেষ দিন উপলক্ষে বঙাইগাঁও জিলাৰ বিজেপিৰ সভাপতি উজ্জ্বল কান্তি ৰায় কাৰ্যসূচীত উপস্থিত থাকে। তেওঁৰ লগতে জিলাৰ কেইবাগৰাকী বিজেপি নেতৃবৰ্গেও অনুষ্ঠানত অংশ লয় আৰু শুভেচ্ছা জ্ঞাপন কৰে। কাৰ্যসূচীৰ অন্তিম পৰ্যায়ত উপস্থিত সকলোলৈ প্ৰসাদ বিতৰণ কৰা হয়। ৰাইজৰ অংশগ্ৰহণ আৰু ধৰ্মীয় আৱেগেৰে পৰিপূৰ্ণ পৰিবেশৰ মাজতেই অনুষ্ঠানটোৰ সমাপ্তি ঘটে।

# অবিভক্ত শিৱসাগৰ জিলা শিক্ষক-কৰ্মচাৰী সমন্বয় সমিতি গঠন

**অসম বাৰ্তা, জাঁজী, ২৫ আগষ্ট ঃ** আজি শিৱসাগৰ জিলাৰ শিৱসাগৰ নগৰস্থিত ঠানুৰাম গগৈ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অবিভক্ত শিৱসাগৰ জিলাৰ(শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ) ২০১৩ চন আৰু ২০২১ চনত প্ৰাদেশীকৃত প্ৰাথমিক বিদ্যালয়, মধ্য ইংৰাজী বিদ্যালয়, উচ্চ মাধ্যমিক বিদ্যালয়, উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু মহাবিদ্যালয় সমূহৰ দুই শতাধিক শিক্ষক-কৰ্মচাৰীৰ উপস্থিতিত এখনি ৰাজহুৱা সভা সম্পন্ন হয়। বীৰ লাচিত বৰফুকন মহাবিদ্যালয়ৰ সমাজ শাস্ত্ৰ বিভাগৰ অধ্যাপক ড° সীমান্ত বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত সভাখনিৰ উদ্দেশ্য ব্যাখ্যা কৰে জয়সাগৰ হাইস্কুলৰ প্ৰধান শিক্ষয়িত্ৰী বন্দনা বৰাই। সভাখনিৰ উদ্দেশ্যৰ প্ৰসংগত ক্ৰমে ভৱেশ বুঢ়াগোহাঁই, ইয়াকুব আলী, মাণিক বৰুৱা, ধ্ৰুৱজ্যোতি বৰঠাকুৰ, পূৰ্ণানন্দ ৰভী আৰু কামাখ্যা নাথৰ উপৰি ভালেকেইগৰাকী ব্যক্তিয়ে বক্তব্য আগবঢ়ায়। সভাই ২০১৩ চন আৰু ২০২১ চনত প্ৰাদেশীকৃত শিক্ষক-কৰ্মচাৰীসকলৰ পদসমূহ নতুন পেঞ্চন নীতিৰ আওতাত সামৰি লোৱাৰ বাবে ক্ষোভ প্ৰকাশ কৰে। উল্লিখিত পদসমূহ কোনো কাৰণতে নতুন পেঞ্চন নীতিৰ আওতাত পৰিব নালাগিছিল বুলি সভাই মত পোষণ কৰে। যিহেতু ২০০৫ চনৰ বহু আগৰে পৰাই এই শিক্ষক-কৰ্মচাৰীসকলে সেৱা আগবঢ়াই আহিছে। এইসকলৰ ভিতৰত ইতিপূৰ্বে বহুজন অৱসৰ হৈছে, বহুজনৰ মৃত্যু হৈছে। জীৱিতসকলে মাহেকৰ মূৰত পোৱা কেইটিমান টকাৰে জীৱন নিৰ্বাহ কৰিবলগীয়া হোৱাত তেখেতসকলৰ পানীত হাঁহ নচৰা অৱস্থা হৈছে। চৰকাৰে এইসকল শিক্ষক-কৰ্মচাৰীক কৰা অৱহেলাৰ বাবে আজিৰ সভাই গভীৰ উদ্বেগ প্ৰকাশ কৰাৰ লগতে এইয়া চৰকাৰৰ চৰম অন্যায় বুলি অভিহিত কৰে। আজিৰ গুৰুত্বপূৰ্ণ সভাখনিতেই ন্যায্য প্ৰাপ্যৰ বাবে দৃঢ়তাৰে আৰু সজোৰে দাবী উত্থাপন কৰি যাবলৈ(চৰকাৰে মানি নোলোৱা পৰ্যন্ত ড° সীমান্ত বৰুৱাক মুখ্য সভাপতি, ইয়াকুব আলীক কাৰ্যকৰী সভাপতি, তৰুণ চন্দ্ৰ নাথ, টেপুৰাম বৰা, যাদৱ চুতীয়া, মাণিক চন্দ্ৰ বৰুৱাক উপ-সভাপতি আৰু বন্দনা বৰাক মুখ্য সম্পাদক হিচাপে লৈ 'অবিভক্ত শিৱসাগৰ জিলা শিক্ষক-কৰ্মচাৰী সমন্বয় সমিতি'(২০১৩ চন আৰু তাৰ পৰৱৰ্তী সময়ত প্ৰাদেশীকৃত শিক্ষানুষ্ঠানসমূহ সামৰি)নামেৰে এখনি বলিষ্ঠ সমিতি গঠন কৰা হয়। তদুপৰি সভাই এই ক্ষেত্ৰত তৎকালে সময়োচিত পদক্ষেপ গ্ৰহণ কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰে।

# খেৰাজখাত মহাবিদ্যালয়ত নৱাগত আদৰণি সভা সম্পন্ন

**অসম বাৰ্তা, বান্দৰদেৱা, ২৫ আগষ্ট ঃ** লখিমপুৰ জিলাৰ বিহপুৰীয়া সমষ্টিৰ অন্তৰ্গত অন্যতম উচ্চ শিক্ষানুষ্ঠান খেৰাজখাত মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই প্ৰতি বছৰৰ দৰে এই বৰ্ষটো মহাবিদ্যালযত নতুনকৈ নামভৰ্তি কৰা নৱাগত সকলক আনুষ্ঠানিকভাৱে আদৰণি জনাই মহাবিদ্যালয়ৰ শৈক্ষিক উত্তৰণ আৰু একতাৰ এনাজৰীডাল অধিক সুদৃঢ় কৰাৰ উদ্দেশ্যেৰে কালি শনিবাৰে মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত দিনজোৱা বিভিন্ন কাৰ্যসূচীৰে আদৰণি সভাখনি অনুষ্ঠিত কৰে। পুৱা ভাগতে পতাকা উত্তোলন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মৃদুল বুঢ়াগোহাঁইয়ে। শ্বহীদ বেদী উন্মোচন আৰু স্মৃতি তৰ্পণ কৰে ক্ৰমে সদৌ অসম ছাত্ৰ সন্থাৰ ক্ৰীড়া সম্পাদক সীমান্ত নেওগ আৰু সদৌ লখিমপুৰ জিলা ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক ৰিপুন দত্তই। মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা 'জাগৰণ' উন্মোচন কৰে যগুৰাম বৰাই। দুপৰীয়া ভাগত অনুষ্ঠিত হোৱা মূল সভাখনি শুভ উদ্বোধন কৰে পৰিচালনা সমিতিৰ সভাপতি ৰবিন কাকতিয়ে। মুখ্য অতিথি হিচাপে উপস্থিতি থাকে পদ্মশ্ৰী বঁটা প্ৰাপক আৰু উদ্ভাৱক ড° উদ্ধৱ ভৰালী আৰু এল.টি. কে মহাবিদ্যালয়ৰ অধ্যাপক ড° ৰণদ্বীপ বৰা। বিশিষ্ট অতিথি হিচাপে সভাত উপস্থিত হয় ৭৩ নং বিহপুৰীয়া বিধান সভা সমষ্টিৰ বিধায়ক ড° অমিয় কুমাৰ ভূঞা আৰু সদৌ অসম ছাত্ৰ সন্থাৰ ক্ৰীড়া সম্পাদক সীমান্ত নেওগ। বিয়লি ২ বজাৰ পৰা অনুষ্ঠিত হয় বাৰেৰহনীয়া সাংস্কৃতিক অনুষ্ঠান। মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী সকলে তেওঁলোকৰ প্ৰতিভা সমূহ প্ৰদৰ্শন কৰে। নৱাগত আদৰণি সভাখনিলৈ আমন্ত্ৰণ কৰি অনা অতিথি সকলক মহাবিদ্যালয়ৰ NSS Unit Voluntears সকলে উষ্ম অভিবাদন জনাই সভাগৃহলৈ আদৰি আনে।

**বিয়াল্লিশৰ গণ আন্দোলনৰ শ্বহীদ মনবৰ নাথৰ প্ৰতিমূৰ্তি উন্মোচন, নগাঁও চহৰৰ প্ৰৱেশদ্বাৰ মুকলি**

# নগাঁৱত ৰাজ্যৰ প্ৰথমটো স্বীকৃতিপ্ৰাপ্ত গাড়ীচালক প্ৰশিক্ষণ কেন্দ্ৰৰ উদ্বোধন

**অসম বাৰ্তা, নগাঁও, ২৫ আগষ্ট ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি নগাঁও জিলাৰ কঠীয়াতলিৰ ৰাঙলুত স্থাপন কৰা ৰাজ্যৰ প্ৰথমটো স্বীকৃতিপ্ৰাপ্ত গাড়ীচালক প্ৰশিক্ষণ কেন্দ্ৰ আৰু স্বয়ংক্ৰিয় ড্ৰাইভিং টেষ্ট ট্ৰেকৰ উদ্বোধন কৰে। এই পদক্ষেপে পৰিবহণ বিভাগত সুপ্ৰশাসন, স্বচ্ছতা, স্পৰ্শবিহীন সেৱা আৰু নাগৰিককেন্দ্ৰিক ৰাজহুৱা সেৱা প্ৰদানত সহায় কৰিব। মানসম্পন্ন, স্বীকৃতিপ্ৰাপ্ত প্ৰশিক্ষণ আৰু স্বয়ংক্ৰিয় পৰীক্ষণৰ জৰিয়তে কেন্দ্ৰটোৱে পথ-সুৰক্ষা উন্নত কৰিব আৰু চালকৰ উন্নত প্ৰশিক্ষণে দুৰ্ঘটনা হ্ৰাস কৰিব। গাড়ীচালনাৰ অনুজ্ঞাপত্ৰ প্ৰদান প্ৰক্ৰিয়া খৰতকীয়া, নিকা আৰু স্বচ্ছ কৰাৰ লগতে এই কেন্দ্ৰই মানবীয় হস্তক্ষেপ আৰু দুৰ্নীতিও হ্ৰাস কৰিব। কেন্দ্ৰটোৱে প্ৰশিক্ষণ আৰু পৰীক্ষণৰ ক্ষেত্ৰখনত দক্ষতাসম্পন্ন যুব প্ৰজন্মৰ বাবে নিয়োগৰ সম্ভাবনাও সৃষ্টি কৰিব। উল্লেখযোগ্য যে নগাঁও জিলাৰ পিছত ৰাজ্য চৰকাৰে কামৰূপ জিলাৰ আমিনগাঁৱত আৰু বৰপেটা জিলাৰ হাউলীত এনে কেন্দ্ৰ মুকলি কৰিব। তদুপৰি ৰাজ্য চৰকাৰে বিশ্বনাথ জিলা আৰু ডিব্ৰুগড় জিলাত অনুৰূপ কেন্দ্ৰ স্থাপন কৰাৰ বাবে প্ৰস্তাৱ কেন্দ্ৰীয় চৰকাৰৰ পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়লৈ প্ৰেৰণ কৰিছে। আনহাতে, যোৰহাট, কামৰূপ আৰু বিশ্বনাথ জিলাত স্বয়ংক্ৰিয় গাড়ী পৰীক্ষণ কেন্দ্ৰৰ ইতিমধ্যে মুকলি কৰাৰ পিছত ডিব্ৰুগড়ত এনে এটা কেন্দ্ৰ ৰাজ্য চৰকাৰে শীঘ্ৰে মুকলি কৰিব। নগাঁও জিলা ভ্ৰমণৰ সময়তে আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নগাঁৱৰ জনজীৱনৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ আন দুটা বিশেষ পদক্ষেপৰো শুভাৰম্ভণি কৰে। অসমৰ সমাজ, অৰ্থনীতি, ৰাজনীতি, সাহিত্য, সংস্কৃতি, ক্ৰীড়া আদি সকলো ক্ষেত্ৰলৈ বিশেষ অৱদান আগবঢ়োৱা জিলাখনৰ নগাঁও চহৰলৈ আদৰণি জনাই বেবেজিয়াত নিৰ্মাণ কৰা প্ৰবেশ তোৰণৰ আজি মুখ্যমন্ত্ৰীয়ে শুভ উদ্বোধন কৰে। বিধায়কৰ আছুতীয়া পুঁজিৰে আৰু নগাঁও জিলা প্ৰশাসনৰ সহযোগত নিৰ্মাণ কৰা এই তোৰণখনৰ উচ্চতা ৩৫ ফুট আৰু বহল ৪০ ফুট। ইউৰোপীয়ান আৰ্হিৰ লগতে স্থানীয় শিল্পীৰ হাতৰ পৰশেৰে এই প্ৰবেশ তোৰণখন সাজি উলিওৱা হৈছে। মুখ্যমন্ত্ৰী শৰ্মাই আজি বিয়াল্লিশৰ গণ আন্দোলনত ঢেকিয়াজুলিত বৃটিছৰ গুলীত প্ৰাণ আহুতি দিয়া নগাঁৱৰ সন্তান মনবৰ নাথৰ স্মৃতিত জামুগুৰিত স্থাপন কৰা শ্বহীদ গৰাকীৰ প্ৰতিমূৰ্তিও উন্মোচন কৰে। নগাঁও ভ্ৰমণৰ সময়ত যোগান মন্ত্ৰী কৌশিক ৰয়, জলসম্পদ আদি বিভাগৰ মন্ত্ৰী পীযুষ হাজৰীকা, পৰিবহণ মন্ত্ৰী যোগেন মহন, বিধায়ক ৰূপক শৰ্মা, ৰমাকান্ত দেউৰী, জিতু গোস্বামী, শশীকান্ত দাসে মুখ্যমন্ত্ৰীক সংগ দিয়ে।

# শিকাৰহাটীত কোচ ৰাজবংশী লোকনৃত্য, গীত, বাদ্যৰ ৫ দিনীয়া কৰ্মশালাৰ সামৰণি

**অসম বাৰ্তা, বকো, ২৫ আগষ্ট ঃ** দক্ষিণ কামৰূপ জিলা কোচ ৰাজবংশী কালচাৰেল ছছাইটি, দক্ষিণ কামৰূপ জিলা কোচ ৰাজবংশী যুৱ ছাত্ৰ সন্মিলনীৰ উদ্যোগত আৰু উত্তৰ ভোলাগাঁও, দক্ষিণ ভোলাগাঁও, মাগুৰপাৰা হাৰোপাৰা প্ৰাথমিক গোটৰ সহযোগত শিকাৰহাটীৰ অৰুণোদয় কালচাৰেল ক্লাৱত ২০ আগষ্ট দিনাখনৰ পৰা আৰম্ভ হোৱা কোচ ৰাজবংশী লোকনৃত্য, গীত আৰু বাদ্যৰ ৫ দিনীয়া কৰ্মশালাখন আজি কোচ ৰাজবংশী লোকনৃত্য, গীত মাতেৰে আনুষ্ঠানিক ভাৱে সামৰণি কৰা হয়। দক্ষিণ কামৰূপ জিলা কোচ ৰাজবংশী কালচাৰেল ছছাইটিৰ সভাপতি পংকজবীৰ দাস সম্পাদক মিণ্টু পাটোৱাৰী আৰু সাংকৃতিক সম্পাদক ৰুবুল দাসে জনোৱা অনুসৰি কৰ্মশালাখনত প্ৰায় ১৫০ গৰাকী প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। এই কৰ্মশালা খনত সুন্দৰ কৈ প্ৰশিক্ষণ দিয়ে কোকৰাঝাৰৰ পৰা আমন্ত্ৰণ জনোৱা কোচ ৰাজবংশী কালচাৰেলৰ মুখ্য প্ৰশিক্ষক প্ৰিতম কোচে। সেয়ে আজি কৰ্মশালাৰ শেষৰ দিনাখন ১৫০ গৰাকী প্ৰশিক্ষাৰ্থী পদৰ্শন কৰিলে কোচ ৰাজবংশী কুযান নৃত্য আৰু গোৱালিনী নৃত্য। আজিৰ এই কৰ্মশালা অনুষ্ঠানখনত উপস্থিত থাকে পলাশবাৰী সমষ্টিৰ বিধায়ক তথা কোচ ৰাজবংশী জাতীয় নেতা হেমাংগ ঠাকুৰীয়া, সদৌ অসম কোচ ৰাজবংশী যুৱ ছাত্ৰ সন্মিলনীৰ কাৰ্যকৰী সভাপতি অনুপম দাস, দক্ষিণ কামৰূপ জিলা কোচ ৰাজবংশী সন্মিলনীৰ সম্পাদক দীপক কুমাৰ ৰয়, সহকাৰী সম্পাদক সুভাষ দাস আৰু কাৰ্যালয় সম্পাদক পবিত্ৰ কুমাৰ দাস, দক্ষিণ কামৰূপ জিলা কোচ ৰাজবংশী যুৱ ছাত্ৰ সন্মিলনীৰ সভাপতি মিলন কুমাৰ দাস, সম্পাদক দিপেন দাসৰ, লুকী শাখাৰ সম্পাদক অশ্বিনী লহকৰ লগতে, দক্ষিণ কামৰূপ জিলা কোচ ৰাজবংশী কালচাৰেল ছছাইটি আৰু দক্ষিণ কামৰূপ জিলা কোচ ৰাজবংশী যুৱ ছাত্ৰ সন্মিলনীৰ বহু কেইজন বিষয় ববীয়া।

**অঘৰী জীৱন নিৰ্বাহ কৰিছে বঞ্চিত পাঁচগৰাকী সন্তানে**

# কচুৱাৰ ছিমলাইত তোলনীয়া পুত্ৰই বলপূৰ্বকভাৱে দখল কৰিলে প্ৰয়াত ইয়াকুব আলী মুঞ্চীৰ সম্পত্তি

**অসম বাৰ্তা, কামপুৰ, ২৩ আগষ্ট ঃ** নগাঁও জিলাৰ কচুৱাৰ ছিমলাই পথাৰ গাঁৱৰ প্ৰয়াত মুজাই মিয়াৰ পুত্ৰ ইয়াকুব আলী মুঞ্চীৰ তোলনীয়া পুত্ৰ জমিৰ আলীয়ে ইয়াকুব আলী মুঞ্চীৰ গোটেই মাটি-বাৰী বলপূৰ্বক ভাবে ভোগ-দখল কৰাৰ এক গুৰুতৰ অভিযোগ পোৱা গৈছে। ইয়াকুব আলী মুঞ্চীৰ নিজৰ পাঁচ গৰাকী সন্তানক মাটি-ঘৰ বাৰী আদি কৰি সম্পূৰ্ণ সম্পত্তিৰ পৰা বঞ্চিত কৰি বিগত পছিশ বছৰ ধৰি বিশ্বাসঘাটক জমিৰ আলীয়ে সম্পত্তিৰ গৰাকী হৈ পৰিছে। প্ৰাপ্ত অভিযোগ অনুসৰি ইয়াকুব আলী মুঞ্চীয়ে বহু বছৰ পুৰ্বে কামপুৰ আৰক্ষী থানাৰ অন্তৰ্গত কুম্ভিৰডুবি গাঁৱৰ প্ৰয়াত ইব্ৰাহিম আলীৰ পুত্ৰ জমিৰ আলীক বনকৰা লৰা হিচাপে কাম কৰিবলৈ আনিছিল। পিছত পিতৃহীন বুলি তেওঁক তোলনীয়া পুত্ৰ হিচাপে লালন -পালন কৰিছিল। আনহাতে ইয়াকুব আলী মুঞ্চীৰ পাঁচ গৰাকী সন্তান ক্ৰমে জয়নব নেছা, আজিজুৰ ৰহমান, ছফিকুৰ ৰহমান, ছহিদুৰ ৰহমান আৰু আজিমুন নেছা ডাঙৰ দীঘল হৈ ১৬/১৭ বছৰ বয়স হোৱাত পিতৃ ইয়াকুব আলী মুঞ্চীৰ মৃত্যু হৈ গৈছিল। পিতৃ বিয়োগ হোৱাৰ পিছতেই ধুৰন্দৰ জমিৰ আলীয়ে ছফিকুৰ ৰহমান, আজিজুৰ ৰহমান আৰু ছহিদুৰ ৰহমানক উজনি অসমত কাম কৰিবলৈ পঠিয়াই দিয়ে। বহুদিন বাহিৰত কাম কৰি তিনি ভাই-ককাই ঘৰত আহাৰ পিছতেই জমিৰ আলীয়ে স্থানীয় একাংশ গুণ্ডাবাহিনীৰ সহায় লৈ সিহঁতক ঘৰৰ পৰা উলিয়াই দিয়ে আৰু মাটি সম্পত্তি নাপাও বুলি খেদি পঠাই। কামপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত ছিমলাই পথাৰ কিছামতৰ ৮৩ নম্বৰ ম্যাদী পট্টাৰ ১০৫, ৩৬৯আৰু ৪৯৪ নম্বৰ দাগত ইয়াকুব আলীৰ নামত থকা মুঠ বাৰ(১২) বিঘা মাটি জমিৰ আলীয়ে নিজৰ সতী -সন্তানক লৈ ভোগ দখল কৰি থকা বুলি জানিব পৰা গৈছে। ইফালে তিনি ভাই-ককায়েক নিজৰ পৈতৃক সম্পত্তিৰ ভোগ-দখল নাপাই অঘৰী জীৱন -যাপন কৰি দিশহাৰা হৈ আদালতৰ দাৰাস্ত হৈ তাতবাঁটি কাঢ়িব লগা হৈছে। উল্লেখ্য যে, বিশ্বাসঘাটক জমিৰ আলীয়ে মাটিখিনি নিজৰ নামত নামজাৰি কৰাবলৈ চৰকাৰী গাঁও প্ৰধান আনোৱাৰ হুছেইন চৌধুৰীৰ পৰা প্ৰয়াত ইয়াকুব আলী মুঞ্চীৰ উত্তৰাধিকাৰী হিচাপে প্ৰমাণ পত্ৰ লিখাই কামপুৰ ৰাজহ চক্ৰ বিষয়া কাৰ্যালয়ৰ লাট মণ্ডলৰ ওচৰত দাখিল কৰিছে যদিও এনআৰচিত জমিৰ আলীৰ নাম অন্তৰ্ভুক্ত হোৱা নাই তথা ইয়াকুব আলীৰ লিগেচি আৰু বংশ বৃক্ষ ব্যৱহাৰ কৰিবলৈ দিয়া নাই বুলিও জানিব পৰা গৈছে। সেয়ে উচিত তদন্ত মৰ্মে জমিৰ আলীক ইয়াকুব আলীৰ মাটি- সম্পত্তিৰ উত্তৰাধিকাৰী নকৰিবলৈ তথা তেওঁৰ ভোগ দখল কৰি থকা মাটি-বাৰীৰ পৰা উচ্ছেদ কৰি উত্তৰাধিকাৰী সন্তান সকলক ছমজাই দিবলৈ কামপুৰ নগাঁও জিলা আয়ুক্ত আৰু কামপুৰ ৰাজহ চক্ৰ বিষয়াক ইয়াকুব আলীৰ সতী -সন্তানে অনুৰোধ জনাইছে।

# তুলুঙীয়াত অগপৰ সম্বৰ্ধনা সভা

**অসম বাৰ্তা, অভয়াপুৰী, ২৫ আগষ্ট ঃ** "গাঁও পঞ্চায়তৰ নিৰ্বাচন পৰাজিত হোৱাটো সিমান ডাঙৰ কথা নহয়। কিয়নো গাঁও পঞ্চায়তৰ গাঁও সদস্য সদস্যাৰ নিৰ্বাচনত বহুতে ছিংগল বা ডাবল ডিজিট সংখ্যাৰ ভিতৰতে জয় বা পৰাজয় হয়। কবলৈ গলে এখন বা দুখন পৰিয়ালৰ বাহিৰে পৰাজিত সকলৰ লগত গাঁও খনৰ অৰ্ধেক লোক সমৰ্থনত থাকে। যাৰ বাৰে গাঁও পঞ্চায়তৰ গাঁও সদস্য সদস্যা নিৰ্বাচনত কোনোবাই পৰাজিত হ'লে তাৰ দুগুণ উৎসাহৰে ৰাইজৰ হৈ কাম কৰি যাব লাগে।" - এই মন্তব্য অগপৰ জ্যেষ্ঠ নেতা তথা বৰপেটা সমষ্টিৰ প্ৰাক্তন বিধায়ক গুণীন দাসৰ। আজি অভয়াপুৰী বিধান পৰিষদে সদ্য সমাপ্ত পঞ্চায়ত নিৰ্বাচনত দল হৈ প্ৰতিদ্বন্দ্বিতা কৰি বিজয়ী হোৱা জনপ্ৰতিনিধি সকলক আৰু নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াই পৰাজিত হোৱা সকলক সম্বৰ্ধনা জনোৱাৰ উদেশ্যৰে আয়োজিত সম্বৰ্দ্ধনা সভাত মুখ্য অতিথিৰ ভাষণত উক্ত মন্তব্য আগবঢ়োৱাৰ লগতে আৰু কয় যে পৰজয়ৰ পৰা বহু কথা শিকা যায়। সমাগত বিধান সভা নিৰ্বাচনটোহে হ'ব অগপৰ অগ্নি পৰীক্ষা। আজিৰ পৰা গঠনাত্মক কথাৰে অগপৰ প্ৰতিগৰাকী নেতা কৰ্মীয়ে অভয়াপুৰী সমষ্টিৰ দলটোৰ সপক্ষে আকাশ বতাহ কঁপাই তুলিব লাগিব। ভাষণ প্ৰসংগত তেওঁ আৰু কয় যে দিছপুৰ কঁপাই তুলিবৰ বাৰে ভূপেন ৰায়ৰ দৰে দিছপুৰত বিধায়ক লাগিব। বিগত তিনিটা দশক ধৰি বৰপেটা বঙাইগাঁও অগপৰ সাংগঠনিক ভেটি মজবুত কৰি ৰখাত ভূপেন ৰায়ে অহোপুৰুষাৰ্থ প্ৰচেষ্টা কৰি আছে বুলিও নেতা গৰাকীয়ে উল্লেখ কৰে। অগপৰ অভয়াপুৰী বিধান পৰিষদৰ সভাপতি পূৰ্ণেন্দু বনিক্যৰ সভাপতিত্বত অনুষ্ঠিত হোৱা উক্ত সভাত বঙাইগাঁও জিলা পৰিষদৰ সভাপতি মৃদুলা সিংহই ভাষণ ৰাখি যিকোনো কাম দলগতভাৱে আৰু ৰাইজৰ সতে আলোচনাৰে মিলিত হৈ কৰিলে দলৰ ভেটি সুদৃঢ় হৈ থাকে। সেই বাবে দলীয় সভা সমিতিয়েই হওক বা উন্নয়নমূলক কামেই হওক সকলোতে ৰাইজক জড়িত কৰি হে কাম কৰিব লাগে বুলি তেওঁ কয়। তেওঁৰ উপৰি প্ৰাক্তন বিধায়ক ভূপেন ৰায়ে অভয়াপুৰী সমষ্টিত অগপই নিৰ্বাচন খেলিবই বুলি সদৰী কৰে। স্মৰ্তব্য যে ২৩খন গাঁও পঞ্চায়তৰে সমৃদ্ধ অভয়াপুৰী বিধান পৰিষদৰ পৰা পৰোক্ষভাৱেভাবে গাঁও পঞ্চায়তৰ গাঁও সদস্য সদস্যাৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি বিজয়ী হোৱা গাঁও সদস্য সদস্যা সকলক, এপি মেম্বাৰ সকলক আৰু জিলা পৰিষদৰ বিজয়ী জনপ্ৰতিনিধি সকলক সম্বৰ্দ্ধনা জনোৱা হয় লগতে পঞ্চায়ত নিৰ্বাচনত দলীয় প্ৰতীক চিহ্ন লৈ পৰাজয় বৰণ কৰা আৰু পৰোক্ষভাৱে দলৰ হৈ নিৰ্বাচন খেলি পৰাজিত হোৱা সকলকো আজিৰ সম্বৰ্ধনা সভাৰ যোগেদি সম্বৰ্দ্ধনা জনোৱা হয় আজিৰ সভাত অগপ নেতা কেশৱ দেৱ শৰ্মা, উমেশ ঠাকুৰীয়া, দিলীপ ৰায়, জানকী ৰায়, দুলাল শীল, হেম ৰায়, প্ৰমোদ ৰায়, নিবাৰন ৰায়, নমিতা ৰায়, উদয় কলিতা, আদি উপস্থিত থাকে। সহস্ৰাধিক লোকৰ উপস্থিতিত আজি দ'লটোত চাৰি গৰাকী কংগ্ৰেছ নেতা সহ আন বহু লোকে আনুষ্ঠানিকভাৱে অগপ দলত যোগদান কৰে। দলত যোগদান কৰা সকলক গামোছা আৰু দলীয় মাফলাৰেৰে আদৰণি জনোৱা হয়।

# চৰাইদেউ বৰহাটৰ চৰাইপুঙত 'আছা'ৰ তৃতীয় বাৰ্ষিক কৰম উৎসৱ উদযাপনৰ প্ৰস্তুতি

**অসম বাৰ্তা, বৰহাট, ২৫ আগষ্ট ঃ** সদৌ অসম আদিবাসী ছাত্ৰ সন্থা চমুকৈ (আছা) বিমলাপুৰ প্ৰাথমিক সমিতিৰ উদ্যোগত লাদৈগড়, ৰাংছালী, বিমলাপুৰ চাহ মজদুৰ চমুকৈ এ চি এম এচ উপ শাখা তথা স্থানীয় ৰাইজৰ সহযোগত অহা তিনি আৰু চাৰি ছেপ্তেম্বৰ তাৰিখে দুদিনীয়া বৰ্ণাঢ্য কাযসূচীৰে চৰাইদেউ জিলাৰ বৰহাটৰ চৰাইপুঙ বিমলাপুৰ চাহ বাগিচা খেল পথাৰত তৃতীয় বাৰ্ষিক কৰম উৎসৱ উদ্‌যাপনৰ বাবে বিমলাপুৰ আছা উপশাখাই প্ৰস্তুতি চলাইছে। সংস্কৃতি এনাজৰীৰে সু-সমৃদ্ধ, আৰু ভাতৃত্ববোধৰ চানেকিৰে জীপাল প্ৰবিত্ৰ ভাদ মাহত চাহ বাগিচাত কৰ্মৰত খাটি খোৱা শ্ৰমজীৱি শ্ৰমিক শ্ৰেণীৰ বিভিন্ন জাতি উপজাতিৰ হিয়াৰ আমঠু 'কৰম উৎসৱ' ভাদ মাহৰ আগমণৰ লগে লগে নিজৰ শ্ৰমেৰে অসমখন সেউজীয়া কৰাৰ ক্ষেত্ৰত বিশেষ অৱদান আগবঢ়োৱা চাহ শ্ৰমিক সকলৰ দেহা - মন ৰাই - জাই কৰে। কৰম পৰৱৰ আগমণত সকলো দেকা গাভৰু, শিশুৰ উপৰিও বয়োবৃদ্ধৰ দেহলৈ কঢ়িয়াই আনে যৌৱনৰ নৱ-জোৱাৰ। জাতি-বৰ্ণ বয়সৰ প্ৰাচীৰ ভাঙি সকলো আনন্দ উল্লাসৎ কৰম উৎসৱত সকলো দুখ, কষ্ট, ভাগৰ পাহৰি প্ৰফুল্ল মনে আনন্দত বিলীন হয়। আছা বিমলাপুৰ প্ৰাথমিক সমিতিৰ উদ্যোগত বিমলাপুৰ চাহ বাগিচাৰ খেল পথাৰত অনুষ্ঠিত কৰিবলৈ লোৱা তৃতীয় বাৰ্ষিক কৰম উৎসৱ উদ্‌যাপনৰ বাবে বিলিয়ম হেড়েক সভাপতি, সুজিৎ কৰ্মকাৰক সম্পাদক আৰু এলিয়া জৰ্জক কোষাধ্যক্ষ হিচাবে লৈ এখন কৰম উৎসৱ উদযাপনৰ সমিতি গঠন কৰি প্ৰস্তুতি চলাইছে। কৰম পৰৱ উৎসৱৰ দ্বিতীয় দিনৰ সাংস্কৃতিক সন্ধিয়াৰ অনুষ্ঠানত জনপ্ৰিয় কণ্ঠশিল্পী বিতুল বিকাশে গীতৰ শৰাই আগবঢ়াব।

# দিখৌমুখ মহাবিদ্যালয়ত 'ৰাষ্ট্ৰীয় মহাকাশ দিৱস' উদ্‌যাপন

**অসম বাৰ্তা, জাঁজী, ২৫ আগষ্ট ঃ** শিৱসাগৰ জিলাৰ এখন অগ্ৰণী শিক্ষানুষ্ঠান দিখৌমুখ মহাবিদ্যালয়ত মহাবিদ্যালয়খনৰ NCC ইউনিটৰ উদ্যোগত ২৩ আগষ্ট তাৰিখে "ৰাষ্ট্ৰীয় মহাকাশ দিৱস" উদ্‌যাপন কৰা হয়। মহাকাশ দিৱসৰ লগত সংগতি ৰাখি মহাবিদ্যালয়খনত এক বক্তৃতানুষ্ঠান আয়োজন কৰা হয় আৰু উক্ত বক্তৃতানুষ্ঠান সমল ব্যক্তিৰূপে শিৱসাগৰ বিশ্ববিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপক ড° ৰাজীৱ শইকীয়া উপস্থিত থাকে। মহাবিদ্যালয়খনৰ NCCৰ CTO গীতা হাজৰিকাই আঁত ধৰা অনুষ্ঠানটোত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰঞ্জিত কুমাৰ বৰুৱাই আদৰণি ভাষণ প্ৰদান কৰে। সমল ব্যক্তি ড° ৰাজীৱ শইকীয়াই ভাৰতৰ মহাকাশ যাত্ৰাৰ ইতিহাস আৰু বিকশিত ভাৰতৰ লক্ষ্য আৰু সেই লক্ষ্যপ্ৰাপ্তিত উঠি অহা প্ৰজন্মৰ কৰণীয় সম্পৰ্কে সাৱলীল বক্তৃতাৰে ছাত্ৰ-ছাত্ৰীসকলক অনুপ্ৰাণিত কৰে। উক্ত অনুষ্ঠানত মহাবিদ্যালয়খনৰ বহুকেইজন শিক্ষক-কৰ্মচাৰী উপস্থিত থকাৰ লগতে ১১ অসম বেটেলিয়ন এন চি চি (11 Assam Battalion NCC, Sivasagar)ৰ হাবিলদাৰ চি কে কান্ত আৰু এন কে মাংলেন উপস্থিত থাকি অনুষ্ঠানটোৰ সৌষ্ঠৱ বৃদ্ধি কৰে। উল্লেখযোগ্য যে হাবিলদাৰ চি কে কান্তে মহাবিদ্যালয়ৰ কেডেট সকলৰ সৈতে এক মত-বিনিময় অনুষ্ঠানতো অংশগ্ৰহণ কৰে। অনুষ্ঠানৰ শেষত মহাবিদ্যালয়ৰ NCCৰ কেডেট তথা SUO প্ৰীতিৰাণী গগৈয়ে শলাগৰ শৰাই আগবঢ়ায়।

# যোৰহাটৰ সাংস্কৃতিক কৰ্মী ভৱেন হাজৰিকলৈ সংস্কৃতি সাধনা বঁটা-২০২৫

**অসম বাৰ্তা, মেৰাপানী, ২৫ আগষ্ট ঃ** গোলাঘাট জিলাৰ জামুগুৰি আৰক্ষী থানাৰ অন্তৰ্গত নোগোৰা অঞ্চলৰ অন্যতম স্বেচ্ছাসেৱী অনুষ্ঠান ছাঁয়া বৃক্ষ যুৱ সংঘ, নোগোৰাই যোৰহাট বৰখঙীয়া গাঁৱৰ নিবাসী, সাংস্কৃতিক, ভাওনা শিল্পী ভৱেন হাজৰিকালৈ আগবঢ়াইছে সংস্কৃতি সাধনা বঁটা - ২০২৫। অহা ২ আৰু ৩ অক্টোবৰত নোগোৰাত অনুষ্ঠিত হ'ব লগা ৫৭৭ সংখ্যক মহাপুৰুষ জন্ম মহোৎসৱত উক্ত বঁটা প্ৰদান কৰা হ'ব বুলি এক প্ৰেছটোকা যোগে সংগঠনটোৰ সভাপতি পৰাগ খাটনিয়াৰ, সম্পাদক জয়চন্দ্ৰ ফুকনে জানিবলৈ দিছে।

সম্পাদকীয়

# মানৱতাৰ অধঃপতন আৰু নৈতিক দায়িত্ব

তামুলপুৰৰ বনভূমিৰ মাজেৰ পথটোত এতিয়া নীৰৱতা। কিন্তু ২০ আগষ্টৰ সেই ৰক্তাক্ত আবেলিত পথটিত এনে এটি চিংকাৰ ৰৈ গৈছে, যি আমাৰ সমাজৰ নৈতিক ভেটি কঁপাই তুলিছে। ২৩ বছৰীয়া অভিষেক দাসৰ নৃশংস হত্যাকাণ্ড কেৱল এটা গণহত্যাৰ বাতৰি নহয়, ই আমাৰ সমাজ ব্যৱস্থাত এটা ডাঙৰ কলংক। যি যুৱকজনে দুৰ্ঘটনাগ্ৰস্ত গাড়ীৰ পৰা উদ্ধাৰ পাবলৈ মানুহৰ সহায়ৰ হাত বিচাৰিছিল, তেওঁক সেই সমাজে প্ৰহাৰেৰেহে উত্তৰ দিলে, সেই সমাজৰেই আমি একো একোজন নহয়নে? অভিষেক দাস এজন সেনাবাহিনীৰ সৈনিকৰ সন্তান। দেশৰ সীমা সুৰক্ষিত কৰাৰ দায়িত্বত থকা পিতৃয়ে দেশৰ সন্তানক সুৰক্ষা দিছিল, কিন্তু তেওঁৰ সন্তানকেই যেতিয়া সমাজে এনে নিষ্ঠুৰভাৱে হত্যা কৰিলে, তেতিয়া আমাৰ ৰাষ্ট্ৰীয় চৰিত্ৰয়ো সন্দেহৰ যোল্ল কঠীয়াত পৰে। গাড়ীৰ চান-ৰুফৰ মাজেৰে ওলাই অহা অভিষেকৰ চকুৰে-মুখে আশাৰ আভা আছিল নিশ্চয়। তেওঁ বিশ্বাস কৰিছিল যে মানুহে মানুহক বিপদত সহায় কৰে। কিন্তু স্থানীয় লোকৰ একাংশৰ অমানৱীয় দৃশ্যপটে তেওঁৰ সেই বিশ্বাসক মৃত্যুমুখলৈহে ঠেলি দিলে। উদ্ধাৰকাৰী আৰক্ষী বাহিনীকো বাধা দিয়াৰ অভিযোগে আমাৰ আইন-শৃংখলাৰ প্ৰতি থকা সমাজৰ একাংশৰ মনোভাৱৰ চিত্ৰও পৰিষ্কাৰকৈ দাঙি ধৰে। স্থানীয় লোকসকলৰ একাংশই এই ঘটনাক দুৰ্ঘটনাৰ ফল বুলি ক'ব খোজে। কিন্তু দুৰ্ঘটনাৰ নামত আইন হাতত লোৱাৰ কোনো স্থান যুক্তি নাথাকে। দুৰ্ঘটনা যদি হয়, তেন্তে তাৰ বাবে আছে প্ৰশাসনিক ব্যৱস্থা, আছে আদালত। কিন্তু আইন হাতত তুলি লৈ এজন অসহায় যুৱকক প্ৰহাৰ কৰি হত্যা কৰাটো কোনো দুৰ্ঘটনা প্ৰতিৰোধৰ উপায় নহয়, বৰঞ্চ ই হ'ল এক জংগী মানসিকতাৰ পৰিচয়। এই ঘটনাই আমাক কেইটামান মৌলিক প্ৰশ্নৰ সন্মুখীন কৰিছে। আমি মানুহ হিচাপে আমাৰ মূল্যবোধবোৰ হেৰুৱালোঁ নেকি? আমাৰ সংবেদনশীলতা ইমান ম্ৰিয়মাণ হৈ পৰিল নেকি যে এজন বিপদগ্ৰস্ত মানুহৰ কাতৰ অনুৰোধেও আমাৰ মনত সহানুভূতিৰ সৃষ্টি কৰিব নোৱাৰে? আমাৰ চকুৰ আগত মানৱ জীৱনৰ মূল্য ইমান তুচ্ছ হৈ পৰিল নেকি? ঘটনাৰ পিছত পৰিয়ালটোৰে ন্যায়ৰ বাবে চিঞৰি উঠিছে। কিন্তু এতিয়ালৈকে কোনো গ্ৰেপ্তাৰ নোহোৱাটো আৰু এক উদ্বেগৰ বিষয়। এই ক্ষেত্ৰত প্ৰশাসনৰ দ্ৰুত আৰু নিৰপেক্ষ তদন্তৰ প্ৰয়োজন। সঠিক তদন্তই এই ঘটনাৰ প্ৰকৃত ৰূপটো স্পষ্ট কৰক, দোষীসকলক চিনাক্ত কৰক আৰু আইনৰ দৃষ্টিত তেওঁলোকক দণ্ডিত কৰক। তেতিয়াহে মৃতকৰ আত্মাই শান্তি পাব আৰু সমাজত ন্যায়ৰ প্ৰতি আস্থা ঘূৰি আহিব। তামুলপুৰৰ এই হত্যাকাণ্ড কেৱল এটা বিচ্ছিন্ন ঘটনা হৈ নাথাকক। এইটো হ'ব লাগিব আমাৰ বাবে এক জাগৃতিৰ মাহেন্দ্ৰক্ষণ। মানৱতা, সহানুভূতি আৰু আইনৰ শাসনক সন্মান জনোৱা এখন সুস্থ সমাজ গঢ়ি তোলাৰ বাবে আমি সকলোৱে আগবাঢ়ি আহিব লাগিব। নহ'লে আজি অভিষেকৰ নিষ্পাপ তেজে আমাৰ বিবেকক যি শান্তিৰে শুই থাকিবলৈ দিয়া নাই, সেই শান্তিহৰণে আমাক সদায়েই উচপনি দি থাকিব।

> আমেৰিকাই আজি গৱেষণা উন্নয়ন বিভাগত খৰচ কৰে ৭৫০ বিলিয়ন ডলাৰ, চীনে খৰচ কৰে ৫৫০ বিলিয়ন ডলাৰ আৰু আমি বাজেট ধাৰ্য্য কৰিছোঁ দুই বিলিয়ন ডলাৰ মাত্ৰ! শিক্ষাৰ ক্ষেত্ৰটো একেই। যদি প্ৰযুক্তিৰ বাবে পইচা নাথাকে তেনে বিকাশ কেনেকৈ সম্ভৱ? আমাৰ কি এনে আলাউদ্দিনৰ চাকিটো আছে যে "খোল যা ছিম ছিম" বুলি কৈ ছেমিকণ্ডাক্টৰ চিপছ তৈয়াৰ কৰিম? ইয়াৰ বাবে প্ৰয়োজন হ'ব কোনো দিনেই কোনো ধৰণৰ বাধা নোহোৱাকৈ অবিৰত ভাবে অহৰহ বৈ থাকিব পৰা বিশুদ্ধ পানীৰ স্ৰোতৰ এক বৃহৎ অক্ষয় জল ভাণ্ডাৰ, এক মুহূৰ্তও ব্যাহত নোহোৱাকৈ অবিৰতভাৱে চলি থাকিব পৰাকৈ বৈদ্যুতিক সংযোগ আদি।

# প্ৰযুক্তিৰ আত্মা ছেমিকণ্ডাক্টৰ ভাৰতত সম্ভৱ নে?

শান্তনু বৰুৱা

ভাৰতে নিজা উদ্যোগত অচিৰেই ছেমিকণ্ডাক্টৰ চিপছ তৈয়াৰ কৰিব। এয়া সকলোৱে শুনা কথা। ইতিমধ্যে ভাৰতে চৰকাৰে এক লাখ কোটি টকা ধাৰ্য্য কৰি দিল্লীৰ নয়দাত, গুজৰাটৰ ঢলেৰাত আৰু অসমৰ জাগীৰোডত ছেমিকণ্ডাক্টৰ ছিপ বনোৱাৰ কাৰখানা স্থাপন কৰিছে। ইয়াৰ বাবে টাইৱানৰ PSMG, আমেৰিকাৰ MICRON আৰু জাপানৰ RENESAS নামৰ বিশ্বৰ আগ শাৰীৰ তিনিখন দেশৰ কোম্পানীয়ে এই ক্ষেত্ৰত আগভাগ লৈছে।

তথাপি আমাৰ মনত সংশয় হৈছে যে ই বাৰু আমাৰ দেশত সম্ভৱ হ'ব নে? যিখন দেশে আজি অত বছৰে বুলেট ট্ৰেইন চলাব নোৱাৰিলে, নিজাববীয়া প্ৰযুক্তিৰে সুৰঙ্গ খান্দি টানেল নিৰ্মাণ কৰিব নোৱাৰিলে, খনিজ পদাৰ্থ শোধন কৰিব নোৱাৰৰ বাবে হোৱা ৰেয়াৰ আৰ্থ এলিমেণ্টছৰ অভাৱত মহাকাশত ষ্টেচন পাতি গৱেষণা কৰিব নোৱাৰিলে, ক্ৰায়'জেনিক ৰকেট নিৰ্মাণ কৰিব নোৱাৰিলে, পানী যোগান আঁচনিৰ বাবে নিজা প্ৰযুক্তিৰে পাইপ বহুৱাব নোৱাৰিলে সেইখন দেশে বিশেষ একো শিক্ষা-দিক্ষা, জ্ঞান-প্ৰযুক্তি নোহোৱাকৈ ছেমিকণ্ডাক্টৰ চিপ বনাব পাৰিব নে?

সন্দেহ এই বাবেই হ'ল যে এইবাৰ ৭৯ সংখ্যক স্বাধীনতা দিৱসৰ দিনা লাল কিল্লাৰ পৰা প্ৰধান মন্ত্ৰীয়ে ক'লে যে আজিৰ পৰা হেনো ৫০/ ৬০ বছৰৰ পূৰ্বেই ছেমি কণ্ডা'ৰ চিপছৰ কাৰখানা খোলাৰ ফাইল অফিছে অফিছে ঘূৰি ফুৰিছিল। তেওঁ হে আজি তাক সাকাৰ ৰূপ দিবলৈ আগ বাঢ়ি আহি আহিছে। কথাটো শুনি আমি আচৰিত হ'লো! কিয়নো যি ছেমিকণ্ডাক্টৰৰ বিষয়ে আজি ৬০ বছৰৰ আগেয়ে চীন, আমেৰিকা, টাইৱান, নেডাৰলেণ্ড আদি দেশে জনাই নাছিল সেই ছেমিকণ্ডাক্টৰ বনোৱাৰ আঁচনি ভাৰতত আজিৰ পৰা ৬০ বছৰৰ আগৰে পৰা ফাইলত ঘূৰি ফুৰিছিল? বৰ্তমানৰ প্ৰধানমন্ত্ৰী ডাঙৰীয়াই হে ইয়াৰ গুৰুত্ব বুজি ভাৰতৰ চাৰিখন ঠাইত ইয়াৰ উৎপাদনৰ চিন্তা কৰিলে! বাহ: এয়াটো কম চমৎকাৰ কথা নহয়? প্ৰধানমন্ত্ৰীৰ তথ্য মতে দেখোন পৃথিৱীৰ মানুহে যেতিয়া ছেমিকণ্ডাক্টৰ চিপছ আদিৰ বিষয়ে ঘুণাক্ষৰেও একো জনা নাছিল তেতিয়া ভাৰতত এই লৈ উৎপাদন কৰিবনে নাই তাক লৈ ৰাজনীতি চলি আছিল, ফাইল ঘূৰি আছিল? কি আচৰিত! প্ৰধানমন্ত্ৰী ডাঙৰীয়াই নিজ মুখেৰে এই ক্ষেত্ৰত কি কৈছিল আপুনি ভাষণটো শুনিব খুজিলে pm modi announces India's own Semiconductor বুলি ইউ টিউবত বিচাৰিলে পাব। তাৰে কিছু অংশ হুবহু তুলি ধৰিলো -" হামাৰি দেশ মে ৫০/৬০ চাল পেহলে ছেমিকণ্ডাক্টৰ ক' লে কৰ কে ফাইল চুৰু হু য়ি। ৫০/৬০ চাল পেহলে ফেক্টৰী কি বিচাৰ চালু হুৱা। আপ মেৰে ন-যোৱান জানকৰ কে হেৰান হ' জায়েগি আজ চেমি কণ্ডা"ৰ জ' পুৰি দুনিয়া কি এক তাকত বন গয়া হে ৫০/৬০ চাল পেহলে ৰ' বিচাৰ, ৰ ফাইলে আতক গয়ি - লতক গয়ি- ঝতক গয়ি! ছেমিকণ্ডাক্টৰ কি বিচাৰ কি হি ভ্ৰূণ হত্যা হ গয়ি। ৫০/৬০ চাল গৱা: হে। ..." অৰ্থাৎ তেওঁৰ মতে ভাৰতে ১৯৬৫ চনতেই ছেমিকণ্ডাক্টৰ নিৰ্মাণ কৰি তাৰ উৎপাদনৰ প্ৰচেষ্টা চলাই আছিল। কিন্তু ৰাজনৈতিক কাৰণত সি সম্ভৱ নহ'ল যিটো তেওঁ এতিয়া সম্ভৱ কৰি তুলিছে। সেয়েহে সন্দেহ হৈছে। ভাৰতত ছেমিকণ্ডাক্টৰ চিপছ হ'ব নে নহ'ব? নে য়ো এক ৰাজনৈতিক ঝুমলা লৈ পৰিৱৰ্তন হ'ব!

ছেমিকণ্ডাক্টৰৰ ধাৰণা বিশ্বত আৰম্ভ হৈছিল আমেৰিকান কোম্পানী এটাৰ যত্নত ১৯৫৫ চনত। এমা ডিমা অৱস্থাৰ পৰা ইয়াক কিছু উন্নত কৰি 'ফেয়াৰ চাইল্ড ছেমিকণ্ডাক্টৰ' লৈ পৰিণত কৰে আঠজন বিজ্ঞানীয়ে। তাৰ পৰা পুনৰ দুজন বিজ্ঞানী ওলাই আহি 'ইনটেল' আৰু 'এপল' কোম্পানী গঠন কৰি ইয়াক বিকশিত কৰে। এইদৰে ১৯৫৫ চনৰ পৰা ছেমিকণ্ডাক্টৰৰ বুৰঞ্জী আৰম্ভ হয়। তেনে স্থলত ভাৰতৰ প্ৰধানমন্ত্ৰী ডাঙৰীয়াই স্বাধীনতা দিৱসৰ দিনা যেতিয়া কৈ দিলে যে ছেমিকণ্ডাক্টৰ ভাৰতে ৬০ বছৰ পূৰ্বেই বনাব পাৰিলে হয় কিন্তু কাৰোবাৰ হঠকাৰিতাৰ বাবেহে ই সম্ভৱ নহ'ল তেনে আচৰিত হ'ব লগিয়া নহয় নে? যি ছেমিকণ্ডাক্টৰ আজি বিশ্বৰ শিল্প বিপ্লৱৰ আত্মা স্বৰূপ সেই ছেমিকণ্ডাক্টৰ কি ভাৰতত কংগ্ৰেছ চৰকাৰৰ দিনত আৱিষ্কাৰ হৈছিল? এই কথা যদি আজিৰ ছাত্ৰ ছাত্ৰীয়ে আমাৰ প্ৰধানমন্ত্ৰীয়ে কোৱা বাবে সঁচা বুলি ভাবে তেনে বিজ্ঞান আৰু বৈজ্ঞানিক ধ্যান ধাৰণাক অপমান কৰা নহ'ব নে?

এইখিনিতে উল্লেখ কৰা উচিত হ'ব যে ছেমিকণ্ডাক্টৰ চিপৰ বিকাশ এজন বা দুজন বিজ্ঞানীৰ সৃষ্টি নহয় বৰঞ্চ ই এক জটিল প্ৰক্ৰিয়াৰ মাজেৰে বিকাশ হোৱা এটা স্তৰ হে। থোৰতে ক'বলৈ হ'লে ১৮৭৪ চনত কাৰ্ল ব্ৰাউনে ছেমিকণ্ডাক্টৰ ডায়ড আৱিষ্কাৰ কৰাৰ পাছত ১৯৪৭ চনতজন বাৰডিন, ৱাল্টাৰ ব্ৰাট্টেইন আৰু উইলিয়াম শ্বকলে নামৰ তিনিজন ন'বেল পুৰস্কাৰ বিজেতা বিজ্ঞানীৰ চেষ্টাত ছেমিকণ্ডাক্টৰ ডিভাইছ ট্ৰেঞ্জিষ্টৰৰ বিকাশ ঘটাই। তাৰ পৰৱৰ্তী কালত ১৯৫৮ চনত জেক কিলবীয়ে ইণ্টিগ্ৰেটেড চাৰ্কিট (IC) উদ্ভাৱন কৰি ছেমিকণ্ডাক্টৰৰ ধাৰণাৰ জন্ম দিয়ে। গতিকে ছেমিকণ্ডাক্টৰ নিৰ্দিষ্ট এজন বিজ্ঞানীৰ নহয় কেইবাজনো বিজ্ঞানীৰ গৱেষণাৰ ফচল হে। সেয়েহে ইয়াৰ আৱিষ্কাৰৰ নিৰ্দিষ্ট চন তাৰিখৰ বিষয়ে উল্লেখ কৰা মস্কিল। সেয়ে হ'লেও ১৯৫৮ চন টোক ছেমিকণ্ডাক্টৰৰ বিকাশৰ এটা স্তৰ বুলিব পাৰি। যাৰ জৰিয়তে আমেৰিকাৰ তিনিটা বিখ্যাত কোম্পানী ইনটেল (স্থাপিত ১৯৬৮ চন), এপল' ( স্থাপিত ১৯৭৬ চন) আৰু এনভিডিয়া( স্থাপিত ১৯৯৩ চন) কোম্পানীয়ে ইণ্টাৰনেট জগতলৈ এক বৈপ্-ৰিক পৰিৱৰ্তন আনিবলৈ সক্ষম হয়। গতিকে আজিৰ পৰা ৫০/৬০ বছৰ আগেয়ে অৰ্থাৎ ১৯৬৫ চন মানত ভাৰতত এই ছেমিকণ্ডাক্টৰ চিপছ প্ৰস্তুতিক লৈ হোৱা ৰাজনৈতিক বিবাদ এক মনে সজা বিষয় যেন লগাটো স্বাভাৱিক। এনেকুৱা মনে সজা কথাৰ বাবেই সন্দেহ হৈছে যে ভাৰতত ছেমিকণ্ডাক্টৰ চিপ বনোৱা কামটো সম্ভৱ হ'ব নে? নে য়ো এক ৰাজনৈতিক শ্লোগান মাত্ৰ?

সন্দেহ হোৱাটো স্বাভাৱিক। কাৰণ ছেমিকণ্ডাক্টৰ বনাবলৈ যি ধৰণৰ বিষয়, জ্ঞান, বিজ্ঞান, প্ৰযুক্তি আদিৰ প্ৰয়োজন সেই ধৰণৰ একোৱেই আমাৰ ইয়াত নাই। বাজেটতটো দেখা গৈছে যে শিক্ষা আৰু গৱেষণা উন্নয়ন বিভাগত অতি কম টকা ধাৰ্য্য কৰা হৈছে। ইয়াৰে দৰমহা দিব নে গৱেষণা কৰিব? অথচ যি বোৰ দেশত আজি ছেমিকণ্ডাক্টৰ বিষয়ত গৱেষণা হৈ আছে সেইবোৰ দেশে তাৰ অধিক বিকাশৰ চিন্তা কৰি শ শ বিলিয়ন ডলাৰৰ বাজেট ধাৰ্য্য কৰিছে। আমেৰিকাই আজি গৱেষণা উন্নয়ন বিভাগত খৰচ কৰে ৭৫০ বিলিয়ন ডলাৰ, চীনে খৰচ কৰে ৫৫০ বিলিয়ন ডলাৰ আৰু আমি বাজেট ধাৰ্য্য কৰিছোঁ দুই বিলিয়ন ডলাৰ মাত্ৰ! শিক্ষাৰ ক্ষেত্ৰটো একেই। যদি প্ৰযুক্তিৰ বাবে পইচা নাথাকে তেনে বিকাশ কেনেকৈ সম্ভৱ? আমাৰ কি এনে আলাউদ্দিনৰ চাকিটো আছে যে "খোল যা ছিম ছিম" বুলি কৈ ছেমিকণ্ডাক্টৰ চিপছ তৈয়াৰ কৰিম? ইয়াৰ বাবে প্ৰয়োজন হ'ব কোনো দিনেই কোনো ধৰণৰ বাধা নোহোৱাকৈ অবিৰত ভাবে অহৰহ বৈ থাকিব পৰা বিশুদ্ধ পানীৰ স্ৰোতৰ এক বৃহৎ অক্ষয় জল ভাণ্ডাৰ, এক মুহূৰ্তও ব্যাহত নোহোৱাকৈ অবিৰতভাৱে চলি থাকিব পৰাকৈ বৈদ্যুতিক সংযোগ আদি। তদুপৰি চিলিকন ৱেইফাৰ প্ৰিপিয়াৰেচন, ডিপ'জিছন, ফট'ৰেজিষ্ট এপ্লিকেছন, লিথ'গ্ৰাফী, আয়ন ইম্প্লিমেণ্টেছন আদি ছ টামান বিশেষ জটিল প্ৰক্ৰিয়াৰ মাজেৰে সমাপন হ'ব লাগিব গৱেষণা আৰু প্ৰযুক্তিৰ সফল সংযোগ। তাৰ বাবে যি বিশুদ্ধ তাম আৰু ৰেয়াৰ আৰ্থ এলিমেণ্টছৰ উপাদান লাগে সেয়া আমাৰ নাই! আনৰ পৰা আনিব লাগিব। বিশেষ কৈ চীনৰ পৰা আনিব লাগিব। কিন্তু ইতিমধ্যে আমি গালোৱানৰ ঘটনাৰ পাছত চীনক বহু কথাত বয়কট কৰি থোৱাত যোৱা এপ্ৰিল মাহৰ পৰা চীনেও এই ৰেয়াৰ আৰ্থ এলিমেণ্ট, টানেল বৰিং মেচিন, আৰু চুপাৰ ফাৰ্টিলাইজাৰ আদি অনেক সামগ্ৰীৰ ওপৰত চেংচন লগাই যোগান বন্ধ কৰি থৈছে। গতিকে মটৰগাড়ী কাৰখানা আজি বন্ধ হোৱাৰ উপক্ৰম হৈছে। দুচকীয়া বাহনৰ উৎপাদন বন্ধ হোৱাৰ দৰেই! বাজাজ কোম্পানীৰ মুখ্য কাৰ্য্যবাহী বিষয়া গৈ ৰেয়াৰ আৰ্থ এলিমেণ্টছ বিচাৰি চীনৰ ওচৰত হাত পাতিব লগা হৈছে। আমেৰিকাৰ ইনটেল, এনভিডিয়া আদি কোম্পানীৰ মালিক সকলেও চি, জিনপিঙক লগ পাবলৈ শাৰী পাতিব লগা অৱস্থা হৈছে। কাৰণ বিশ্বৰ প্ৰায় ৯০ শতাংশ ৰেয়াৰ আৰ্থ এলিমেণ্টছ আজি চীনৰ হাতত। লিথিয়াম বেটাৰীৰ পৰা গ্ৰীন এনাৰ্জীৰ সকলো প্ৰযুক্তি চীনৰ পৰা আমদানি কৰা। সেয়েহে আমেৰিকাৰ টাৰীফ নীতিৰ ধাৰো চীনৰ সমুখত ভোটা হৈ 'জয়' পৰিছে। ইলন মাস্কৰ দৰে বিজ্ঞানীয়েও চীনৰ বিৰোধ হোৱাৰ বাবে ট্ৰাম্পৰ লগ এৰিছে। এনেবোৰ কাৰণতেই ভাৰতৰ প্ৰধানমন্ত্ৰীয়ে আমেৰিকাৰ কাষলৈ গৈ চীনৰ সামগ্ৰীৰ ক্ষেত্ৰত 'চতে আখ ৱালা' দেশৰ সামগ্ৰী কিনা বেছা বন্ধ কৰিবলৈ পৰামৰ্শ দি আজি পুনৰ চীনৰ সৈতে বন্ধুত্বৰ হাত আগবঢ়াবলৈ বাধ্য হৈছে। অথচ অপাৰেচন সিন্দুৰৰ সময়ত চীনে স্পষ্ট কৈ কৈ পাকিস্তানৰ সংগ দিয়াই নহয় মিচাইল, চেটেলাইট আদি দি এক প্ৰকাৰ ভাৰতৰ বিৰুদ্ধে যুদ্ধ কৰিছিল। সেয়েহে এনেবোৰ ঘটনা ক্ৰমৰ পৰা বুজা যায় যে আমাৰ দ্বাৰা দৰাচলতে এনে জটিল কাম এটা সম্ভৱ নহ'ব! যি দৰে বুলেট ট্ৰেইনো সম্ভৱ নহল।

দৰাচলতে ছেমিকণ্ডাক্টৰ চিপছ বনাবলৈ আমাৰ হাতত একো বিশেষ প্ৰযুক্তি নাই! যি আছে চীনৰ হাতত আছে আৰু আমেৰিকা, টাইৱান, হলেণ্ড আদি দেশৰ হাতত হে আছে। গতিকে ভাৰতৰ দৰে ১৪০ কোটি মানুহৰ দেশ এখন শাসন কৰি আজি ১৪টা বছৰে নিৰঙ্কুশ সংখ্যাগৰিষ্ঠতা লাভ কৰিও যেতিয়া ভাৰতে এই ক্ষেত্ৰত একো কৰিব নোৱাৰিলে তেনে ভৱিষ্যতে যে কোনোবাই কৰিব সিয়ো সন্দেহৰ বিষয়! কাৰণ নেতৃত্ব দিব পৰা নেতা ওলালেও বিৰোধী দলে জানো কাম কৰাৰ সুবিধা দিব? বৰ দুখেৰে আৰু অন্তৰৰ গভীৰ ব্যথাৰে ক'ব খোজোঁ যে আজি মহাকাশ ষ্টেচনৰ অধিকাৰী কোন? তেওঁলোক। এয়াৰ ডিফেঞ্চ চিষ্টেমৰ অধিকাৰী কোন? তেওঁলোক। ৰেয়াৰ আৰ্থ মেটেৰিয়েলচৰ একচত্ৰি অধিকাৰী কোন? তেওঁলোক। ষষ্ঠ প্ৰজন্মৰ ষ্টিল্থ এয়াৰ ক্ৰাফ্টৰ প্ৰযুক্তিত আগ বঢ়া কোন? তেওঁলোক। নিজাববীয়া ইণ্টাৰনেট সেৱা কাৰ? তেওঁলোকৰ। টানেল বৰিং মেচিনৰ অধিকাৰী কোন? তেওঁলোক। কৃষি উপযোগী সাৰ উৎপাদক কোন? তেওঁলোক। ঔষধ নিৰ্মাণৰ বাবে প্ৰয়োজন হোৱা এ'ভি ফাৰ্মাচিউটিকেল ইনগ্ৰেডিয়েণ্টছ কাৰ হাতত? তেওঁলোকৰ হাতত। খনিজ নিষ্কাষণ তন্ত্ৰ কাৰ? তেওঁলোকৰ। মুঠতে প্ৰযুক্তি তেওঁলোকৰ, অভিযন্তা তেওঁলোকৰ, গৱেষক তেওঁলোকৰ, যন্ত্ৰ পাতি তেওঁলোকৰ, শিক্ষা দিক্ষা, বিষয়, বিদ্যালয়, কিতাপ পত্ৰ সকলো তেওঁলোকৰ। তাৰ তুলনাত আমাৰ দেশত কি আছে?

আমাৰ বৈদেশিক নীতিও এনেকুৱা যে দুদিন যদি আমেৰিকাৰ ফালে ঢাল খোৱা দুদিন দেখিব ৰাছিয়াৰ প্ৰতি ঢাল খোৱা, দুদিন আকৌ দেখিব নিৰপেক্ষ ভূমিকা আৰু দুদিন দেখিব চীনৰ প্ৰতি মন খোৱা। মুঠতে ঠিক কৰিব নোৱাৰা স্থিতি! নেপাল, ভূটান, বাংলাদেশ, শ্ৰী লংকা, ম্যানমাৰ, মালডিভছ আদি চুবুৰীয়া দেশৰ সৈতেওঁ আমাৰ একো ভাল সম্পৰ্ক নাই! পাকিস্তানৰ সৈতে যুদ্ধ এখন হৈ গ'ল অথচ আমাৰ কাষত এখন ৰাষ্ট্ৰও নাথাকিল। ফলত আমাৰ কাষতে থকা গোৱাডাৰ পৰ্টত নিগাজী পট্টা লৈ বহিল চীন। আমেৰিকাক বিশ্বাস কৰি ইজৰাইলৰে সখা পাতিবলৈ গৈ ইৰাণৰ চাবাহাৰ পৰ্টটো আমি খোপনি হেৰোৱালো। তেনেকৈ ইজৰাইলৰ দখলত থকা যি এক হাইফা পৰ্ট'ত আদানিৰ বিনিয়োগ আছিল সেয়া ইৰাণৰ মিচাইলৰ আঘাতত ক্ষত বিক্ষত! এনে লাগে যেন আমাৰ দেশ খনৰ বৈদেশিক নীতি আৰু কূটনৈতিক নীতি বুলি একো নাই! দুজন মান পুঁজি পতিৰ নীতি নিৰ্দেশনাতে যেন চলি আছে দেশ! তেওঁলোকৰ সুবিধাৰ বাবেই যেন আমি সকলো কৰি আছোঁ! ৰাছিয়াই শলঠেকত পৰি ভাৰতক কম দামত বিক্ৰী কৰা তেল কিনি আদানি আম্বাণী হত অকলে ধনী হ'ল আৰু আমি মিছাই আমেৰিকাৰ টাৰীফৰ জালাত মৰিব ধৰিছো। আজি আমেৰিকাই তেওঁলোকক দোষী সাব্যস্ত কৰাত আমাৰ নীতিও যেন হঠাত সলনি হৈ চীনৰ প্ৰতি ঢাল খোৱা হ'ল। ই কেনে ৰাষ্ট্ৰনীতি? চীন আজি অকলেই এখন বিশাল পৃথিৱী। যাৰ নিজৰ ব্যৱসায় আছে, প্ৰযুক্তি আছে। আমাৰ কি আছে? চীনে আমাক ছেমিকণ্ডাক্টৰ চিপছ বনাবলৈ দিবনে? নে আভুৱা ভাৰি কাশ্মীৰৰ আধা দখল কৰিব সিয়ো এক বিচাৰ্য্যৰ বিষয়। যিহেতু আজিৰ তাৰিখত পাক অধিকৃত কাশ্মীৰ পাক অধিকৃত হৈ থকা নাই সি কেতিয়াবাই চীন অধিকৃত কাশ্মীৰ হ'ল গৈ। চীনে তাৰ মাজেৰে বেল্ট এণ্ড ৰ'ড ইনিচিয়েটিভ প্ৰকল্পৰ জৰিয়তে চাইনা পাকিস্তান ইকনমিক কৰিডৰ নিৰ্মাণ কৰিছে। যদি আমাৰ পলিচি মেকাৰ মন্ত্ৰী বিধায়কসকলে এইবোৰ দিশত উচিত চিন্তা নকৰে, যদি ৰিচাৰ্চ এণ্ড ডেভেলপমেণ্টৰ বাবে প্ৰয়োজনীয় বাজেট ধাৰ্য্য নকৰে আৰু শিক্ষাৰ ক্ষেত্ৰত প্ৰয়োজনীয় অৰ্থৰ যোগান নধৰি আমি ৫০/৬০ বছৰ আগেয়েই ছেমিকণ্ডাক্টৰ চিপছ আদিৰ জ্ঞান পাইছিলো বুলি মিছা আত্ম তুষ্টিত ডুবাই ৰাখে তেনে আমি কেতিয়াবালৈ ছেমিকণ্ডাক্টৰ চিপছৰ দৰে জটিল বিষয় এটা হস্তগত কৰিব পাৰিম নে?

প্ৰকৃত পুথি পাজি অধ্যয়ন আৰু গৱেষণাৰ একো পাঠ্যক্ৰম নোহোৱাকৈ লোকৰ ওপৰত আশা কৰি প্ৰযুক্তিৰ আত্মা স্বৰূপ এটা জটিল বিষয় ছেমিকণ্ডাক্টৰ চিপছ কেতিয়াবা লৈ নিৰ্মাণ কৰিব পাৰিম নে? ভাৰতৰ বিদ্বত সমাজ আৰু বিদ্যালয় মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা বোৰে বিষয়বোৰ চিন্তা কৰক। নহ'লে আজিৰ শিশু কালিৰ নাগৰিক এটা চূড়ান্ত মিছা কথালৈ পৰিণত হ'ব। আপুনি আপোনাৰ বুকুত হাত থৈ ক'ব পাৰিবনে আজিৰ পৰিস্থিতিত প্ৰযুক্তিৰ আত্মা ছেমিকণ্ডাক্টৰ ভাৰতত সম্ভৱ নে?

# নৱজাতকৰ কৰুণ মৃত্যু! গাফিলতি কাৰ?

দেবৰ্ষি গৌতম

গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হস্পিতাল এক কথাত কবলৈ গলে সমগ্ৰ অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ চিকিৎসা সেৱাৰ হৃদপিণ্ড স্বৰূপ। কেৱল অসমৰে নহয় সমগ্ৰ উত্তৰপূৰ্বাঞ্চলৰ প্ৰায় প্ৰতিগৰাকী লোকৰে চিকিৎসা সেৱাৰ বাবে আশা ভৰসাৰ থল হৈছে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হস্পিতাল। সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ প্ৰতিখন ঠাইৰ পৰা ৰোগ নিৰাময়ৰ বাবে বিশেষকৈ মধ্যবিত্ত, নিম্ন মধ্যবিত্ত আৰু দৰিদ্ৰ লোকসকলে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হস্পিতাললৈ ঢাপলি মেলে। উন্নত পৰ্যায়ৰ চিকিৎসা লাভ কৰাৰ আশাত বিশেষকৈ গ্ৰামাঞ্চলৰ লোকসকল গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হস্পিতাললৈ চিকিৎসা সেৱা গ্ৰহণ কৰিবলৈ আহে। এনে ক্ষেত্ৰত ৰোগীসকলে লাভ কৰিব লগীয়া পৰ্যাপ্ত সা-সুবিধাৰ প্ৰতি চিকিৎসালয় কৰ্তৃপক্ষই যথোপযুক্ত ব্যৱস্থা গ্ৰহণ কৰাটো অত্যন্ত প্ৰয়োজনীয়। কাৰণ বহু দূৰৰ পৰা চিকিৎসা গ্ৰহণ কৰিবলৈ অহা ৰোগীসকলৰ খৰচ বহুত বেছি হয়। কিন্তু বহু সময়ত চিকিৎসা সেৱাৰ হৃদপিণ্ড বুলি অভিহিত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হস্পিতালৰ বিৰুদ্ধে বিভিন্ন অভিযোগ উত্থাপিত হৈ আহিছে। এনে অভিযোগ সমূহৰ একাংশ এনে অভিযোগ থাকে যিসমূহ অভিযোগে কেৱল বাতৰিৰ শিৰোনাম দখল কৰাই নহয় সামাজিক আৰু ৰাজনৈতিক মাধ্যমটো এক আলোড়নাৰ সৃষ্টি কৰা পৰিলক্ষিত হয়। এনে অভিযোগ সমূহৰ ভিতৰত কেইদিনমান পূৰ্বে নৱজাতক শিশুক চিকিৎসা প্ৰদান কৰা নৱজাতক আই চি ইউত এক নাভূত নাশ্ৰুত ঘটনা সংঘটিত হয়। আচলতে নৱজাতক শিশুবোৰৰ জন্মৰ পিছত কিবা অসুবিধা থাকিলে তেনে শিশু সমূহক নৱজাতক আই চি ইউত ভৰ্তি কৰাই শিশু বিশেষজ্ঞৰ তত্ত্বাৱধানত এক বিশেষ থেৰাপি প্ৰদান কৰা হয়। এই চিকিৎসা প্ৰদান কৰাৰ বাবে শিশুসকলক ৰখাৰ বাবে এখন বিশেষ বিছনা থাকে। সেই বিছনা খনত ৰাখিয়ে শিশুসকলক সেই বিশেষ চিকিৎসা প্ৰদান কৰা হয়। নৱজাতক আই চি ইউত কৰ্মৰত ধাত্ৰীসকলে শিশু বিশেষজ্ঞৰ নিৰ্দেশনা মৰ্মে শিশুসকলক চিকিৎসা প্ৰদান কৰে। কিন্তু ইয়াতে আটাইতকৈ ডাঙৰ কথাটো হল যে নৱজাতক শিশুৰ বাবে নৱজাতক আই চি ইউত থকা বিছনা সমূহত এখন বিছনাত এগৰাকী শিশু ৰখাৰ পৰিৱৰ্তে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হস্পিতালৰ নৱজাতক আই চি ইউত এখন বিছনাতে তিনিৰ পৰা চাৰিগৰাকীকৈ শিশুক ৰখা হৈছিল। এখন বিছনাত হিচাপতকৈ অধিক শিশুক ৰখাৰ বাবে হঠাৎ বিছনা খনৰ পৰা এগৰাকী শিশু তললৈ সৰি পৰে। বিছনাৰ পৰা সাৰি পৰা শিশুটো আঘাত প্ৰাপ্ত হৈ মৃত্যুমুখত পৰে। ঘটনাটো যেতিয়াই সংবাদ মাধ্যমৰ যোগেদি ৰাজহুৱা হৈ পৰে তেতিয়াই কিন্তু সকলোৱে মাজত এক প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হস্পিতালৰ অধ্যক্ষ গৰাকীয়ে এই বিষয়ত দিয়া মন্তব্যই সচেতন মহলত এক জোকাৰণিৰ সৃষ্টি কৰিছে। পৰিস্থিতি ইমানে স্পৰ্শকাতৰ হৈ পৰে যে ৰাজ্যৰ মুখ্যমন্ত্ৰী গৰাকীয়ে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হস্পিতালত উপস্থিত হৈ ভুক্তভোগী পৰিয়ালটোৰ সৈতে মত বিনিময় কৰাৰ সমান্তৰালকৈ অধ্যক্ষ গৰাকীৰ মন্তব্যৰ বাবে নিজে দুখ পোৱা বুলি কয় আৰু অধ্যক্ষ গৰাকীক তেওঁৰ মন্তব্যৰ বাবে ৰাজহুৱাকৈ ক্ষমা খুজিবলৈ আহ্বান জনায়। মুখ্যমন্ত্ৰী গৰাকীয়ে সংবাদ মাধ্যমৰ আগত সদৰি কৰা অনুসৰি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হস্পিতালত কোনো ধৰণৰ অভাৱ অভিযোগ থকাৰ সুৰুঙা নাই। সকলো সা-সুবিধা পৰ্যাপ্ত পৰিমাণে আছে। এনে ধৰণৰ ঘটনা যাতে ভৱিষ্যতৰ দিনত সংঘটিত হ'ব নোৱাৰে তাৰ বাবে ৰাজ্য চৰকাৰে এক উচ্চ পৰ্যায়ৰ তদন্ত ঘোষণা কৰিছে। এই সকলোবোৰ কথাৰ পিছত মূল প্ৰশ্নটো হ'ল এই ঘটনাৰ বাবে আচলতে দায়ী কোন? এই ঘটনাৰ প্ৰকৃত দোষীয়ে শাস্তি পাবনে? সংবাদ মাধ্যমত প্ৰকাশিত খবৰ অনুসৰি বৰ্তমানলৈকে পুলিচে আগবঢ়াই নিয়া তদন্তত কিন্তু একেবাৰে নিম্ন পৰ্য্যায়ৰ কিছু ব্যক্তিহে আটক কৰা বা সোধা পোছা কৰাৰ বাবে থানলৈ নিয়া হৈছে। ঘটনা সংঘটিত হোৱাৰ দিনা কৰ্তব্যত থকা এগৰাকী ঠিকাভিত্তিক ধাত্ৰী অথবা নাৰ্ছক নিলম্বন কৰা হৈছে আৰু তেওঁক আটক কৰা হৈছে। এইখিনিতে সকলোৱে মনলৈ অহা এটা প্ৰশ্ন হল কেৱল এগৰাকী নাৰ্চ গাফিলতিৰ ফলতে এই সমগ্ৰ ঘটনাটো সংঘটিত হৈছিল নেকি? ঘটনাটো সংঘটিত হোৱাৰ সময়ত কেৱল মাত্ৰ নাৰ্ছ গৰাকীয়ে কৰ্তব্য পালন কৰি আছিল নেকি? প্ৰায় ৩০ টাৰো অধিক শিশু থকা এটা আই চি ইউত কেৱল মাত্ৰ এগৰাকী নাৰ্ছক কৰ্তব্য কৰিবলৈ দিয়া হৈছিল নেকি? মুখ্যমন্ত্ৰী গৰাকীয়ে কোৱাৰ দৰে সকলো সুবিধা যদি পৰ্য্যাপ্ত আছিল তেনেহ'লে কাৰ নিৰ্দেশত এখন বিছনাত তিনি চাৰি গৰাকীকৈ শিশুক ৰখা হৈছিল? আৰু যদি সুবিধা পৰ্য্যাপ্ত নাছিল তেনেহ'লে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হস্পিতাল কৰ্তৃপক্ষই মুখ্যমন্ত্ৰী গৰাকীক সকলো সা-সুবিধা পৰ্যাপ্ত ৰূপত থকা বুলি ভুল তথ্য প্ৰদান কৰিছিল নেকি? ৰাজ্যৰ মুখ্যমন্ত্ৰী গৰাকীক যদি কোনো চৰকাৰী প্ৰতিষ্ঠানৰ সা-সুবিধাৰ বিষয়ে কোনো বিষয়াই ভুল তথ্য প্ৰদান কৰে তেনেহ'লে সেয়া কিমান ডাঙৰ অপৰাধ সেইটো আজিৰ প্ৰেক্ষাপটত এক ডাঙৰ প্ৰশ্ন হিচাপে বিবেচিত হৈছে। ইতিমধ্যে চৰকাৰে তদন্ত কৰিবলৈ এখন উচ্চ পৰ্যায়ৰ কমিটি গঠন কৰি দিছে। কিন্তু ইয়াতে এটা কথা যথেষ্ট গুৰুত্বপূৰ্ণ হব যে কেৱল নাৰ্ছ এগৰাকীক দোষী সজাই গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হস্পিতাল কৰ্তৃপক্ষই দায়িত্ব সামৰিব বিচাৰিছে নেকি? ঘটনা সংঘটিত হোৱা দিনটোত কৰ্তব্যত থকা প্ৰতিগৰাকী ব্যক্তি তদন্তৰ আওতালৈ আহিব নে? ইয়াৰ উপৰিও সা-সুবিধাৰ বিষয়ে মুখ্যমন্ত্ৰী গৰাকীক প্ৰদান কৰা তথ্যৰ বিয়ায়টোও তদন্তৰ আওতাত ধৰা হবনে? এই সকলোবোৰ প্ৰশ্নৰ উত্তৰ তেতিয়াহে আমি লাভ কৰিবলৈ সক্ষম হব যেতিয়া তদন্ত সম্পূৰ্ণ হোৱাৰ অন্তত প্ৰতিবেদন ৰাজহুৱা হব। এই ঘটনাটোৰ ৰাজহুৱা হোৱা প্ৰতিটো দিশ যদি আমি পৰ্যালোচনা কৰিবলৈ চেষ্টা কৰোঁ তেনেহ'লে দেখিবলৈ পাম যে নৱজাতকৰ চিকিৎসাৰ ক্ষেত্ৰত সংঘটিত হোৱা এই ঘটনাটো সকলো নীতি নিয়ম জলাঞ্জলি দি সম্পন্ন কৰিবলৈ চেষ্টা কৰা কৰ্মৰ পৰিণতি। এয়া কেৱল এদিনৰ কথা কোনো পধ্যেই হব নোৱাৰে, পূৰ্বৰ পৰাই নৱজাতকসকলক এনেধৰণে চিকিৎসা আগবঢ়াই অহা হৈছিল বাবে এনেকুৱা এটা ঘটনা সংঘটিত হবলৈ পালে। যদি এই ঘটনাটো সংঘটিত নহল হেতেন হয়তো আগলৈও নৱজাতকৰৰ চিকিৎসা এনেদৰে চলি থাকিলহেঁতেন। এইখিনিতে আৰু এটা গুৰুত্বপূৰ্ণ কথা হল যে এইধৰণে চলি চিকিৎসাৰ বিষয়ে উচ্চ পদস্থ বিষয়াসকল যে সম্পূৰ্ণৰূপে অৱগত আছিল তাৰ প্ৰমাণ গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হস্পিতালৰ অধ্যক্ষ গৰাকীৰ ভাষ্যৰ পৰাই প্ৰমাণ হৈছে। এটা সন্তান জন্ম দিয়াৰ যি আনন্দ আৰু ইয়াৰ সমান্তৰালকৈ বেদনা সেই কথা এগৰাকী মাতৃৰ বাহিৰে আন লোকে হয়তো অনুভৱ কৰাটো যথেষ্ট কঠিন। নিজৰ গৰ্ভস্থ সন্তানক প্ৰসৱ বেদনা হেলাৰঙে পাৰ কৰি জন্ম দিয়াৰ পিছত যেতিয়া সেই মাতৃ গৰাকীৰ বুকু শুদা হৈ পৰে সেই বেদনাক কেৱল মাত্ৰ এক সাধাৰণ দুৰ্ঘটনা বুলি অভিহিত কৰাটোৱে এগৰাকী উচ্চ পদস্থ বিষয়াৰ দায়িত্বজ্ঞানহীনতা আৰু দায়সৰা মানোভাৱক উদঙাই দিছে। এতিয়া সকলোৱে বাট চাই আছে যে চৰকাৰে দিয়া তদন্তত ঘটনাৰ সকলো বিষয় উজাগৰ হব। কেৱল যাতে এগৰাকী সাধাৰণ মাতৃ হোৱা বাবেই এই ঘটনাৰ প্ৰকৃত দোষী সাৰি যাব নোৱাৰে তাৰ ওপৰতো সকলোৱে নজৰ দিয়াটো অতিকৈ জৰুৰী। কেৱল এগৰাকী বা দুগৰাকী ঠিকাভিত্তিক তৃতীয় আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰীৰ মূৰত দোষ জাপি দি বাকীসকলক বাচোৱাৰ অভিসন্ধি যাতে কোনেও ৰচিব নোৱাৰে তাৰ ওপৰতো তদন্ত কমিটিয়ে গুৰুত্ব আৰোপ কৰাটো দৰকাৰী। কাৰণ কোনো এগৰাকী চতুৰ্থ অথবা তৃতীয় বৰ্গৰ কৰ্মচাৰীয়ে এনেকুৱা ঘটনা এটা অকলে সংঘটিত কৰিব পৰাটো কোনো পধ্যেই সম্ভৱপৰ নহয়। হয়তো কোনো উচ্চ পদস্থ বিষয়াৰ নিৰ্দেশত এনেদৰে চিকিৎসা চলাই থকাৰ ফলত এই কৰুণ ঘটনাটো সংঘটিত হবলৈ পালে অন্যথা উচ্চ পদস্থ বিষয়াসকলে বিষয়টো আওকাণ কৰাৰ ফলত এই ঘটনাটো সংঘটিত হল। এই ঘটনাটো সংঘটিত হোৱাত কৰ্তব্যত থকা ব্যক্তিসকল যিমান দোষী ঠিক একেদৰেই কিন্তু বিষয়টো আওকাণ কৰা বিষয়া সকলো সমানে দোষী। যিকোনো এটা ঘটনা সংঘটিত হোৱাৰ সময়ত কেৱল সন্মুখত থকা ব্যক্তিসকলে দোষী নহয়। পৰ্দাৰ আঁৰত থাকি সন্মুখত থকা ব্যক্তিসকলক পৰিচালনা কৰা বিষয়া সকলো কিন্তু সমানে দোষী। এই ঘটনাটো যে কেৱল চৰম দায়িত্বজ্ঞানহীনতা আৰু একাংশ বিষয়ৰ গা এৰা দিয়া মনোভাৱৰ বাবে সংঘটিত হবলৈ পালে তাৰ প্ৰমাণ বিভিন্ন বক্তব্য আৰু আৰু উত্থাপিত অভিযোগ সমূহে প্ৰদান কৰিছে। সময়ে যিহেতু সকলো প্ৰশ্নৰ উত্তৰ প্ৰদান কৰে গতিকে এই ঘটনাৰ তদন্তৰ ফলাফল কি হয় এয়া সময়ত স্পষ্ট হৈ পৰিব। হয়তো তাৰ বাবে আমি কিছুদিন অপেক্ষা কৰিব লাগিব।

# নৱজাতকৰ মৃত্যুৰ বাবে দায়ী কোন?

ড° আৰ কে বেজবৰুৱা

গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ হস্পিতেলত এটি নৱজাতকৰ মৃত্যুৱে গোটেই অসমকে কঁপাই তুলিছে। কঁপাই তোলাৰ প্ৰথম কাৰণ হৈছে- গোটেই প্ৰদেশখনৰ আটাইতকৈ নিৰ্ভৰযোগ্য আৰু একমাত্ৰ ভৰষাৰ স্থান গুৱাহাটী চিকিৎসা মহাবিদ্যালয়-হস্পিতেল। দেশৰ শীৰ্ষ স্থানৰ তেনেকুৱা মেডিকেল কলেজ হস্পিতেলতে যদি ৰোগীৰ (মাতৃ আৰু শিশুৰ) জীৱন বিপন্ন হয়, ৰোগীৰ বাবে তাতকৈ ভয়ানক কথা আৰু কি হ'ব পাৰে? আমাৰ সকলোৱে বিশ্বাস যে জি এম চি এইচ হৈছে সকলো ৰোগ উপশমৰ বাবে নিৰ্ভৰযোগ্য প্ৰতিষ্ঠান। কিন্তু তাতো যে চিকিৎসাধীন সকলৰ সুবিধা বা সুৰক্ষাৰ প্ৰতি মনোযোগ দিয়া নহয়, সেয়া কল্পনাৰো অগোচৰ।

আমাক কঁপাই তোলাৰ দ্বিতীয় কাৰণটো হৈছে- প্ৰদেশখনৰ আটাইতকৈ (ভাল?) শ্ৰেষ্ঠ, অভিজ্ঞ আৰু মেধা সম্পন্ন ডাক্তৰসকলক জি এম চি এইচ্ত পোৱা যায়। চাবলৈ গ'লে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়-হস্পিতেল ৰোগীৰ বাবে তীৰ্থস্থান। তেনেকুৱা প্ৰতিষ্ঠানত সেৱাত জড়িত নাৰ্ছ, মেট্ৰন, চিকিৎসক আৰু অধ্যক্ষৰ ভূমিকা বা দায়িত্বৰ প্ৰতি সমৰ্পণ অত্যন্ত নিকৃষ্ট। সাধাৰণ নাগৰিক হিচাপে আমি ভাবি আছিলোঁ - ৰাজধানী চহৰৰ চৰকাৰী চিকিৎসালয়খনে নিশ্চয় ৰোগী আৰু অভিভাৱকৰ স্বস্তিৰ প্ৰতীক ৰূপে কাম কৰি আছে আৰু ভৱিষ্যতেও থাকিব। কিন্তু সদ্যহতে উন্মোচিত হোৱা ভিতৰৰ কথাবোৰে আমাৰ সেই ধাৰণা মষিমুৰ কৰি পেলালে।

কঁপনি উঠাৰ তৃতীয়টো কাৰণ হৈছে - বৰ্তমান দেশৰ আটাইতকৈ বেছি গুৰুত্ব দিয়া হৈছে চিকিৎসা খণ্ডত। মাতৃ আৰু শিশুৰ যত্নত যাতে সামান্যতমো ত্ৰুটি নহয় তাৰ বাবে চৰকাৰে গোটেই দেশতে এক প্ৰকাৰ ৰেড এলাৰ্ট জাৰি কৰি থৈছে। তেনেকুৱা এটা বাতাৱৰণত বিখ্যাত চিকিৎসা মহাবিদ্যালয়ৰ হস্পিতেলত মনোযোগৰ অভাৱত শিশু এটিৰ মৃত্যুৱে চৰকাৰী ব্যৱস্থাটোৰ সকলো কৰ্ম পদ্ধতি আৰু নীতি-নিৰ্দেশনাকে ভেঙুচালি কৰিছে।

আন এটা অভিযোগ উত্থাপন হৈছে যে নিঅ'নেটেল আই চি ইউ ৰ পৰিসৰত চি চি কেমেৰাই কাম কৰা নাই। এয়া জানো সম্ভৱ? চি চি কেমেৰা বিকল হোৱাৰ কথা কোনোৱে নজনাটোৱে অপৰাধ বা দুৰ্ঘটনাত সহায় কৰাৰ ইংগিত বহন কৰে। তাৰ বাবে সম্পূৰ্ণ জবাবদিহি নিশ্চয় হস্পিতেল কৰ্তৃপক্ষ।

এতিয়া মূল প্ৰশ্নটো হৈছে দোষ কাৰ?

দোষ অকল ভানুপ্ৰিয়া মিছঙ নামৰ কৰ্তব্যৰত নাৰ্চ গৰাকীৰ নেকি? ৭০খন বিছনা যুক্ত নিঅ'নেটেল আই চি ইউ এটাত কিমানটা বেবী ৱাৰ্মাৰ বা ফটো থেৰাপি ইউনিট থাকিব লাগে সেই হিচাপটো নিঅ'নেটেল ৱাৰ্ডৰ ইনচাৰ্জ জনে বা হস্পিতেলৰ অধ্যক্ষ - উপাধ্যক্ষই নাজানিছিল নেকি? মেট্ৰ'ন গৰাকীয়ে সেই হিচাপ অধ্যক্ষক জনোৱা নাছিল নেকি? হস্পিতেলৰ ৱাৰ্ডবোৰৰ দায়িত্বত থকা কৰ্তব্যৰত নাৰ্ছ, ৱাৰ্ড বয়, চিকিৎসক উপস্থিত থাকে নে নেথাকে তাৰ খবৰ কোনে ৰাখিব লাগে? হস্পিতেলৰ অধ্যক্ষজনে সেইবোৰ কথা চাব নালাগে নেকি? অধ্যক্ষৰ দক্ষতাৰ ওপৰতো প্ৰশ্ন উঠিব!

ভঙা বা স্ক্ৰু ঢিলা এটা ৱাৰ্মাৰত তিনিটাকৈ শিশু ৰখা কথাটো কোন ফালৰ পৰা যুক্তি-যুক্ত ( justify ) বুলি মানিব পাৰি? যি কোনো সুস্থ মানুহ এজনে ভঙা ৱাৰ্মাৰ এটাত, তিনটা নালাগে এটা শিশুক সুৰক্ষিত বুলি ভাবিব পাৰে নে? নাৰ্ছ গৰাকীয়ে কি বিবেচনাৰে একে ঠাইতে তিনটা শিশু ৰাখিছিল? যদি তেওঁ ৰখা নাছিল, তেন্তে সম্ভাব্য বিপদৰ কথা তেওঁৰ চিনিয়ৰক জনোৱা হৈছিল নে? সিয়ো এক প্ৰশ্ন!

গুৱাহাটী চিকিৎসা মহাবিদ্যালয়-হস্পিতেলৰ নিচিনা প্ৰতিষ্ঠান এখনত ৱাৰ্মাৰৰ নাটনি হোৱা কথাটো হজম কৰিব পৰা নাযায়। কাৰণ, চিকিৎসা খণ্ড পৰিচালনাৰ বাবে ধনৰ অভাৱ হৈছে বুলিও ক'ব নোৱাৰি। যদি হৈছেও, অধ্যক্ষই বিচৰা মাত্ৰেই চৰকাৰে নিশ্চয় অভাৱ পূৰণত বিলম্ব নকৰে।

গুৱাহাটী চিকিৎসা মহাবিদ্যালয়- হস্পিতেলখনৰ ৱাৰ্ডবোৰৰ নাৰ্ছ, ৱাৰ্ড বয়, ডাক্তৰৰ কাম-কাজ আৰু ব্যৱহাৰ সম্পৰ্কে ৰোগীয়ে প্ৰকাশ কৰা কথাবোৰৰ ভিত্তি নাই বুলিও উৰুৱাই দিব নোৱাৰি। অকল জি. এম. চি. এইচ্.তেই নহয়, এনেকুৱা অভিযোগ ডিষ্ট্ৰিক্ট হস্পিতেল, পি. এইচ. চি. ৰ ক্ষেত্ৰতো আছে। সন্তান জন্ম হোৱাৰ পাছত অভিভাৱকক নাৰ্ছ, চাফাই কৰ্মী, ৱাৰ্ড বয় আদিয়ে টকা বিচাৰি হাৰাশাস্তি কৰাৰ কথা প্ৰায়েই শুনা যায়। টকা নিদিলে শিশুক মাকৰ গাখীৰ খাবলৈ নিদিয়া বা হস্পিতেলৰ পৰা যাবলৈ নিদিয়াৰ কথাও শুনা গৈছিল। পি.এইচ.চি.বোৰলৈ প্ৰসৱৰ বাবে মহিলা অহাৰ লগে লগে তাতেই ডেলিভাৰী কৰাব নে বাহিৰলৈ ৰেফাৰ কৰিব তাৰ বাবেও হেনোঁ পোনতে ৰোগী বা অভিভাৱকৰ লগত বন্দোৱস্ত কৰি লয়। তাৰ অৰ্থটো হৈছে - যদি মহিলা গৰাকীয়ে ডিউটিত থকা নাৰ্ছ গৰাকীক ৫০০ টকা (কমেও) দিব বুলি কয়, তেন্তে তেওঁ ডেলীভাৰী কৰি দিব। টকা দিবলৈ মান্তি নহ'লে কিবা অজুহাত দেখুৱাই মেডিকেল কলেজ হস্পিতেললৈ ৰেফাৰ কৰি দিয়ে। কোনো ক্ষেত্ৰত ডিউটি সলনি হোৱাৰ আগতে কিছুমান নাৰ্ছে, তেওঁ পাব লগীয়া পইচাকেইটা যাতে আনৰ হাতলৈ নাযায়, তাৰ বাবে (সকলো নাৰ্ছ একে নহয়, সকলো ডাক্তৰো একে নহয়) syntocinon জাতীয় injection দি হ'লেও আগতীয়াকৈ প্ৰসৱ কৰায়। কিছুমান ডাক্তৰে চৰকাৰী হস্পিতেলত চিজাৰিয়ান বা আন অপাৰেচন কৰাৰ বিনীময়ত টকা দাবী কৰাৰ কথা শুনা যায়। জি. এম. চি. এইচ্.তো তেনেকুৱা ঘটে বুলি মহিলা এগৰাকীয়ে কেমেৰাৰ সন্মুখত কৈছিল। এইবোৰ বৰ ডাঙৰ অভিযোগ। যদি এইবোৰ মিছা কথা, তেন্তে খণ্ডন কৰিব লাগে।

এইবোৰ কথাৰো উপযুক্ত অনুসন্ধান হোৱা উচিত। উচিতেই নহয়, বাধ্যতামূলক। যদি সেয়া সঁচা হয় তেনেহ'লে ৰোগীসকল এক ভীষণ ডাঙৰ চক্ৰান্তৰ মাজত সোমাই পৰিছে। যদি অভিযোগ মিছা, তেন্তে অপযশ দি মহান চিকিৎসা বৃত্তিটোক কলুষিত কৰিবলৈ চেষ্টা কৰা অপশক্তিক শাস্তি প্ৰদান কৰিব লাগে।

চাবলৈ গ'লে সমস্ত প্ৰক্ৰিয়াটোত প্ৰতিটো ক্ষেত্ৰতে শিশুবোৰৰ প্ৰতি উদাসীনতা (negligence) দেখুওৱা হৈছে। নাৰ্ছে নাৰ্ছৰ কামত, ডিউটিৰ ডাক্তৰে ডাক্তৰৰ কামত, অধ্যক্ষজনে অধ্যক্ষৰ কামত অৱহেলা কৰিছে। কিন্তু দোষী সাব্যস্ত কৰি অকল নাৰ্ছজনীকে এৰেষ্ট কৰিলে নহ'ব। অধ্যক্ষ আৰু ডিউটিত থকা ডাক্তৰক তৎকালীনভাৱে এৰেষ্ট নাইবা বৰ্খাস্ত নকৰাটোৱেই চৰকাৰী বিচাৰৰ স্বচ্ছতা প্ৰতিফলিত কৰা নাই। নাৰ্ছ গৰাকীক সুবিধাতে পাই শিশুটোৰ মৃত্যুৰ সকলো দোষ জাপি দিয়া যেন হৈছে। সৰু মানুহৰ দোষ সহজে ধৰা পেলাব পাৰি কিন্তু ডাঙৰ মানুহৰ দোষ বিচাৰ যোগ্য নহয় বুলি সকলো পক্ষকে পতিয়ন নিয়াবলৈ চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। আশা কৰা মতে চৰকাৰে সকলো পক্ষকে বিশ্বাস দিয়াব পাৰিব লাগিব বিচাৰ ব্যৱস্থাটো নিকা আৰু উচিত হৈছে বুলি। চিকিৎসা সেৱাৰ লগত জড়িত বিষয়বোৰত যাতে ভৱিষ্যলৈয়ো কাৰো গাফিলতি নহয়, সেয়া নিশ্চিত কৰিব লাগিব। সদ্যোজাত শিশুটিৰ প্ৰতিও চৰকাৰে ন্যায় প্ৰদান কৰিব লাগে। নিৰপেক্ষ অনুসন্ধান আৰু দোষীৰ উচিত শাস্তিয়ে শিশুটিৰ পিতৃ-মাতৃৰ অসহনীয় দুখৰ বোজা কিছু পৰিমাণে হ'লেও লাঘৱ কৰাৰ আশ্ৰয় এটা পাব।

প্ৰতিজন মানৱতাৰ পূজাৰীয়ে যদি নিজৰ কৰ্তব্য পালন কৰাত ব্যৰ্থ হয়, তেন্তে তাৰ সমান দুৰ্ভাগ্যৰ কথা একো নাথাকিব।

### মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই

# সদৌ অসম চুতীয়া ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস আৰু জনগোষ্ঠীয় সাংস্কৃতিক সমাৰোহ আয়োজন

**অসম বাৰ্তা, দুলীয়াজান, ২৫ আগষ্ট ঃ** অসমৰ অন্যতম ভূমিপুত্ৰ চুতীয়া জনগোষ্ঠীৰ একমাত্ৰ ছাত্ৰ সন্থাৰ সদৌ অসম চুতীয়া ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস আৰু জনগোষ্ঠীয় সাংস্কৃতিক সমাৰোহ অহা ইংৰাজী ১০ আৰু ১১ চেপ্তেম্বৰত দুদিনীয়া বিস্তৃত কাৰ্যসূচীৰে ডিব্ৰুগড় জিলা আৰু চৰাইদেউ জিলা চুতীয়া ছাত্ৰ সন্থাৰ আতিথ্যত, মৰাণ আঞ্চলিক আৰু মৰাণবাসী ৰাইজৰ সহযোগত মৰাণৰ ডোমৰ দলঙৰ বীৰাঙ্গণা সতী সাধনী ক্ষেত্ৰত অনুষ্ঠিত হ'ব। কাৰ্যসূচী অনুসৰি ১০ চেপ্তেম্বৰৰ পুৱা ৯ বজাত মূল মঞ্চৰ তোৰণ মুকলি কৰিব সদৌ চুতীয়া জাতি সন্মিলনৰ উপদেষ্টা কীৰ্তি চুতীয়াই। সংগঠনৰ পতাকা উত্তোলন কৰিব সদৌ অসম চুতীয়া ছাত্ৰ সন্থাৰ সভাপতি মহেন বৰাই আৰু স্মৃতি তৰ্পণ কৰিব সাধাৰণ সম্পাদক ৰাজু চুতীয়াই। বীৰাঙ্গনা সাধনী প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰিব চুতীয়া ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ক্ষিৰোদ শইকীয়াই। জাতীয় শ্বহীদ লীলাকান্ত দেউৰীৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰিব চুতীয়া ছাত্ৰ সন্থাৰ উপদেষ্টা মধুমাধৱ শইকীয়াই। বৃক্ষ ৰোপণ কৰিব বিশিষ্ট সমাজকৰ্মী নৰেন চুতীয়া, লোকনাথ বুঢ়াগোহাঁই, চন্দ্ৰ চুতীয়া, গোবিন তামোলী আৰু মহনলাল উপাধ্যায়ে। মঞ্চ মুকলি কৰিব অভ্যৰ্থনা সমিতিৰ কাৰ্যকৰী সভাপতি হেমন্ত চুতীয়াই। প্ৰতিযোগিতা উদ্বোধন কৰিব মৰাণ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষা আইভিলতা চুতীয়াই। সন্ধিয়া প্ৰজ্বলন কৰিব বিশিষ্ট সমাজকৰ্মী পূৰ্ণানন্দ চুতীয়াই আৰু চুতীয়া জনগোষ্ঠীয় কৃষ্টি প্ৰদৰ্শন আৰু স্থানীয় শিল্পীৰ সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিব চুতীয়া উন্নয়ন পৰিষদৰ উপাধ্যক্ষ প্ৰাঞ্জল ৰাজখনিকৰে। কাৰ্যসূচী দ্বিতীয় দিনা পুৱা ৮ বজাত সামূহিক চাফাইৰ পিছতে দেউকুবেৰ আৰু শলিতা লগোৱা সকামৰ পৰিচালনা কৰিব বৰ দেউৰী প্ৰতাপ নেওগ আৰু মাজু দেউৰী যতীন শইকীয়াই। ১০ বজাত অনুষ্ঠিত হ'ব লগা জনগোষ্ঠীয় সমাৰোহৰ সাংস্কৃতিক শোভাযাত্ৰা (প্ৰতিযোগিতামূলক) উদ্বোধন কৰিব অনুসূচিত জাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ সঞ্চালকালয়ৰ সঞ্চালক ড° কুলশ্ৰী নাথে আৰু শোভাযাত্ৰাত অংশগ্ৰহণ কৰিব অসমৰ জনপ্ৰিয় অভিনেত্ৰী প্ৰীতি কংকনাই। দুপৰীয়া ১২ বজাৰ পৰা অনুষ্ঠিত হ'ব লগা মুকলি সভা, বিশেষ সম্বৰ্ধনা, মুখপত্ৰ উন্মোচন, বঁটা বিতৰণী অনুষ্ঠান উদ্বোধন কৰিব অসম চৰকাৰৰ উদ্যোগ, সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰী বিমল বৰাই। ইয়াৰ পিছতে চুতীয়া ছাত্ৰ সন্থাৰ দৃষ্টিভংগী ব্যাখ্যা কৰিব সংগঠনটোৰ সম্পাদক ৰাজু চুতীয়াই। মুকলি সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। বিশেষ সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰিব ভাৰত চৰকাৰৰ বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু মুখ্য উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই। নিৰ্দিষ্ট বক্তা হিচাপে বক্তব্য প্ৰদান কৰিব জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জ্যোতিপ্ৰসাদ শইকীয়া আৰু এন ডি ২৪ মুখ্য সম্পাদক ৰাজদ্বীপ বাইলুং বৰুৱাই। বিশেষ সম্বৰ্ধনা জনাব বিশিষ্ট হস্ততাঁত শিল্পী পদ্মশ্ৰী হেমপ্ৰভা চুতীয়াক। চুতীয়া ছাত্ৰ সন্থাৰ মুখপত্ৰ উন্মোচন কৰিব কৃষি, আবকাৰী, অসম চুক্তি ৰূপায়ণ মন্ত্ৰী অতুল বৰাই। মুকলি সভাত অংশগ্ৰহণ কৰিব অসম চৰকাৰৰ কেইবাজনো মন্ত্ৰী আৰু বিধায়ক, বিশিষ্ট শিক্ষাবিদ, সমাজসেৱক, জাতীয়-জনগোষ্ঠীয় সংগঠনৰ শীৰ্ষ নেতৃত্বই। সন্ধিয়া ৭ বজাৰ পৰা অনুষ্ঠিত হ'ব লগা সাংস্কৃতিক সন্ধিয়াত গীত পৰিৱেশন কৰিব জনপ্ৰিয় কণ্ঠশিল্পী প্ৰিয়ংকা ভৰালীয়ে। প্ৰতিষ্ঠা দিৱস আৰু জনগোষ্ঠীয় সাংস্কৃতিক সমাৰোহৰ দুয়োটা দিনৰ কাৰ্যসূচীত ৰাইজৰ সহায়-সহযোগ, উপস্থিতি কামনা কৰিছে সংগঠনটোৱে।

# মাণিকপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ সমাৰোহ

**অসম বাৰ্তা, মানিকপুৰ, ২৫ আগষ্ট ঃ** বঙাইগাঁও জিলাৰ মাণিকপুৰ (পূৱ বিজনী) উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ সমাৰোহ আজি এদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হয়। ৰাতিপুৱা ৮.৩০ বজাত পতাকা উত্তোলনৰ কাৰ্যসূচীৰ জৰিয়তে সমাৰোহৰ কাৰ্যসূচী আৰম্ভ হয়। ১৯৪৬ চনত পূৱ বিজনী হাইস্কুল নামকৰণেৰে স্থাপন কৰিছিল। এই হাইস্কুলখনৰ প্ৰথমজন প্ৰধান শিক্ষক আছিল টিকেন্দ্ৰ নাথ পাটোৱাৰী। কিছু বছৰ পিছত এই হাইস্কুলৰ নাম সলনি কৰি মাণিকপুৰ হাইস্কুল হিচাপে নামকৰণ কৰে। আকৌ বৃহত্তৰ মাণিকপুৰ অঞ্চলৰ শিক্ষাৰ ওপৰত গুৰুত্ব প্ৰদান কৰি অসম চৰকাৰে একাদশ, দ্বাদশ (কলা আৰু বিজ্ঞান) শাখালৈ উন্নীত কৰি মাণিকপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় নামেৰে নামকৰণ কৰে। বৰ্তমান মাণিকপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় নামতে চলি আছে। ভাৰত স্বাধীন হোৱাৰ আগতে স্থাপন হোৱা এই হাইস্কুল পিছলৈ উচ্চতৰ মাধ্যমিকলৈ উন্নীত হোৱা বিদ্যালয় খনৰ নামনি অসমৰ লগতে জিলা খনৰ ভিতৰত আছে এক সুকীয়া গৰিমা। মাণিকপুৰ গোবিন্দ ভৱন গীতা সত্ৰৰ গাতে লাগি থকা বিদ্যালয় খনৰ পৰিচালনাৰ সমিতিৰ প্ৰতিষ্ঠাপক সভাপতিৰ দায়িত্বত থকা ব্যক্তিজন আছিল মাণিকপুৰ গোবিন্দ ভৱন গীতা সত্ৰৰ ডেকা সত্ৰাধিকাৰ শ্ৰী মদনমোহন পাঠক। মদন মোহন পাঠকৰ নিখুঁট পৰিচালনাত চলিত বিদ্যালয়খনে নামনি অসমৰ লগতে বঙাইগাঁও জিলাৰ ভিতৰত এক সুকীয়া স্থান দখল কৰিছিল আৰু বৰ্তমানও সেই স্থান অটুট ৰাখিবলৈ সক্ষম হৈছে। বৰ্তমানৰ অধ্যক্ষ শ্ৰী অশোক কুমাৰ নাথে। অশোক কুমাৰ নাথ এই বিদ্যালয়ৰ পৰাই হায়াৰ চেকেণ্ডাৰী পাছ কৰিছিল আৰু বৰ্তমান এই বিদ্যালয়তে অধ্যক্ষৰ পদ শুৱনি কৰি আছে। ইয়াৰোপৰি বহুতো শিক্ষক, অধ্যাপক-অধ্যাপিকা এই বিদ্যালয়ত শিক্ষা গ্ৰহণ কৰি বৰ্তমান এই বিদ্যালয়ত শিক্ষাদান কৰি নিজকে ধন্য মানিছে। কৃতজ্ঞতা স্বৰূপে প্ৰাক্তণ ছাত্ৰ সকলে ছাত্ৰ সমাৰোহৰ আয়োজন কৰিছে। এই সমাৰোহত দিনটোত কিছুমান উল্লেখনীয় কাৰ্যসূচীৰে উৎযাপন কৰি এক গৰিমা সৃষ্টিৰ প্ৰয়াস কৰিছে। এই সমাৰোহৰ লগত সংগতি ৰাখি এক বিশেষ সম্বৰ্ধনা কাৰ্যসূচী গ্ৰহণ কৰিছে। সন্ধিয়া ৬.৩০ বজাত বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানৰ সামৰণি পৰিব।

# পানেৰী অঞ্চলৰ বিশিষ্ট নাগৰিক, বয়োজ্যেষ্ঠ ব্যক্তি ৰমনীকান্ত চহৰীয়াৰ মৃত্যু

**ষ্টাফ ৰিপৰ্টাৰ, টংলা, ২৫ আগষ্ট ঃ** ওদালগুৰি জিলাৰ পানেৰী নিবাসী, কেইবাখনো শিক্ষানুষ্ঠানৰ প্ৰতিষ্ঠাপক, অসম সাহিত্য সভাৰ আজীৱন সভ্য ৰমনী কান্ত চহৰীয়াই আজি পুৱা ৭-৪৫ বজাত হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ ৯০ বছৰ বয়সত নিজ বাসভৱনত মৃত্যুমুখত পৰে। ১৯৩৪ চনৰ ১১ অক্টোবৰত পানেৰীত জন্ম লাভ কৰা প্ৰয়াত চহৰীয়া কমিনাথ চহৰীয়া আৰু ফুলেশ্বৰী চহৰীয়াৰ একমাত্ৰ সন্তান আছিল। তেওঁ ১৯৪১ চনত পানেৰী প্ৰাথমিক বিদ্যালয়ত প্ৰাথমিক শিক্ষা আৰম্ভ কৰে। ১৯৪৭ চনত টংলা মধ্য ইৰাজী বিদ্যালয়ত নামভৰ্তি কৰে। ইয়াৰ পিছত ১৯৫১ চনত টংলা হাইস্কুলত নামভৰ্তি কৰি ১৯৫৬ চনত মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯৫৯ চনত প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ পৰা আই. এ. ১৯৬৬ চনত কলা শাখাৰ স্নাতক, ১৯৭৩ চনত বি. টি. আৰু ১৯৮৯ চনত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। পঢ়ি থকা কালছোৱাতে তেওঁ ১৯৫৬ চনত মেলেৰিয়া বিভাগ আৰু পঞ্চায়তত চাকৰি কৰাৰ লগতে ঠিকাও কৰিছিল। ১৯৫৮ৰ পৰা ১৯৬০ লৈ গুৱাহাটী পশু চিকিৎসা মহবিদ্যালয়ত কাৰ্যালয় সহায়ক পদত আৰু পিছত ১৯৬০ৰ পৰা ১৯৬২ লৈ নুনমাটিৰ তেল শোধানাগাৰত চাকৰি কৰিছিল। তেল শোধানাগাৰৰ লোভনীয় চাকৰি ইস্তফা দি তেওঁ ১৯৬২ চনত পানেৰীত হাইস্কুল প্ৰতিষ্ঠা কৰি প্ৰতিষ্ঠাপক প্ৰধান শিক্ষকৰূপে শিক্ষকতা কৰে। ইয়াৰ পিছত ডিমাকুছিত এম. ই. স্কুল স্থাপন কৰি তাতো প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক হয়। ১৯৬৫ চনত ডিমাকুছিত হাইস্কুল প্ৰতিষ্ঠা হোৱাত তেওঁ হাইস্কুলৰো প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক ৰূপে কাৰ্য সম্পাদন কৰে। পুনৰ পানেৰীলৈ আহি তেওঁ পানেৰী এম.ই স্কুলৰ প্ৰধান শিক্ষক আৰু পিছত হাইস্কুলৰ সহকাৰী প্ৰধান শিক্ষক পদত কাৰ্যনিৰ্বাহ কৰে। হাইস্কুলখন উচ্চতৰ মাধ্যমিক পৰ্যায়লৈ উন্নীত হোৱাত তেৰোঁ উপাধ্যক্ষ পদলৈ উন্নীত হয় আৰু ১৯৯৬ চনৰ ৩১ জানুৱাৰীত অৱসৰ গ্ৰহণ কৰে। অৱসৰৰ পিছত তেওঁ টংলা অসম একাডেমীৰো অধ্যক্ষ পদত কাৰ্যনিৰ্বাহ কৰিছিল। তেওঁ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান তথা সমাজৰ বিভিন্ন কামত নিয়োজিত হৈ আছিল। পানেৰী মইনা পাৰিজাত, পানেৰী স্পৰ্টিং ক্লাৱ, পানেৰী বিহু সন্মিলনী, ভেৰগাঁও জিলা কোচ ৰাজবংশী সন্মিলনী, পানেৰী জৱাহৰলাল মজলীয়া বিদ্যালয়, পূব পানেৰী হাইস্কুল, পানেৰী আঞ্চলিক কৰ্মচাৰী পৰিষদ, ওদালগুৰি জিলা জ্যেষ্ঠ নাগৰিক সন্মিলন, অৱসৰপ্ৰাপ্ত শিক্ষক - কৰ্মচাৰী সংস্থা, পানেৰী দুৰ্গা মন্দিৰ আদিৰ সৈতে জড়িত আছিল। তেওঁ পানেৰী সাহিত্য সভাৰ সভাপতি পদো অলংকৃত কৰিছিল। অসম সাহিত্য সভাৰ তেওঁ এগৰাকী আজীৱন সভ্য। 'সৰ্বঢাক', 'জীৱনৰ আঁত বিচাৰি', 'ক্ষুদ্ৰ জীৱনী' আদি বাৰখন গ্ৰন্থৰ গ্ৰন্থকাৰ চহৰীয়া সত্তৰ দশকত হৰিশিঙা মণ্ডল কংগ্ৰেছৰ সভাপতি আছিল। তেওঁৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে ভালেসংখ্যক লোকে তেওঁৰ বাসগৃহত সমবেত হয়। ওদালগুৰি জিলা সাহিত্য সভা, টংলা সাহিত্য সভা, পানেৰী সাহিত্য সভা, পানেৰী আঞ্চলিক অৱসৰপ্ৰাপ্ত শিক্ষক সমাজ, পানেৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়, ভেৰগাঁও জিলা কোচ ৰাজবংশী সন্মিলনী, ওদালগুৰি জিলা আক্ৰাছু, পানেৰী আঞ্চলিক কলেজ, পানেৰী দুৰ্গা মন্দিৰ, পানেৰী সমবায় সমিতি, পূব পানেৰী হাইস্কুল, পূব পানেৰী শংকৰদেৱ নামঘৰ আদিয়ে মৃতকৰ প্ৰতি অন্তিম শ্ৰদ্ধা জ্ঞাপন কৰে। মৃত্যুৰ সময়ত তেওঁ পত্নী, এজন পুত্ৰ, তিনিগৰাকী কন্যা, জোঁৱাই-বোৱাৰীসহ অসংখ্য গুণমুগ্ধক এৰি থৈ যায়।

## নগাঁও জিলাৰ মহিলা কোচ ৰাজবংশী সাহিত্য সভা সমিতিৰ গঠনৰপ্ৰস্তুতি

**অসম বাৰ্তা, বঢ়মপুৰ, ২৫ আগষ্ট ঃ** নগাঁও জিলাৰ কোচ ৰাজবংশী সন্মিলনীৰ সহযোগিতাত নগাঁও জিলাৰ বিভিন্ন প্ৰান্তৰ কোচ জনগোষ্ঠীৰ লোকসকলক একত্ৰিত কৰি অহা ১৪ ছেপ্টেম্বৰৰ বিয়লি ১ বজাত নগাঁও বঢ়মপুৰৰ ঘোগৰগাঁও প্ৰাথমিক বিদ্যালয়ত কোচ সাহিত্যৰ প্ৰচাৰ সমৃদ্ধিশালী কৰাৰ উপৰিও কোচ ৰজা নৰনাৰায়ণৰ স্মৃতিচাৰণ ইত্যাদি বিভিন্ন বিষয় সামৰি নগাঁও জিলাৰ কোচ ৰাজবংশী সাহিত্য সভা সমিতি গঠনৰ বাবে প্ৰস্তুতি চলোৱা হৈছে। উক্ত সভাতে পুৰুষ আৰু মহিলাৰ উভয়ৰে দুখনকৈ সমিতি গঠন কৰা হ'ব। নগাঁও জিলাৰ বিভিন্ন প্ৰান্তৰ শুভাকাংক্ষী তথা ৰাইজৰ গঠনমূলক দিহা পৰামৰ্শ বিচাৰি মুখ্য আহ্বায়ক কেশৱ বৰাই এক বিজ্ঞপ্তিৰ জৰিয়তে অনুৰোধ জনাইছে। এই সম্পৰ্কে সবিশেষ জানিবলৈ ম'বাইল নম্বৰ ৯৮৫৪৪০৭৮০৪ৰ সৈতে আগতীয়াকৈ যোগাযোগ কৰিবলৈ আহ্বান জনাইছে।

# মাকুমত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক ক'লা পাতাকা প্ৰদৰ্শন কৰি প্ৰতিবাদ সাব্যস্ত আছাৰ

**অসম বাৰ্তা, মাকুম, ২৫ আগষ্ট ঃ** সদৌ অসম আদিবাসী ছাত্ৰ সন্থা (আছা) ৰ নৱনিৰ্বাচিত সমিতিয়ে আজি তিনিচুকীয়া মাকুমত কলা পতাকা প্ৰদৰ্শন কৰি প্ৰতিবাদ সাব্যস্ত কৰি ৩৭ নং আৰু ৩৮ নং ৰাষ্ট্ৰীয় ঘাইপথত প্ৰায় এঘণ্টা বন্ধ কৰে লগতে জাতিগত প্ৰমাণপত্ৰ আৰু জনজাতিকৰণ নোহোৱা পয্যন্ত প্ৰতিবাদ সাব্যস্ত অব্যাহত থাকিব বুলি আছাৰ সাধাৰণ সম্পাদক দেবেন উৰাঙে জানিবলৈ দিয়ে। অহা কাইলৈ কোকোৰাঝাৰত মুখ্যমন্ত্ৰীৰ আগমনত তীব্ৰ প্ৰতিবাদ কৰি কলা পতাকা প্ৰদৰ্শন কৰিব সংগঠনটোৱে। আগন্তুক দিনতো বিজেপি নেতৃত্বাধীন চৰকাৰখনে আদিবাসী ৰাইজক কৰি অহা প্ৰবল প্ৰতাৰণাৰ উচিৎ প্ৰতুত্তৰ দিয়াৰ হুংকাৰ প্ৰদান কৰিছে সদৌ অসম আদিবাসী ছাত্ৰ সন্থা (আছ) ই। আছাই বি জে পি চৰকাৰক উদেশ্যি মুকলি প্ৰশ্ন কৰিছে আদিবাসী সকলক জনজাতি মযাদা এতিয়ালৈকে কিয় প্ৰদান কৰা নহল? আদিবাসী সকলক শুদ্ধ জাতিগত প্ৰমাণপত্ৰ কিয় এতিয়ালৈকে প্ৰদান কৰা নহল? ২০২২ চনত ৰূপায়িত চুক্তি কিয় এতিয়ালৈকে প্ৰদান কৰা নহ'ল? আদিবাসী বিদ্ৰোহী সংগঠনৰ কেডাৰ সকলক এতিয়ালৈকে কিয় সংস্থাপন কৰা নহল? আদিবাসী সকলক ম্যাদী মাটি পট্টা এতিয়ালৈকে কিয় প্ৰদান কৰা নহ'ল? আদিবাসী চাহ শ্ৰমিক সকলক ন্যূনতম মজুৰি ৫৫১ টকালৈকে কিয় বৃদ্ধি কৰা নহ'ল? এই প্ৰশ্ন সমূহৰ উত্তৰ দিলেহে আদিবাসী অধ্যুষিত গাঁও আদিবাসী অঞ্চলত মুখ্যমন্ত্ৰী আৰু বিজেপি চৰকাৰৰ মন্ত্ৰী বিধায়ক প্ৰবেশ কৰিব পাৰিব অন্যথাই আছাই বিজেপি দলৰ প্ৰৱেশ নিষিদ্ধ কৰিব সংগঠনটোৱে। আদিবাসী জনগোষ্ঠীটোক দীৰ্ঘদিন ভোট বেংক হিচাপে ব্যৱহাৰ কৰি আহিছে কিন্তু জনগোষ্ঠীটোৰ সমস্যা মূহ সামাধান কৰাৰ অকণমানো গুৰুত্ব প্ৰদান কৰা নাই। বিটিএডি ৰ আদিবাসী ৰাইজৰ খবৰ লোৱাৰ সময় নোপোৱা মুখ্যমন্ত্ৰীজনে আগন্তুক হ'বলগীয়া বিটিএডি পৰিষদীয় নিৰ্বাচনৰ আগত চাহ শ্ৰমিক ৰাইজৰ পাচবুক একাউণ্টত পাছ হাজাৰ টকা ভৰ্তি কৰা অৰুণোদয় আৰু গৃহ প্ৰদান কৰৰা প্ৰতিশ্ৰুতি প্ৰদান কৰিবলৈ আজি ওৰাং চাহ বাগিচালৈ আহিছে মাত্ৰ ভোট ভিক্ষা বিচাৰি। আদিবাসী চাহ শ্ৰমিকৰ মূল্য মাত্ৰ পাঁচ হেজাৰ নেকি বুলি সংগঠনটোৱে প্ৰশ্ন কৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু বিজেপিৰ নেতাসকলৰ নিৰ্বাচন আহিলেই আদিবাসী ৰাইজৰলৈ মনত পৰে বুলি সংগঠনটোৱে ক্ষোভ প্ৰকাশ কৰে। আছাই ওৰাংত আজি কলা পতাকা পদৰ্শন কৰি বিজেপি হায় হায় বিজেপি গ' বেগ হিমন্ত বিশ্ব শৰ্মা মূৰ্দাবাদ সৰ্বানন্দ সোণোৱাল মূৰ্দাবাদ পিযুষ হাজৰিকা মূৰ্দাবাদ জয়ন্ত মল্ল মূৰ্দাবাদ কামাখ্যা প্ৰসাদ মূৰ্দাবাদ ৰামেশ্বৰ তেলী মূৰ্দাবাদ ৰূপেশ গোৱালা মূৰ্দাবাদ দিলীপ শইকীয়া মূৰ্দাবাদ বিশ্বজিৎ দৈমাৰী মূৰ্দাবাদ পল্লবলোচন দাস মূৰ্দাবাদ কামাখ্যা প্ৰসাদ তাচা হায় হায় আছা জিন্দাবাদ উই ওৱাণ্ট এচ টি ন' এচ টি ন' ৰেষ্ট আদিবাসী চাহ শ্ৰমিকক ম্যাদী পট্টি প্ৰদান কৰক চাহ শ্ৰমিক সকলক ৫৫১ টকালৈ বৃদ্ধি কৰক আদিবাসী সকলক শুদ্ধ জাতিগত প্ৰমাণপত্ৰ প্ৰদান কৰক আদি বিভিন্ন শ্ল'গান প্ৰদান কৰি প্ৰতিবাদ সাব্যস্ত কৰে বুলি আছাৰ সাধাৰণ সম্পাদক গৰাকী এক প্ৰেছ বিবৃতি যোগে জানিবলৈ দিয়ে। আজিৰ প্ৰতিবাদী কায্যসূচীত সভাপতি ৰেজান হৰো উপ সভাপতিত্ৰয় অমৰজিত কেৰ্কেটা এলবাৰ্ট ওৰেয়া চাক্ৰিয়াচ চৰেন বেনেডিক টপ্প যুটীয়া সম্পাদক বিশাল কৰ্মকাৰ প্ৰচাৰ সম্পাদক মিটু কিস্কু ডিব্ৰুগড় জিলাৰ যুটীয়া সম্পাদক মিটু কিস্কু প্ৰচাৰ সম্পাদক মিখেল পুতী ধুবুৰী জিলাৰ সম্পাদক মাথিও বাৰ্লা জানী শক্তি সংহতি তিনিচুকীয়া জিলাৰ সভানেত্ৰী জুচপিনা তিৰ্কী সাধাৰণ সম্পাদিকা অনিলা কৰ্মকাৰ তিনিচুকীয়া জিলাৰ সভাপতি এলবাৰ্ট ওৰেয়া সম্পাদক জাৰ্নেল মিঞ্জ আছাৰ তিনিচুকীয়া জিলাৰ অন্তৰ্গত সকলো আঞ্চলিকৰ কৰ্মকৰ্তাৰ লগতে জানি শক্তিৰ কৰ্মকৰ্তাসকল উপস্থিত থাকে।

### ভৱিষ্যত পৰিকল্পনা সন্দৰ্ভত ৰাইজৰ মতামত গ্ৰহণ

# মাজুলীৰ বিধায়ক ভুবন গামৰ উদ্যোগত নাগৰিক সভা

**উজনী মাজুলী/বনগাঁও, ২৫ আগষ্ট ঃ** মাজুলীৰ বিধায়ক ভুৱন গামৰ উদ্যোগত শ্ৰীশ্ৰী উত্তৰ কমলাবাৰী সত্ৰৰ মুকলি প্ৰেক্ষাগৃহত আজি এখনি নাগৰিক সভা অনুষ্ঠিত হয়। অৱসৰপ্ৰাপ্ত শিক্ষক, সমাজকৰ্মী নীলমনি নাথৰ সঞ্চালনাত অনুষ্ঠিত সভাখনি শ্ৰীশ্ৰী উত্তৰ কমলাবাৰী সত্ৰৰ বৰ্ষীয়ান বৈষ্ণৱ পদ্মশ্ৰী গোপীৰাম বুঢ়াভকতে বন্তি প্ৰজ্বলন কৰাৰ পিছতে মাধৱ কলিতাৰ নেতৃত্বত এটি শিল্পীদলে বৰগীত পৰিৱেশন কৰি আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। সভাত জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠক, জ্যেষ্ঠ আৰক্ষী অধীক্ষক বিৱেকানন্দ দাস, শিক্ষাবিদ ড° কৰুণা বৰা, জিলা বিজেপিৰ প্ৰাক্তন সভাপতি প্ৰমোদ বৰা, জিলা বিজেপিৰ বৰ্তমানৰ দীপক গোস্বামীকে ধৰি মাজুলীৰ বহুসংখ্যক বিশিষ্ট তথা জ্যেষ্ঠ নাগৰিক আৰু ৰাইজ উপস্থিত থাকে। আদৰণি ভাষণ প্ৰদান কৰি বিধায়ক ভুবন গামে নিজৰ মনৰ কথা প্ৰকাশ কৰি কয়, বিধায়ক হৈ মাজুলীৰ বাবে কি কৰিলে সেয়া প্ৰকাশ কৰা আৰু ভৱিষ্যতৰ পৰিকল্পনা সন্দৰ্ভত ৰাইজৰ মতামত গ্ৰহণ কৰাৰ মানসেৰে আজিৰ নাগৰিক সভাখনি আয়োজন কৰা বুলি ব্যক্ত কৰে। প্ৰসংগক্ৰমে বিধায়ক গামে মাজুলীৰ ফুটুকি গাঁৱৰ পৰা গুৱাহাটীলৈ গৈ প্ৰথমে ফুটপাথত দোকান আৰম্ভ কৰি বৰ্তমান এই অৱস্থা পোৱাত সন্মুখীন হোৱা সংগ্ৰামৰ বিষয়ে উল্লেখ কৰে। ২০১৩ চনত বিজেপিত যোগদান কৰি নেৰানেপেৰা প্ৰচেষ্টাৰে দলৰ সেৱা কৰি অৱশেষত বিধায়ক হৈ মাজুলীবাসীৰ সেৱা কৰাৰ সুযোগৰ সদ্ব্যৱহাৰ কৰা বুলি ব্যক্ত কৰে। বিধায়ক গৰাকীয়ে প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ নেতৃত্বত মাজুলী বহুদূৰ আগুৱাই যোৱা বুলি উল্লেখ কৰি বৰ্তমানৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই মাজুলীৰ উন্নয়নক আৰু অধিক গতিশীল কৰি তোলা বুলি ব্যক্ত কৰে। অনুষ্ঠানত মাজুলীৰ বিভিন্ন ক্ষেত্ৰ বিশেষকৈ মীন, লোকনিৰ্মাণ, পৰ্যটন আদি বিভাগৰ জৰিয়তে সাধন হোৱা উন্নয়নমূলক কাম আৰু আঁচনিসমূহ প্ৰজেক্টৰৰ দ্বাৰা প্ৰদৰ্শন কৰে। ইয়াৰ পিছতে 'বিকশিত মাজুলীৰ অবিৰত উন্নয়নৰ জলধাৰা' শীৰ্ষক এখনি পুস্তিকা উন্মোচন কৰে ডঃ কৰুণা বৰাই।

### কৃষক ছাইদুল ইছলামৰ দুই হত্যাকাৰীক লৈ ঘটনাস্থলীত অভিযান আৰক্ষীৰ

# ভূৰাগাঁৱৰ নৃশংস হত্যাকাণ্ডৰ ৮ হত্যাকাৰীক গ্ৰেপ্তাৰ

### গুণ্ডাৰাজৰ চৰম সীমা অতিক্ৰম গুণ্ডাবাহিনীৰ

**অসম বাৰ্তা, ভূৰাগাঁও, ২৫ আগষ্ট ঃ** মৰিগাঁও জিলাৰ ভূৰাগাঁৱৰ কৃষক ছাইদুল ইছলামৰ নৃশংস হত্যাকাণ্ডৰে জড়িত থকাৰ অভিযোগত ৮টা নৰপিষাচক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। পলাতক অৱস্থাত আছে কেবাটাও হত্যাকাৰী। ধৃত হত্যাকাৰী কেইটা ক্ৰমে - ইয়াছিন আলী, ইলিয়াছ হুছেইন, ইনছান আলী, ইব্ৰাহিম আলী, ইনামুল হক, ইক্ৰামুল হক, আব্দুল মোতালেব আৰু জুবাইৰ আলম। আনহাতে পলাতক অৱস্থাত আছে ছাদ্দাম হুছেইন, বাবুল আলী, আনাৰুল ইছলাম, জিয়াৰুল হক, জালাল উদ্দিন আৰু আবেদা খাতুনকে ধৰি গুণ্ডাবাহিনী টোৰ কেবাজনো লোক। আজি অনুমানিক আবেলি ৪ মান বজাত চি আৰ পি এফ জোৱান সহ এটা আৰক্ষী দলে কটকটীয়া নিৰাপত্তা ব্যৱস্থাৰ মাজত আৰক্ষীৰ জিন্মাত থকা হত্যাকাণ্ডৰ মাষ্টাৰ মাইণ্ড ইয়াছিল আলী আৰু ইক্ৰামুল হকক লগত লৈ ইয়াৰ ঘটনাস্থলীত উপস্থিত হৈ হত্যাকাণ্ডত ব্যৱহৃত অস্ত্ৰ-সস্ত্ৰৰ সন্ধান কৰে। ঘটনা স্থলীৰ পৰা আৰক্ষীৰ দল টোৱে এখন দা জব্দ কৰে। উল্লেখ্য যে ধৃত ইয়াছিল আলী নামৰ মাতব্বৰ গুণ্ডাটোৰ নেতৃত্বত এটা ১১ - ১২ জনীয়া এটা গুণ্ডাবাহিনীয়ে হাতে হাতে লাঠি, জোং, তৰুৱাল, দা, ৰ'ড আদি লৈ ছাইদুল ইছলামৰ এটুকুৰা মাটি জোৰ দখল কৰাৰ উদেশ্যে উপস্থিত হৈ ১৭ আগষ্টত ট্ৰেক্টৰ লগাই হাল মাৰিবলৈ আৰম্ভ কৰিছিল। ছাইদুল ইছলাম নামৰ কৃষক জনৰ মাটিত মাতব্বৰ বাহিনীটোৱে হাল বোৱা কাৰ্যত বাধা দিবলৈ আগবাঢ়িছিল ছাইদুল ইছলাম। লগে লগে পূৰ্ব পৰিকল্পিত ভাৱে সাজু থকা মাতব্বৰ ইয়াছিল আলীৰ গুণ্ডাবাহিনীয়ে ঘেৰি ধৰিছিল অকলশৰীয়া ছাইদুল ইছলামক। আজি সংবাদ মাধ্যমৰ আগত মৃত ছাইদুল ইছলামৰ নাবালক দুই সন্তানে ভয়ংকৰ বৰ্ণনা দাঙি ধৰে গোটেই হত্যাকাণ্ডৰ। দুয়োটা নাবালক সন্তানৰ সন্মুখতে গুণ্ডাবাহিনী টোৱে নৃশংসভাৱে আক্ৰমণ কৰিছিল পিতৃ ছাইদুল ইছলামক। মৃত ছাইদুলৰ ১২ বছৰীয়া ছোৱালী ছাদিয়া খাতুনে কয় যে - মৃত-পিতৃক প্ৰথমে ছাদ্দাম হুছেইন, বাবুল আলী আৰু আনাৰুল ইছলাম নামৰ লোক কেইজনে কঁকালত গবা মাৰি ধৰিছিল। আৰু সেই সময়তে এজন লোকে ছাইদুলৰ ভৰিৰ পিছফালে ঘপিয়াইছিল। তেনে সময়তো মৃত ছাইদুলে সিহঁতৰ পৰা ৰক্ষা পাবলৈ চেষ্টা কৰিছিল আৰু ছাইদুলে হাতত থকা মবাইল ফোনটো কাষতে কান্দি থকা ৮ বছৰীয়া সন্তান মুস্তাকিনৰ গালৈ দলিয়াই দিছিল। ৮ বছৰীয়া সন্তান মুস্তাকিনে মোবাইলটো হাতত তুলি লৈছিল মৃত পিতৃৰ পৰা। দুই সন্তান মুস্তাকিন আৰু ছাদিয়া খাতুনে কান্দি কানি পিতৃক নামাৰিবলৈ অনুনয় বিনুনয় কৰে যদিও ভৰিত ঘপিয়াই আহত কৰা পিতৃক পুনৰ ধৃত ইয়াছিন আলী, ইনছান আলী, ইলিয়াছ হুছেইন, ইক্ৰামুল হক, ইব্ৰাহিম আলী, ইনামুল হক আৰু জুবাইৰ আলম ওচৰ চাপি আহি প্ৰথমে তৰুৱালেৰে দুয়োখন হাতত ঘপিয়াই। লগে লগে পিতৃ ছাইদুল ইছলাম মাটিত বহি পৰে। পিতৃ ছাইদুল ইছলাম তেজেৰে ৰাঙলি হৈ মাটিত বহি পৰাৰ পাছত আক্ৰমণকাৰী দলটো আঁতৰি যাব ধৰে যদিও আতৰত ৰৈ থকা ইকতিয়াৰ উদ্দিন, গিয়াছ উদ্দিন, আৰু আবেদা খাতুনে পুনৰ দল টোক মাৰিবলৈ নিৰ্দেশ দিয়াত দল টোৱে পুনৰ কোৰ, লাঠি, আদিৰে ছাইদুল ইছলামক মূৰত উপৰ্যুপৰি টঙনিয়াই মাটিত পেলাই থৈ গুছি যায়। আক্ৰমণকাৰী গোটেই দল টোক পিছত তাৰ পৰা জিয়াৰুল নামৰ গুণ্ডা টোৱে নিৰাপদে লৈ যায়। মুঠতে ছাইদুল ইছলামৰ নৃশংস হত্যাকাণ্ড টোৰ নিৰব দৰ্শক হব লগা হ'ল ছাইদুলৰ ১২ বছৰীয়া কণ্যা ছাদিকা খাতুন আৰু ৮ বছৰীয়া পুত্ৰ মুস্তাকিন। পুত্ৰ আৰু কণ্যাই সংবাদ মাধ্যমৰ আগত আজি দাঙি ধৰে কৃষক জনৰ নৃশংস হত্যাকাণ্ডৰ সমগ্ৰ ঘটনা। এনেক্ষেত্ৰত আৰক্ষীয়ে বৰ্তমানলৈ আঠজন অভিযুক্তক গ্ৰেপ্তাৰ কৰিছে যদিও পলাতক অৱস্থাত থকা গুণ্ডাবাহিনী টোৰ আন আন সদস্য সকলকো গ্ৰেপ্তাৰ কৰি ফাৰ্ষ্টটেক আদালতত গোছৰ পক্ৰীয়া আগবঢ়াই হত্যাকাৰী গুণ্ডাবাহিনী টোৰ আতাইকেইটাকে দৃষ্টান্তমূলক শাস্তি প্ৰদান কৰিবৰ বাবে দাবী জনাইছে স্থানীয় শান্তিপ্ৰিয় লোকে।

# বাক্সাৰ খৈৰাণীত স্বাধীনতা সেনানী শ্বহীদ মেজৰ দুৰ্গামল্লৰ সোঁৱৰণত বলিদান দিৱস

**অসম বাৰ্তা, বাগানপাৰা, ২৫ আগষ্ট ঃ** বাক্সাৰ খৈৰাণী দুৰ্গা মল্ল স্মৃতি সংঘৰ উদ্যোগত ২৫ আগষ্টত দিনযোৱা কাৰ্যসূচীৰে স্বাধীনতা সেনানী শ্বহীদ মেজৰ দুৰ্গামল্লৰ সোঁৱৰণত ৮১ সংখ্যক বলিদান দিৱস উদযাপন কৰা হ'ব। কাৰ্যসূচী অনুসৰি সমূহীয়া চাফাই, পতাকা উত্তোলন, গছপুলি ৰোপণ, স্মৃতি তৰ্পণ, খেল-ধেমালি কুইজ প্ৰতিযোগিতাৰ লগতে মুকলি আৰু সম্বৰ্ধনা সভা অনুষ্ঠিত হ'ব। দুৰ্গা মল্ল স্মৃতি সংঘৰ সভাপতি গোপাল উপাধ্যায়ৰ সভাপতিত্বত অনুষ্ঠিত হ'ব লগা মুকলি সভা উদ্বোধন কৰিব পাগলাদিয়াপাৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক নাৰায়ণ ওস্তীয়ে। মুকলি সভাত বগুলামাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰঞ্জিত ভণ্ডাৰী আৰু শ্ৰীপঞ্চমী হিমালী হাইস্কুলৰ শিক্ষক খৰ্গ ৰাইয়ে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰিব দুৰ্গা মল্ল স্মৃতি সংঘৰ প্ৰাক্তন সভাপতি নেত্ৰভূষণ খড়কা আৰু বড়িকাদঙা মধ্য ইংৰাজী বিদ্যালয়ৰ শিক্ষক ভবাণী শংকৰ পৌড়েলে। সভাত সন্মানিত অতিথি ৰূপে অংশগ্ৰহণ কৰিব পাগলাদিয়াপায় মাধ্যমিক বিদ্যালয়ৰ শিক্ষক ৰঘুনাথ শৰ্মা, নেপালী সাহিত্য সভাৰ মধ্যমবাৰী শাখাৰ প্ৰতিষ্ঠাপক সম্পাদক পুষণ বাহাদুৰ ভণ্ডাৰী আৰু শ্ৰীপঞ্চমী হিমালী হাইস্কুলৰ শিক্ষক সোমনাথ গৌতমে। সভাত হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত সৰ্বোচ্চ নম্বৰ প্ৰাপ্ত কৃতিমান ছাত্ৰ-ছাত্ৰী সকলক স্বৰ্গীয় লোকেন্দ্ৰ শৰ্মা আৰু স্বৰ্গীয় ভীম বাহাদুৰ ছেত্ৰী স্মৃতি পুৰস্কাৰ প্ৰদান কৰা হ'ব।

# বিন্নাকান্দি খণ্ড উন্নয়ন বিষয়াৰ বিৰুদ্ধে জিলা আয়ুক্তক অভিযোগ দাখিল

**অসম বাৰ্তা, মোৰাঝাৰ, ২৫ আগষ্ট ঃ** হোজাই জিলাৰ বিন্নাকান্দি উন্নয়ন খণ্ডৰ অন্তৰ্গত নামডবকা গাওঁ পঞ্চায়তৰ ইকবাল হুছেইন নামৰ এজন সচেতন যুৱকে খণ্ড উন্নয়ন বিষয়া নৱজিত তালুকদাৰৰ বিৰুদ্ধে হোজাই জিলা আয়ুক্ত লৈ এখন লিখিত অভিযোগ দাখিল কৰে। অভিযোগ অনুসৰি খণ্ড উন্নয়ন বিষয়া গৰাকী সপ্তাহৰ অধিকাংশ সময় কাৰ্যালয়ত অনুপস্থিত থকাৰ বাবে উন্নয়ন খণ্ডৰ অন্তৰ্গত নৱ-নিৰ্বাচিত পঞ্চায়ত প্ৰতিনিধি সকল বহু সমস্যাৰ সন্মুখীন হবলগীয়া হৈছে। যুৱক জনৰ অভিযোগ মতে পঞ্চায়তৰ উন্নয়নৰ এটা কামৰ বাবে কেইবাবাৰো উন্নয়ন খণ্ডৰ কাৰ্যালয়লৈ গৈছিল, কিন্তু কাৰ্যালয়ৰ সময়ত খণ্ড উন্নয়ন বিষয়া গৰাকী উপস্থিত নথকাৰ অভিযোগ উত্থাপন কৰে। এয়া বিষয়া গৰাকীয়ে নিয়মীয়া সমস্যাত পৰিণত হৈছে বুলি অভিযোগত উল্লেখ কৰে। উল্লেখ্য যে খণ্ড উন্নয়ন বিষয়া গৰাকীৰ অনুপস্থিতিৰ বাবে ৰাজহুৱা কাম-কাজ আৰু আঁচনি সমূহ যেনে- এম জি এনৰেগা, পি এম এ ৱাই, বৃদ্ধ পেঞ্চন, বিধৱা পেঞ্চন, গ্ৰাম্য উন্নয়ন সেৱা আদিকৰি পঞ্চায়তৰ উন্নয়ন স্থবিৰ হৈ পৰিছে। বিশেষ সূত্ৰে জানিব পৰা মতে বিষয়া গৰাকীয়ে কাৰ্যালয়ত অনুপস্থিত থাকি দুই এজন বেণ্ডৰৰ লগত মিতিৰালি কৰি বিভিন্ন আঁচনিৰ ধন আত্মসাৎ কৰাৰ চেষ্টা অব্যাহত ৰাখিছে। এই বিষয়ে হোজাই জিলা আয়ুক্তই হস্তক্ষেপ কৰি পঞ্চায়তৰাজৰ উন্নয়নৰ স্বাৰ্থত বিহীত ব্যৱস্থা গ্ৰহণ কৰাৰ দাবী জনায় ইকবালে।

**অসম বাৰ্তা, বকো, ২৫ আগষ্ট ঃ** দক্ষিণ কামৰূপ জিলা কোচ ৰাজবংশী কালচাৰেল ছছাইটি, দক্ষিণ কামৰূপ জিলা কোচ ৰাজবংশী যুৱ ছাত্ৰ সন্মিলনীৰ উদ্যোগত আৰু উত্তৰ ভোলাগাঁও, দক্ষিণ ভোলাগাঁও, মাগুৰপাৰা হাৰোপাৰা প্ৰাথমিক গোটৰ সহযোগত শিকাৰহাটীৰ অৰুণোদয় কালচাৰেল ক্লাৱত ২০ আগষ্ট দিনাখনৰ পৰা আৰম্ভ হোৱা কোচ ৰাজবংশী লোকনৃত্য, গীত আৰু বাদ্যৰ ৫ দিনীয়া কৰ্মশালাখন আজি কোচ ৰাজবংশী লোকনৃত্য, গীত মাতেৰে আনুষ্ঠানিক ভাৱে সামৰণি কৰা হয়। দক্ষিণ কামৰূপ জিলা কোচ ৰাজবংশী কালচাৰেল ছছাইটিৰ সভাপতি পংকজবীৰ দাস সম্পাদক মিণ্টু পাটোৱাৰী আৰু সাংকৃতিক সম্পাদক ৰুবুল দাসে জনোৱা অনুসৰি কৰ্মশালাখনত প্ৰায় ১৫০ গৰাকী প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। এই কৰ্মশালা খনত সুন্দৰ কৈ প্ৰশিক্ষণ দিয়ে কোকৰাঝাৰৰ পৰা আমন্ত্ৰণ জনোৱা কোচ ৰাজবংশী কালচাৰেলৰ মুখ্য প্ৰশিক্ষক প্ৰিতম কোচে। সেয়ে আজি কৰ্মশালাৰ শেষৰ দিনাখন ১৫০ গৰাকী প্ৰশিক্ষাৰ্থী পদৰ্শন কৰিলে কোচ ৰাজবংশী কুযান নৃত্য আৰু গোৱালিনী নৃত্য। আজিৰ এই কৰ্মশালা অনুষ্ঠানখনত উপস্থিত থাকে পলাশবাৰী সমষ্টিৰ বিধায়ক তথা কোচ ৰাজবংশী জাতীয় নেতা হেমাংগ ঠাকুৰীয়া, সদৌ অসম কোচ ৰাজবংশী যুৱ ছাত্ৰ সন্মিলনীৰ কাৰ্যকৰী সভাপতি অনুপম দাস, দক্ষিণ কামৰূপ জিলা কোচ ৰাজবংশী সন্মিলনীৰ সম্পাদক দীপক কুমাৰ ৰয়, সহকাৰী সম্পাদক সুভাষ দাস আৰু কাৰ্যালয় সম্পাদক পবিত্ৰ কুমাৰ দাস, দক্ষিণ কামৰূপ জিলা কোচ ৰাজবংশী যুৱ ছাত্ৰ সন্মিলনীৰ সভাপতি মিলন কুমাৰ দাস, সম্পাদক দিপেন দাসৰ, লুকী শাখাৰ সম্পাদক অশ্বিনী লহকৰ লগতে, দক্ষিণ কামৰূপ জিলা কোচ ৰাজবংশী কালচাৰেল ছছাইটি আৰু দক্ষিণ কামৰূপ জিলা কোচ ৰাজবংশী যুৱ ছাত্ৰ সন্মিলনীৰ বহু কেইজন বিষয় ববীয়া।

### শিকাৰহাটীত কোচ ৰাজবংশী লোকনৃত্য, গীত আৰু বাদ্যৰ ৫ দিনীয়া কৰ্মশালাৰ সফল সামৰণি

# ৭ কোটি টকা ব্যয়েৰে নিৰ্মিত যোগীঘোপাৰ বৰজানা আদৰ্শ উচ্চ বিদ্যালয় নিৰ্মাণত দুৰ্নীতিৰ অভিযোগ

**ষ্টাফ ৰিপ'টাৰ, বঙাইগাঁও, ২৫ আগষ্ট ঃ** ৰাজ্যত তোলপাৰ লগোৱা সহকাৰী অভিযন্তা জ্যোষিতা দাসৰ আত্মহনন কাণ্ডই লোক নিৰ্মাণ বিভাগ কেনেদৰে পৰিচালিত হয় তাৰ প্ৰকৃত ছবিখন ৰাইজৰ আগত উন্মোচিত কৰি দিছিল। লোকনিৰ্মণ বিভাগটোৰ উক্ত দুৰ্নীতিৰ চৰ্চা অব্যাহত থকাৰ সময়তে বঙাইগাঁও জিলাতে লোক নিৰ্মাণ বিভাগৰ(গৃহ) জৰিয়তে ৰূপায়িত বিদ্যালয়ৰ গৃহ নিৰ্মাণত ব্যাপক দুৰ্নীতি আৰু অনিয়ম সংঘটিত হোৱা বুলি বিভাগীয় কৰ্তৃপক্ষ আৰু নিৰ্মাণকাৰী প্ৰতিষ্ঠানৰ বিৰুদ্ধে অভিযোগ উত্থাপিত হৈছে। ইতিমধ্যে সাত কোটি টকা ব্যয় সাপেক্ষে আঁচনিখনৰ নিৰ্মাণত ব্যাপক দুৰ্নীতি সংঘটিত হোৱা বুলি স্থানীয় ৰাইজে জিলা আয়ুক্তক অভিযোগ দাখিল কৰাত ইতিমধ্যে দণ্ডাধীশ পৰ্যায়ৰ তদন্তও আৰম্ভ হৈছে। জানিব পৰা মতে জিলাখনৰ যোগীঘোপা অঞ্চলৰ বৰজানা উচ্চতৰ মাধ্যমিক বিদ্যালয়খন নতুনকৈ আদৰ্শ বিদ্যালয় হিচাৱে ঘোষণা কৰে। সেইমতে ৰাজ্য চৰকাৰৰ লোক নিৰ্মাণ (গৃহ আৰু ৰাষ্ট্ৰীয় ঘাইপথ) বিভাগৰ অধীনত শিক্ষা বিভাগে গৃহ নিৰ্মাণৰ বাবে গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন পুঁজি ২০২৩-২৪ৰ অধীনত বিদ্যালয়খন গৃহ আদিকে ধৰি বিভিন্ন বিষয়ত নিৰ্মাণ কাৰ্যৰ বাবে ৭ কোটি টকা আৱণ্টণ দিয়ে। স্থানীয় বিধায়ক প্ৰদীপ সৰকাৰৰ উপস্থিতিত ৰাজ্য চৰকাৰৰ কেবিনেট মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে বিদ্যালয় গৃহ নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰে। গৃহ নিৰ্মাণৰ ঠিকা লাভ কৰে বহু বিতৰ্কিত গৌতম কন্সট্ৰাকচন নামৰ নিমাৰ্ণকাৰী প্ৰতিষ্ঠানে। পিছে নিৰ্মাণকাৰী প্ৰতিষ্ঠানটোৱে বিদ্যালয়ৰ গৃহ নিৰ্মাণৰ আৰম্ভণিতে দুৰ্নীতিৰ আশ্ৰয় লোৱাৰ অভিযোগ উত্থাপিত হয়। অভিযোগ মতে বিভাগীয় বিষয়া, অভিযন্তাৰ সেইজ সংকেতত নিৰ্মাণকাৰী সংস্থাটোৱে অধিক মুনাফা লুটাৰ বাবে অতি নিম্নমানৰ ইটা, শিল, বালি আৰু চিমেণ্ট ব্যৱহাৰ কৰে। এনে অৱস্থাত ৭ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰা বিদ্যালয় গৃহ নিৰ্মাণত নিৰ্মাণকাৰী প্ৰতিষ্ঠান আৰু বিভাগীয় কৰ্তৃপক্ষই ব্যাপক দুৰ্নীতি সংঘটিত কৰাত নিৰ্মাণকাৰ্যৰ মানদণ্ডও তথৈবচ হৈ পৰে। ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষামন্ত্ৰীক নিৰ্মাণকাৰী প্ৰতিষ্ঠানৰ বিৰুদ্ধে এক উচ্চ পৰ্যায়ৰ তদন্ত দাবী উত্থাপন কৰিছে স্থানীয় ৰাইজে।

## ইউটিউবাৰ, ইনফ্লুৱেন্সাৰক

লাভৰ বাবে কাৰো আৱেগক আঘাত কৰিব নোৱাৰে। ন্যায়াধীশ সূৰ্যকান্ত আৰু ন্যায়াধীশ জয়মল্য বাগচীৰ বিচাৰপীঠে কিউৰ এছ এম এ ফাউণ্ডেচন ইণ্ডিয়াৰ আৰ্জিৰ শুনানিৰ সময়ত এই নিৰ্দেশ জাৰি কৰে। এই স্বেচ্ছাসেৱী সংগঠনটোৱে বিশেষভাৱে সক্ষম ব্যক্তিৰ বিৰুদ্ধে কৌতুকৰ মাধ্যমেৰে সমালোচনা কৰা কনটেণ্টৰ বিৰুদ্ধে আৰ্জি দাখিল কৰিছিল। সংগঠনটোৱে স্পাইনেল মাস্কুলাৰ এট্ৰফি (এছ এম এ) ৰোগত আক্ৰান্ত ৰোগী আৰু তেওঁলোকৰ পৰিয়ালক সহায় কৰে। সমালোচনাৰ সন্মুখীন হোৱা কমেডিয়ানসকলৰ ভিতৰত সময় ৰাইনা, বিপুন গোৱাল, বলৰাজ পৰমজিৎ সিং ঘাই, সোণালী ঠাকুৰ আৰু নিশান্ত জগদীশ তনৱাৰৰ নাম উল্লেখযোগ্য। শুনানিৰ সময়ত ন্যায়াধীশ বাগচীয়ে মন্তব্য কৰে, “হাস্যৰস জীৱনৰ এক গুৰুত্বপূৰ্ণ অংশ, আৰু আমি নিজৰ ওপৰত কৌতুক গ্ৰহণ কৰিব পাৰো। কিন্তু যেতিয়া কৌতুকৰ মাধ্যমেৰে আনৰ সংবেদনশীলতাক আঘাত কৰা হয়, তেতিয়া ই কেৱল অক্ষমতাৰ বিষয় নহয়। আমাৰ দেশত বিভিন্ন সম্প্ৰদায় বাস কৰে। যদি কোনো সম্প্ৰদায়ক লক্ষ্য কৰি হাস্যৰসৰ নামত আঘাত কৰা হয়, তেন্তে সেয়া সমস্যাৰ সৃষ্টি কৰে। ইউটিউবাৰ আৰু তথাকথিত ইনফ্লুৱেন্সাৰসকলে এই বিষয় মনত ৰাখিব লাগিব।” কেন্দ্ৰ চৰকাৰৰ হৈ হাজিৰ হোৱা এটৰ্নী জেনেৰেল আৰ ভেংকটৰমণিয়ে আদালতক জনায় যে চৰকাৰে কমেডিয়ান আৰু ইনফ্লুৱেন্সাৰসকলৰ বাবে নিৰ্দেশনা প্ৰস্তুত কৰিবলৈ কিছু সময়ৰ প্ৰয়োজন। তেওঁ কয়, “আমি চেষ্টা কৰিছো যাতে এই নিৰ্দেশনাসমূহ যিমান সম্ভৱ সংবেদনশীল হয়। যদি তাৰ পিছতো কোনো ভুল হয়, তেন্তে তাৰ দায় কাৰোবাৰ ওপৰত পৰিব লাগিব।” ফাউণ্ডেচনৰ প্ৰতিনিধি জ্যেষ্ঠ অধিবক্তা অপৰাজিতা সিঙে যুক্তি দি কয়, “সুবুদ্ধিৰ প্ৰাধান্য থাকিব লাগে। সকলো কমেডিয়ান ইতিমধ্যে ক্ষমা বিচাৰিছে।” তেওঁ চিনেমাটʼগ্ৰাফ আইনৰ উল্লেখ কৰি কয় যে বিশেষভাৱে সক্ষম ব্যক্তিৰ বিৰুদ্ধে কৌতুক কৰাটো সংবেদনশীলতাৰ পৰিপন্থী। তেওঁৰ মতে, এই বিষয়ত নিৰ্দিষ্ট নিৰ্দেশনা থাকিব লাগে যাতে কোনো ব্যক্তিৰ অক্ষমতাৰ কাৰণে তেওঁক ঠাট্টাৰ লক্ষ্য কৰা নহয়। ন্যায়াধীশ সূৰ্যকান্তে মন্তব্য কৰে যে সংশ্লিষ্ট মন্ত্ৰণালয়ক এই বিষয়ত কিছুমান ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিয়া উচিত। বিচাৰপীঠে জোৰ দি কয় যে এই নিৰ্দেশনা কেৱল এটা নিৰ্দিষ্ট ঘটনাৰ প্ৰতিক্ৰিয়া হিচাপে নহয়, বৰং বহল ভিত্তিত প্ৰস্তুত কৰা উচিত। তেওঁলোকে বিশেষজ্ঞৰ মতামতো লʼব বিচাৰে। কমেডিয়ানসকলৰ প্ৰতিনিধি অধিবক্তাই জনায় যে তেওঁলোকৰ মক্কেলসকলে নিঃচৰ্ত ক্ষমা বিচাৰিছে। আদালতত সময় ৰাইনাকে ধৰি গোচৰত নাম উল্লিখিত অন্যান্য কমেডিয়ান উপস্থিত আছিল। ন্যায়াধীশ সূৰ্যকান্তে উত্তৰদাতাসকলক শাস্তিৰ বিষয়ে সতৰ্ক কৰি কয়, “আজিৰ বিষয় বিশেষভাৱে সক্ষম ব্যক্তিৰ সৈতে জড়িত, কিন্তু ভৱিষ্যতে এইটো মহিলা, জ্যেষ্ঠ নাগৰিক বা শিশুৰ ক্ষেত্ৰতো হʼব পাৰে। এই ধাৰাৰ শেষ কʼত?” অপৰাজিতা সিঙে পৰামৰ্শ দিয়ে যে শাস্তিৰ পৰিৱৰ্তে কমেডিয়ানসকলক বিশেষভাৱে সক্ষম ব্যক্তি আৰু বিৰল ৰোগত আক্ৰান্ত ৰোগীৰ কল্যাণৰ বাবে কাৰ্যকলাপত অৰিহণা যোগাবলৈ নিৰ্দেশ দিয়া হʼব পাৰে, যিটো হʼব তেওঁলোকৰ ক্ষমাৰ সৰ্বোত্তম প্ৰকাশ। কমেডিয়ানসকলৰ অধিবক্তায় এই প্ৰস্তাৱ সমৰ্থন কৰে। বিচাৰপীঠে নিৰ্দেশ দিয়ে যে কমেডিয়ানসকলে তেওঁলোকৰ ইউটিউব চেনেলত ক্ষমা বিচাৰিব লাগিব আৰু জৰিমনা হিচাপে কিমান ধনৰাশি প্ৰদান কৰিবলৈ ইচ্ছুক, তাকো উচ্চতম ন্যায়ালয়ক জনাব লাগিব। এই গোচৰৰ পৰৱৰ্তী শুনানি নৱেম্বৰ মাহৰ বাবে নিৰ্ধাৰণ কৰা হৈছে। এই আৰ্জি ইউটিউবাৰ ৰণবীৰ এলাহবাদিয়াৰ বিৰুদ্ধে উত্থাপিত ইণ্ডিয়াছ গট লেটেণ্টৰ বিতৰ্কৰ সৈতে জড়িত।

## মুখ্যমন্ত্ৰীয়ে পুলিচ মিলিটেৰিৰ

কৰি সাংসদ গৌৰৱ গগৈয়ে আগন্তুক ২০২৬-ৰ বিধানসভা নিৰ্বাচনক কেন্দ্ৰ কৰি ৰাজ্যজুৰি জনসংযোগৰ কাৰ্যসূচী অব্যাহত ৰাখিছে। শেহতীয়াকৈ লখিমপুৰ জিলা কংগ্ৰেছৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ পিছত সন্ধিয়া চেলেক ধুনাগুৰি ঘাটেৰে মাজুলীত আহি উপস্থিত হয়। সাংসদ গৰাকীক মাজুলী জিলা কংগ্ৰেছৰ নেতৃত্বই ঘাটতে আদৰণি জনোৱাৰ পিছত সাংবাদিকৰে মুখামুখি হোৱাত সাংসদ গৰাকীয়ে অসমৰ সাম্প্ৰতিক ৰাজনৈতিক পৰিস্থিতিৰ সন্দৰ্ভত কেইবাটাও গুৰুত্বপূৰ্ণ মন্তব্য কৰে। বিশেষকৈ একাংশ দল সংগঠনে সাংসদ অজিত কুমাৰ ভূঞাক উজনি অসমত প্ৰৱেশ নিষিদ্ধ কৰাৰ বিষয় সন্দৰ্ভত কয় কংগ্ৰেছ দলৰ স্থিতি স্পষ্ট আমি অসমৰ ভিতৰত এজনো বিদেশী নিবিচাৰোঁ। অসম চুক্তি কিয় কৰিছিল। আমি বিচাৰোঁ মোদী ডাঙৰীয়াৰ কথাখিনি ৰাইজৰ মনত আছেনে নাই। তেওঁ কৈছিল ১৬ মেʼৰ পিছত এজনো বিদেশী নাথাকিব। এই বিষয়ত বৰ্তমানৰ অসমৰ চৰকাৰেখনে কি কৰিলে। যোৱা ১০টা বছৰে একো নকৰিলে কেৱল নিজৰ সম্প্ৰতি পাহাৰ বনালে, কমিচনৰ বজাৰ মেলিলে চিণ্ডিকেট আদিৰহে আঁত ধৰিলে বুলি তেওঁ তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। তেওঁ ৰাইজে কথাবোৰ বুজি পাইছে বুলি উল্লেখ কৰে। ইফালে শিলচৰত কংগ্ৰেছ নেতাৰ পদত্যাগ সন্দৰ্ভত গৌৰৱ গগৈয়ে বিষয়বোৰ আলোচনাৰ মাজেৰে ভুল বুজাবুজিৰ অন্ত পেলোৱা হʼব বুলি উল্লেখ কৰে। ইফালে দেশজুৰি ভোট চুৰিক লৈ হৈ থকা তীব্ৰ বিতৰ্কৰ সন্দৰ্ভত সংসদত আলোচনাৰ সুবিধা নিদিয়াৰ সন্দৰ্ভত সাংসদ গৰাকীয়ে সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত কয় ছুপ্ৰিম কোৰ্টে কেন্দ্ৰীয় নিৰ্বাচন আয়োগক স্থিতিৰ বিপক্ষে ৰায় দান দিয়াৰ বিপৰীতে চৰকাৰে এই বিষয়ত আলোচনাৰ পোষকতা নকৰাটোৱেই চৰকাৰে যে জনসাধাৰণৰ মনৰ কথা শুনিবলৈ নিবিচাৰে তাৰেই প্ৰমাণ হʼল বুলি উল্লেখ কৰে। ইফালে যোৰহাট মাজুলী দলংৰ নিবিদা প্ৰক্ৰিয়া অন্ত হোৱাৰ পিছতো দলংৰ পুনৰ নিৰ্মাণৰ কাম আৰম্ভ হোৱাত পলম হোৱাৰ সন্দৰ্ভত তেওঁ কয় চৰকাৰৰ এতিয়া এই বিষয়ত গুৰুত্ব নাই। ইয়াৰ বিপৰীতে মুখ্যমন্ত্ৰী ডঃহিমন্ত বিশ্ব শৰ্মাই পুলিচ মিলিটেৰিৰ ভয় খুৱাই সাংবাদিক, সমাজ সেৱক আৰু বিৰোধী দল সমূহক দমন কৰিছে বুলি গৌৰৱ গগৈয়ে মন্তব্য কৰে। অতি গুৰুত্বপূৰ্ণ দলং খনৰ কাম গতিশীল কৰাৰ বিপৰীতে তেওঁ ভয় ভাবুকিৰহে এক পৰিৱেশ তৈয়াৰ কৰাত লাগিছে, ভাষীক সংখ্যালঘু ৰাইজক উচ্ছেদ কৰি ভূমিৰ অধিকাৰ কাঢ়ি নিজৰ চাৰিত্ৰিক ৰাজনীতি কৰিছে আৰু নিজৰ নামত মাটি লৈছে আৰু আদানী আম্বাণীক দিছে বুলি গৌৰৱে উল্লেখ কৰে। সাংসদ গৰাকীয়ে সাংসদ এলেকা উন্নয়ন পুজিৰ কামৰ লগতে দলীয় গুৰুত্বপূৰ্ণ কামৰ বাবে মাজুলীত উপস্থিত হোৱা বুলি লগতে জানিবলৈ দিয়ে।

## ভাৰত-পাকিস্তান ক্ৰিকেট

এছিয়া কাপৰ এদিনীয়া ক্ৰিকেট মেচৰ প্ৰস্তুতি তুংগত উঠিছে। কিন্তু এই মেচৰ পৰা ভাৰতীয় দলৰ অংশগ্ৰহণ প্ৰত্যাহাৰৰ দাবী উত্থাপন কৰিছে অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি তথা যোৰহাটৰ সাংসদ আৰু লোকসভাৰ বিৰোধী উপ-দলপতি গৌৰৱ গগৈ। গৌৰৱ গগৈয়ে ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ বʼৰ্ড (বিচিচিআই)ৰ সচিব দেৱজিৎ শইকীয়ালৈ এখন পত্ৰ প্ৰেৰণ কৰি এই মেচৰ পৰা ভাৰতৰ নাম প্ৰত্যাহাৰৰ বাবে জোৰাল অনুৰোধ জনাইছে। তেওঁৰ পত্ৰত তেওঁ উল্লেখ কৰিছে যে ভাৰত-পাকিস্তানৰ মাজৰ বৰ্তমানৰ জটিল কূটনৈতিক সম্পৰ্কৰ পৰিপ্ৰেক্ষিতত ক্ৰিকেটৰ দৰে জনপ্ৰিয় খেলত অংশগ্ৰহণৰ পৰিৱৰ্তে ৰাষ্ট্ৰীয় স্বাৰ্থক অগ্ৰাধিকাৰ দিয়া উচিত। গগৈয়ে তেওঁৰ পত্ৰত কৈছে, “সীমান্তত উত্তেজনা এতিয়াও অব্যাহত আছে। ভাৰতীয় সশস্ত্ৰ বাহিনীৰ ত্যাগ আৰু সাহসৰ কথা আমি সকলোৱে অৱগত। এনে পৰিস্থিতিত পাকিস্তানৰ সৈতে দ্বিপাক্ষিক ক্ৰিকেট মেচ খেলাটো ৰাষ্ট্ৰীয় স্বাৰ্থৰ বিৰুদ্ধে যায়।” তেওঁ লগতে উল্লেখ কৰিছে যে পহলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ পিছত ভাৰতে আন্তৰ্জাতিক মঞ্চত পাকিস্তানৰ সন্ত্ৰাসবাদৰ সৈতে জড়িত থকাৰ অভিযোগ তুলিছে আৰু পাকিস্তানৰ সৈতে সকলো ধৰণৰ সম্পৰ্ক এৰাই চলিবলৈ পদক্ষেপ গ্ৰহণ কৰিছে। গৌৰৱ গগৈয়ে প্ৰধানমন্ত্ৰীৰ উক্তি উল্লেখ কৰি কয়, “প্ৰধানমন্ত্ৰীয়ে কৈছিল যে পানী আৰু তেজ একেলগে বৈ যাব নোৱাৰে।” তেওঁৰ মতে, এনে সময়ত পাকিস্তানৰ সৈতে ক্ৰিকেটৰ সম্পৰ্ক অব্যাহত ৰাখিলে ভাৰতৰ জনতাৰ ৰাষ্ট্ৰীয় সুৰক্ষাৰ প্ৰতি দৃঢ় মনোভাৱৰ বিৰুদ্ধে এক ভুল বাৰ্তা প্ৰেৰিত হʼব পাৰে। ইয়াৰ উপৰিও, গগৈয়ে উল্লেখ কৰিছে যে পাকিস্তানে সুৰক্ষাৰ কাৰণ দেখুৱাই ভাৰতত হকী খেলৰ পৰা নিজৰ নাম প্ৰত্যাহাৰ কৰিছিল। তেওঁৰ মতে, বৰ্তমানৰ পৰিস্থিতিত পাকিস্তানৰ সৈতে ক্ৰিকেটৰ সম্পৰ্ক পুনৰ আৰম্ভ কৰিলে ৰাষ্ট্ৰীয় সুৰক্ষা আৰু কূটনৈতিক বিষয়ৰ গুৰুত্ব হ্ৰাস পোৱাৰ আশংকা আছে। তেওঁ বিচিচিআইক আহ্বান জনাইছে যে ৰাষ্ট্ৰীয় স্বাৰ্থ, সুৰক্ষা আৰু সাৰ্বভৌমত্বৰ প্ৰতি সন্মান জনাই পাকিস্তানৰ সৈতে ক্ৰিকেটৰ সম্পৰ্ক স্থগিত ৰাখিব লাগে। গৌৰৱ গগৈয়ে বিচিচিআইৰ সচিব দেৱজিৎ শইকীয়াক পত্ৰযোগে অনুৰোধ কৰিছে যে ভাৰতীয় ক্ৰিকেট দলক ১৪ ছেপ্টেম্বৰৰ নিৰ্ধাৰিত মেচত অংশগ্ৰহণৰ পৰা বিৰত ৰাখিবলৈ প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰক। উল্লেখযোগ্য যে গৌৰৱ গগৈয়ে বিগত কেইবাদিন ধৰি সামাজিক মাধ্যম এʼত মন্তব্যৰ জৰিয়তে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক আহ্বান জনাইছে। তেওঁ মুখ্যমন্ত্ৰীক বিচিচিআইৰ সচিব দেৱজিৎ শইকীয়াৰ সৈতে বন্ধুত্বৰ সম্পৰ্ক থকাৰ সুবাদে এই মেচ বাতিল কৰাৰ বাবে হস্তক্ষেপ কৰিবলৈ অনুৰোধ কৰিছে।

## যদি ৰামদেৱে উৰিয়ামঘাটৰ

আৰু নিজৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ বাহিৰে এই চৰকাৰে জনসাধাৰণৰ বাবে একো কৰিব পৰা নাই।” সোমবাৰে লখিমপুৰত গৌৰৱ গগৈৰ ফেন ক্লাবৰ উদ্যোগত আয়োজিত ‘গেট ফিট আছাম’ কাৰ্যসূচীত অংশগ্ৰহণৰ পিছত সাংবাদিকৰ সৈতে কথা পাতি তেওঁ বিজেপিৰ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ বিৰুদ্ধে আক্ৰমণাত্মক মন্তব্য কৰে। তেওঁ কয়, “কেন্দ্ৰত সৰ্বানন্দ সোণোৱাল, অমিত শ্বাহৰ দৰে নেতাসকলে আৰু ৰাজ্যত বিজেপি চৰকাৰে দশ বছৰ ধৰি কেৱল বিফলতাৰ নিদৰ্শন দেখুৱাইছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ১৬ মেʼৰ পিছত সকলো বাংলাদেশীক ‘টালি-টোপোলা’ লৈ বিদায় কৰাৰ প্ৰতিশ্ৰুতি দিছিল, কিন্তু তেওঁলোক সেই ক্ষেত্ৰতো ব্যৰ্থ হৈছে।” গগৈয়ে আৰু উল্লেখ কৰে যে বিজেপি চৰকাৰে বিগত দশকত না শুদ্ধ এনআৰচি (NRC) প্ৰক্ৰিয়া সম্পন্ন কৰিব পাৰিলে, না অসম চুক্তিৰ ৬ নম্বৰ দফা কাৰ্যকৰী কৰি অসমীয়া জনগণৰ বাবে সাংবিধানিক সুৰক্ষা প্ৰদান কৰিব পাৰিলে। তেওঁ সমালোচনা কৰি কয়, “বিজেপিয়ে কেৱল আদানী আৰু আম্বাণীৰ দৰে শিল্পপতিৰ হাতত মাটি তুলি দিছে, নিজৰ পৰিয়ালৰ স্বাৰ্থ ৰক্ষা কৰিছে, আৰু নেতাসকলে বাগিচা কিনিছে। দুখীয়া মানুহক উচ্ছেদ কৰাৰ বাহিৰে তেওঁলোকৰ হাতত আন কোনো উল্লেখযোগ্য কাম নাই। এই সময়ছোৱাত আদানী, আম্বাণী, পতঞ্জলিৰ দৰে ব্যৱসায়ী গোষ্ঠী আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা কোটিপতি হৈছে।” অবৈধ বাংলাদেশী আৰু উচ্ছেদৰ বিষয়ত গৌৰৱ গগৈয়ে কংগ্ৰেছৰ স্পষ্ট স্থিতি প্ৰকাশ কৰি কয়, “অসমত আমি এজনো অবৈধ বাংলাদেশীক গ্ৰহণ নকৰো। কিন্তু চৰকাৰে যিসকলক উচ্ছেদ কৰিছে, তেওঁলোকৰ ভিতৰত কিমানজন প্ৰকৃত বাংলাদেশী? চৰকাৰে কিয় সন্দেহজনক ব্যক্তিৰ তদন্ত কৰি তেওঁলোকৰ জাতীয়তা নিৰ্ধাৰণ নকৰে? এই সন্দেহজনক ব্যক্তিসকল কিমানদিন এনেদৰে সন্দেহৰ মাজত থাকিব?” তেওঁ চৰকাৰক প্ৰশ্ন কৰি কয়, “বিদেশী বুলি প্ৰমাণিত হʼলে তেওঁলোকক সীমান্তৰ জৰিয়তে বিতাড়ন কৰক। দশ বছৰ ধৰি এই কথা কোৱা হৈছে, কিন্তু চৰকাৰে এই ক্ষেত্ৰত কি কৰিলে?” তীব্ৰ সমালোচনা অব্যাহত ৰাখি গগৈয়ে কয়, “যদি ৰামদেৱে উৰিয়ামঘাটৰ উচ্ছেদ কৰা মাটিৰ বাবে ফোন কৰে, চৰকাৰে দি দিব। যদি আদানীয়ে চলাৰ প্লাণ্টৰ বাবে মাটি বিচাৰে, তাকো দি দিব। অসমৰ জনতা এই সকলো কাৰ্যকলাপ বুজি পাইছে। ২০২৬ৰ নিৰ্বাচনত অসমৰ ৰাইজে এই কাৰণতেই হিমন্ত বিশ্ব শৰ্মাক ৰাজনীতিৰ পৰা বিদায় দিব।” ইয়াৰ সমান্তৰালভাৱে, গৌৰৱ গগৈয়ে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক ব্যংগাত্মকভাৱে অভিনন্দন জনাই কয়, “আজিৰ তাৰিখত হিমন্ত বিশ্ব শৰ্মা উত্তৰ-পূৰ্বাঞ্চলৰ মুখ্যমন্ত্ৰীসকলৰ ভিতৰত অন্যতম ধনী মুখ্যমন্ত্ৰী। তেওঁক এই সাফল্যৰ বাবে শুভেচ্ছা জনাইছো।” তদুপৰি, অসমত উচ্চ শিক্ষাৰ প্ৰসাৰৰ কথা উল্লেখ কৰি গগৈয়ে সমালোচনা কৰে যে উচ্চ শিক্ষানুষ্ঠানত নিযুক্তি পোৱা ব্যক্তিসকল ছাত্ৰ-ছাত্ৰীৰ প্ৰতি দায়বদ্ধ নহয়। তেওঁৰ মতে, বিজেপি চৰকাৰৰ এই দায়িত্বহীনতা শিক্ষাৰ ক্ষেত্ৰতো তেওঁলোকৰ বিফলতাৰ প্ৰমাণ।

## অসমৰ সমস্যাসমূহ আগতকৈ

সমালোচনা কৰে। সংবাদমেলৰ পিছত তেওঁ প্ৰেছ ক্লাবৰ সদস্যসকলৰ সৈতে মতবিনিময় কৰে আৰু বিভিন্ন বিষয়ত নিজৰ দৃষ্টিভংগী প্ৰকাশ কৰে। দেৱব্ৰত শইকীয়াই সংবাদমেলত কয়, “বঙাইগাঁও এখন ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিকভাৱে গুৰুত্বপূৰ্ণ চহৰ। বৃটিছৰ আমোলত এই চহৰত বিভিন্ন উদ্যোগ স্থাপন হৈছিল। কিন্তু অসম গণ পৰিষদে, যিয়ে দীৰ্ঘদিন ধৰি এই অঞ্চলৰ প্ৰতিনিধিত্ব কৰি আহিছে, নাগৰিকত্ব সংশোধনী আইন ২০১৯ৰ ক্ষেত্ৰত কোনো কাৰ্যকৰী ভূমিকা পালন কৰা নাই। ১৯৮৫ৰ অসম চুক্তিৰ জৰিয়তে বিদেশী বহিষ্কাৰৰ প্ৰতিশ্ৰুতি থাকিলেও, ২০১৯ত এই আইনৰ সমৰ্থন কৰাটো এটা উল্লেখযোগ্য ৰাজনৈতিক ভুল।” তেওঁ আৰু উল্লেখ কৰে যে ২০১৫ত শাসনলৈ আহি বিজেপিয়ে কংগ্ৰেছৰ শাসনকালত অসম্পূৰ্ণ থকা কামসমূহ সম্পন্ন কৰাৰ প্ৰতিশ্ৰুতি দিছিল। কিন্তু ন বছৰ ছমাহৰ পিছতো তেওঁলোকৰ এটাও প্ৰতিশ্ৰুতি পূৰণ হোৱা নাই। শইকীয়াৰ মতে, “অসমৰ সমস্যাসমূহ আগতকৈ অধিক জটিল হৈ পৰিছে। তামুলপুৰত মৰেল পুলিচিঙৰ ঘটনাৰ দৰে দুৰ্ভাগ্যজনক ঘটনাই চৰকাৰৰ ব্যৰ্থতা প্ৰকাশ কৰে।” তেওঁ SIR (সমন্বিত ৰাজ্যিক পঞ্জীয়ন)ৰ প্ৰসংগত কয়, “বিহাৰত সংঘটিত ঘটনাৰ দৰে পৰিস্থিতি অসমত এৰাই চলিবলৈ আমি আমাৰ দলীয় কৰ্মীসকলক সচেতন কৰিবলৈ অভয়াপুৰীত তেওঁলোকৰ সৈতে সাক্ষাৎ কৰিম।” নাগৰিকত্ব সংশোধনী আইন আৰু অবৈধ বাংলাদেশীৰ বিষয়ে শইকীয়াই কয়, “অসমত আমি কোনো বাংলাদেশীক গ্ৰহণ নকৰো। ১৯৭১ৰ ২৪ মাৰ্চৰ পিছত অসমলৈ অহা অবৈধ বাংলাদেশীসকলক গ্ৰেপ্তাৰ কৰি তেওঁলোকৰ দেশলৈ প্ৰত্যৰ্পণৰ ব্যৱস্থা কৰা উচিত, যিটো অসম চুক্তিৰ মূল উদ্দেশ্য। নাগৰিকত্ব সংশোধনী আইন ২০১৯ৰ পিছত অসমত অস্থিৰতাৰ সৃষ্টি হৈছে, আৰু ইয়াৰ বাবে চৰকাৰ দায়ী। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ১৬ মাৰ্চৰ পিছত বাংলাদেশীসকলক ‘টালি-টোপোলা’ লৈ খেদাৰ কথা কৈছিল, কিন্তু তেওঁলোকৰ সেই প্ৰতিশ্ৰুতিও পূৰণ হোৱা নাই। এই আইনৰ জৰিয়তে ভাতৃঘাতী সংঘৰ্ষৰ পৰিস্থিতি সৃষ্টিৰ চেষ্টা কৰা হৈছে।” বিতৰ্কিত মানৱাধিকাৰ কৰ্মী ছৈয়দা হামিদৰ মন্তব্যৰ প্ৰতিক্ৰিয়া জনাই শইকীয়াই কয়, “ছৈয়দা হামিদে উচ্ছেদৰ বিষয়ত কেৱল এটা নিৰ্দিষ্ট জনগোষ্ঠীৰ পক্ষ লৈ ৰাজনৈতিক উদ্দেশ্যৰে মন্তব্য কৰিছে, যিটো গ্ৰহণযোগ্য নহয়। পৰ্বতঝোৰা, বড়মপুৰ, পলাশবাৰীত আদানী গ্ৰুপৰ এৰোচিটি প্ৰকল্পৰ বাবে বিভিন্ন জাতি-জনগোষ্ঠীৰ অসমীয়া লোককো উচ্ছেদৰ জাননী দিয়া হৈছে। তেওঁলোকৰ বিষয়েও হামিদে কথা কʼলে ভাল আছিল। অসমৰ বৃহত্তৰ স্বাৰ্থৰ বাবে তেওঁৰ মন্তব্য কোনো কাৰ্যকৰী ভূমিকা পালন কৰা নাই।” শইকীয়াই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জলজীৱন মিছন প্ৰকল্পৰ ব্যৰ্থতাৰ সমালোচনা কৰি কয়, “অসম চৰকাৰে এই প্ৰকল্প বাস্তৱায়িত কৰাত সম্পূৰ্ণৰূপে ব্যৰ্থ হৈছে। ঠিকাদাৰসকলে এতিয়াও তেওঁলোকৰ বিল পোৱা নাই, আৰু কাম অসম্পূৰ্ণ থকাৰ বাবে অসমৰ জনসাধাৰণে বিশুদ্ধ পানীৰ সুবিধা লাভ কৰা নাই।”

## কেনিয়াৰ পৰা আমদানিকৃত

শইকীয়াই সামাজিক মাধ্যমৰ জৰিয়তে এই আশংকা প্ৰকাশ কৰিছে। এই সম্পৰ্কে খুমটাই সমষ্টিৰ বিধায়ক মৃণাল শইকীয়াই সামাজিক মাধ্যমৰ তেওঁৰ পেজৰ 8 PM শিতানত TEA BOARD INDIA, NARENDRA MODI, HIMANTA BISWA SARMAক টেগ্ কৰি লিখিছিল এনেদৰে “ভাৰত বিশ্বৰ দ্বিতীয় বৃহৎ চাহ উৎপাদনকাৰী দেশ। ভাৰতীয় চাহৰ বিশ্বৰ বজাৰত চাহিদা আছে। এই কৃতিত্বত অসম চাহৰ অৱদান অনন্য। কিন্তু দিনক দিনে কেনিয়াৰ পৰা হোৱা আমদানিকৃত চাহৰ বৃদ্ধিয়ে অসম তথা ভাৰতীয় চাহলৈ ভাবুকি কঢ়িয়াই আনিছে। দেখা পোৱা গৈছে যে, কেনিয়াৰ পৰা টাটা, হিন্দুস্তান ইউনিলিভাৰ আদি প্ৰায় ৩০০ৰো অধিক কোম্পানীয়ে নিম্ন মানদণ্ডৰ আৰু নিম্ন মূল্যৰ চাহ ভাৰতলৈ আমদানি কৰি উচ্চ মানৰ ভাৰতীয়/অসম চাহৰ লগত মিহলাই (Blending) পুনৰ বিদেশলৈ ৰপ্তানী কৰাৰ লগতে ঘৰুৱা বজাৰতো বিক্ৰী কৰি আছে। ইয়াৰ ফলত প্ৰকৃত ভাৰতীয়/অসম চাহৰ চাহিদা নিম্নগামী হৈ মূল্য হ্ৰাস ঘটিছে। অসমৰ ক্ষুদ্ৰ চাহ খেতিয়কসকলৰ লগতে ডাঙৰ চাহ বাগিছাসমূহতো ইয়াৰ প্ৰভাৱ বাৰুকৈয়ে পৰিছে আৰু কেঁচা চাহপাতৰ মূল্যৰ লগতে প্ৰস্তুত চাহৰ মূল্য দ্ৰুত গতিত হ্ৰাস পাইছে। উল্লেখযোগ্য যে অসমত থকা ডাঙৰ চাহ বাগিছাৰ লগত জড়িত থকা লক্ষাধিক লোকৰ লগতে ক্ষুদ্ৰ চাহ খেতিৰ লগতো লক্ষাধিক লোক প্ৰত্যক্ষভাৱে জড়িত হৈ আছে। শুল্কবিহীন ( Tariff free ) এই আমদানি ব্যৱস্থাটোৰ যদি পৰিৱৰ্তন কৰা নহয় তেন্তে অসম চাহৰ মৃত্যু ঘণ্টা বজাটো প্ৰায় নিশ্চিত।” এই বিশেষ পৃষ্ঠাৰ পাছতে সংবাদ মাধ্যমৰ সন্মুখত বিধায়কগৰাকীয়ে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় “বৰ্তমান ক্ষুদ্ৰ চাহ খেতিয়ক বা অসমৰ চাহ উদ্যোগ বিপদাপন্ন হৈছে। ইয়াৰ মূল কাৰণ কেনিয়াৰ পৰা চাহৰ আমদানি বহু গুণে বৃদ্ধি পাইছে। ২০২৪ বৰ্ষত কেনিয়াৰ পৰা চাহৰ আমদানি হৈছিল ৪৬ লাখ ১৫ হাজাৰ ১০২ কেজি চাহ আমদানি কৰা হৈছিল আৰু এই বৰ্ষত বৰ্তমানলৈ আমদানি হৈছে ৬১ লাখ ৯৩ হাজাৰ ৪৯১ কেজি কৰা হৈছে। ভাৰতবৰ্ষ বিশ্বৰ দ্বিতীয়খন চাহ উৎপাদনকাৰী দেশ। আমাৰ চাহ হৈছে উন্নত মানদণ্ডৰ আৰু কেনিয়াৰ পৰা অহা চাহৰ লগত আমাৰ চাহৰ লগত মিহলাই পুনৰ বিদেশলৈ ৰপ্তানি কৰে। বাহিৰৰ চাহ অহাৰ বাবে আমাৰ চাহৰ দাম কমি গৈছে। আমাৰ অঞ্চলত ক্ষুদ্ৰ ক্ষুদ্ৰ বহু চাহ বাগিচা আছে ইয়াৰ পৰা অকল ক্ষুদ্ৰ চাহ খেতিয়কসকলে নহয় ডাঙৰ ডাঙৰ বাগিচাৰ ক্ষতিসাধন হৈছে। এনে গতিত চলি থাকিলে আমি বাগিচা লক আউট কৰিব লাগিব বুলি শালমাৰা চাহ বাগিচাৰ পৰিচালকে মোক জনাইছিল। কেনিয়াৰ পৰা আমদানি কৰা চাহৰ ভাৰত চৰকাৰৰ কোন শুল্ক নাই বাবে সুবিধা লৈ বহু ডাঙৰ ডাঙৰ উদ্যোগপতিসকলে এই ব্যৱসায় আৰম্ভ কৰিবলৈ লৈছে সেই বাবে কেনিয়াৰ পৰা চাহৰ আমদানি কৰাত যদি নাকী নলগাই তেনেহʼলৈ অসমৰ লগতে ভাৰতৰ চাহ উদ্যোগে বিপদাপন্ন হʼব।” এই ক্ষেত্ৰত চৰকাৰে কিহৰ বাবে অসমত চাহৰ মুল্য কমিছে তাৰ প্ৰতি গুৰুত্ব আৰোপ কৰিব লাগে বুলি মন্তব্য কৰি বিধায়ক শইকীয়াই লগতে কয় যে, অসমৰ লাখ লাখ মানুহে কৰা কষ্টৰ ফল দেশৰ প্ৰায় ৩০০ কোম্পানীয়ে খাই আছে।

## মেহমুদ মাদানী, হিমন্ত

পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু মেহমুদ মাদানীৰ মাজত গোপন সমঝোতাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। তেওঁৰ দাবী, অল ইণ্ডিয়া ইউনাইটেড ডেমʼক্ৰেটিক ফ্ৰণ্ট (এ আই ইউ ডি এফ)ৰ সভাপতি বদৰুদ্দিন আজমলৰ ৰাজনৈতিক প্ৰাসংগিকতা হ্ৰাস পোৱাত মুখ্যমন্ত্ৰীয়ে মাদানীৰ জৰিয়তে ৰাজ্যত নতুন বিতৰ্কৰ সৃষ্টি কৰিছে। শেহতীয়াকৈ অসমত উচ্ছেদ অভিযান আৰু বাংলাদেশী-সন্দেহযুক্ত নাগৰিকৰ বিষয়ক লৈ ৰাজনীতি উত্তপ্ত হৈ পৰিছে। এই পৰিপ্ৰেক্ষিতত জমিয়ত নেতা মেহমুদ মাদানীয়ে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ অপসাৰণৰ দাবী উত্থাপন কৰিছে। ইয়াৰ প্ৰত্যুত্তৰত ২৩ আগষ্টত মুখ্যমন্ত্ৰীয়ে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কৈছিল যে, জমিয়ত আৰু মাদানী এন আৰ চিৰ সময়তো অসমবিৰোধী অৱস্থান গ্ৰহণ কৰিছিল। তেওঁৰ মতে, মাদানী এগৰাকী অসমবিৰোধী ব্যক্তি আৰু অসমৰ মুখ্যমন্ত্ৰী কোন হʼব সেয়া জমিয়ত বা মাদানীৰ দ্বাৰা নিৰ্ধাৰিত নহয়। তেওঁ লগতে কৈছিল যে মাদানীৰ মন্তব্যক তেওঁ “চুলি এডালৰ সমানো গুৰুত্ব নিদিয়ে।” মুখ্যমন্ত্ৰীৰ এই মন্তব্যৰ পিছতে বিৰোধী দল, বিশেষকৈ কংগ্ৰেছে মেহমুদ মাদানী আৰু জমিয়তৰ সৈতে হিমন্ত বিশ্ব শৰ্মাৰ সম্পৰ্কৰ বিষয়ে তীব্ৰ সমালোচনা কৰিছে। কংগ্ৰেছে অভিযোগ কৰিছে যে মাদানী বদৰুদ্দিন আজমলৰ এজেণ্ট হিচাপে মুখ্যমন্ত্ৰীৰ নিৰ্দেশত এনে মন্তব্য কৰিছে। এই পৰিস্থিতিত অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে সোমবাৰে গুৱাহাটীত সংবাদমেলৰ জৰিয়তে এই বিষয়ত সৰৱ মন্তব্য প্ৰকাশ কৰিছে। লুৰীণজ্যোতি গগৈয়ে দাবী কৰিছে যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা অসমত সাম্প্ৰদায়িক পৰিৱেশ সৃষ্টিৰ চেষ্টা কৰি ব্যৰ্থ হৈছে। তেওঁৰ মতে, পূৰ্বে বিজেপিয়ে বদৰুদ্দিন আজমলক কেন্দ্ৰ কৰি সাম্প্ৰদায়িক মেৰুকৰণৰ জৰিয়তে নিৰ্বাচনী সুবিধা লাভ কৰিছিল। কিন্তু বৰ্তমান আজমলৰ প্ৰভাৱ হ্ৰাস পোৱাত বিজেপিয়ে মেহমুদ মাদানীক নতুন মুখ হিচাপে প্ৰাসংগিক কৰাৰ চেষ্টা কৰিছে। গগৈৰ দাবী, এই বিতৰ্ক হিমন্ত বিশ্ব শৰ্মা আৰু বদৰুদ্দিন আজমলৰ গোপন বুজাবুজিৰ ফল। তেওঁ কয়, “বিজেপিয়ে যিদৰে পূৰ্বে বদৰুদ্দিন আজমলৰ নাম ব্যৱহাৰ কৰি নিৰ্বাচনী সুবিধা লাভ কৰিছিল, এইবাৰ সেই সুবিধা লাভ কৰিবলৈ ব্যৰ্থ হৈছে। তাৰ পৰিৱৰ্তে মেহমুদ মাদানীক প্ৰাসংগিক কৰাৰ চেষ্টা চলিছে। মাদানীৰ শেহতীয়া মন্তব্যৰ পিছফালে হিমন্ত আৰু আজমলৰ গোপন চুক্তি কাম কৰিছে।” লুৰীণজ্যোতি গগৈয়ে মেহমুদ মাদানী আৰু বিজেপিৰ মাজত দীৰ্ঘদিনীয়া সম্পৰ্কৰ কথাও উল্লেখ কৰিছে। তেওঁৰ মতে, মাদানী ২০০৬ চনত ৰাষ্ট্ৰীয় লোকদল (আৰ এল ডি)ৰ জৰিয়তে ৰাজ্যসভাৰ সাংসদ হৈছিল। আৰ এল ডি হৈছে বিজেপিৰ নেতৃত্বাধীন এন ডি এৰ মিত্ৰদল। গগৈৰ দাবী, বিজেপিৰ পিতৃদল ভাৰতীয় জনসংঘৰ পৰা জনতা দলৰ জন্ম হৈছিল, যাৰ পৰা ১৯৮০ চনত বিজেপি আৰু ১৯৯৬ চনত আৰ এল ডিৰ জন্ম হয়। তেওঁৰ মতে, এই ঐতিহাসিক সম্পৰ্কৰ জৰিয়তে মাদানীৰ বিজেপিৰ সৈতে ঘনিষ্ঠতা স্পষ্ট। গগৈয়ে বদৰুদ্দিন আজমল আৰু মেহমুদ মাদানীৰ ব্যক্তিগত বন্ধুত্বৰ কথাও উল্লেখ কৰিছে। তেওঁৰ মতে, দুয়ো দাৰুল উলুম দেওবন্দ মাদ্ৰাছাত একেলগে পঢ়িছিল আৰু বাল্যকালৰে পৰা তেওঁলোকৰ মাজত ঘনিষ্ঠ সম্পৰ্ক আছে। আজমল অসম ৰাজ্যিক জমিয়ত উলেমা-ই-হিন্দৰ সভাপতি, আৰু মাদানী জমিয়তৰ কেন্দ্ৰীয় নেতা। গগৈৰ দাবী, এই সম্পৰ্কৰ জৰিয়তে মাদানী আৰু আজমলৰ মাজত গোপন সহযোগিতা আছে। লুৰীণজ্যোতি গগৈয়ে মেহমুদ মাদানী আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মাজত ২০০১ চনৰ পৰা সম্পৰ্কৰ কথাও উত্থাপন কৰিছে। তেওঁৰ মতে, ২০০১ চনত গুজৰাটৰ ভূজ জিলাত সংঘটিত ভূমিকম্পৰ পিছত মাদানীয়ে পুনৰ্নিৰ্মাণৰ কামত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। তেতিয়া নৰেন্দ্ৰ মোদী গুজৰাটৰ মুখ্যমন্ত্ৰী আছিল। গগৈৰ দাবী, মাদানীক এই কামৰ দায়িত্ব দিয়াৰ ফলত হিন্দুত্ববাদী সংগঠনৰ মাজত ক্ষোভৰ সৃষ্টি হৈছিল, যি ২০০২ চনৰ গুজৰাট দাঙ্গাৰ এটা কাৰণ হৈছিল। তেওঁ লগতে কয়, ২০১৭ চনত মাদানীৰ নেতৃত্বত জমিয়তৰ এটা ২৫ জনীয়া প্ৰতিনিধি দলে নৰেন্দ্ৰ মোদীৰ সৈতে সাক্ষাৎ কৰিছিল, যʼত বদৰুদ্দিন আজমলো উপস্থিত আছিল। গগৈৰ মতে, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু বিজেপিয়ে অসমৰ ৰাজনীতিত সাম্প্ৰদায়িক মেৰুকৰণৰ চেষ্টা কৰি আহিছে। তেওঁ দাবী কৰিছে যে মাদানীৰ শেহতীয়া মন্তব্য আৰু তাৰ পিছত সৃষ্ট বিতৰ্ক বিজেপিৰ ৰাজনৈতিক স্বাৰ্থৰ অংশ। তেওঁৰ মতে, এই বিতৰ্কৰ জৰিয়তে বিজেপিয়ে অসমৰ জনতাৰ মনোযোগ বিচলিত কৰি নিৰ্বাচনী সুবিধা লাভ কৰাৰ পৰিকল্পনা কৰিছে। অসমৰ ৰাজনীতিত মেহমুদ মাদানীৰ মন্তব্যক কেন্দ্ৰ কৰি শাসক-বিৰোধীৰ মাজত তীব্ৰ সংঘাতৰ সৃষ্টি হৈছে। অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈৰ অভিযোগে এই বিতৰ্কক নতুন মাত্ৰা প্ৰদান কৰিছে। তেওঁৰ দাবী, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, বদৰুদ্দিন আজমল আৰু মেহমুদ মাদানীৰ মাজত গোপন সমঝোতাৰ জৰিয়তে অসমৰ ৰাজনীতিত সাম্প্ৰদায়িক উত্তেজনা সৃষ্টিৰ চেষ্টা চলিছে। এই পৰিস্থিতিয়ে অসমৰ ৰাজনৈতিক পৰিৱেশক আৰু জটিল কৰি তুলিছে।

## ছৈয়দা হামিদৰ মন্তব্যৰ

অন্যতম আয়োজক তথা সাংসদ অজিত কুমাৰ ভূঞা। তেওঁ কয় যে ছৈয়দা হামিদে সাংবাদিকৰ সন্মুখত সভাৰ বাহিৰত ব্যক্তিগতভাৱে এই মন্তব্য কৰিছিল, সভাত নহয়। অসম নাগৰিক সন্মিলনৰ দেওবাৰে গুৱাহাটীত অনুষ্ঠিত সভাৰ পিছত ছৈয়দা হামিদে সাংবাদিকৰ সৈতে কথা পাতোঁতে কৈছিল, “অসমত বাংলাদেশী থাকিলেও কাৰো অধিকাৰ খৰ্ব হোৱা নাই। বাংলাদেশীয়ে অধিকাৰ কাঢ়ি লৈছে বুলি কোৱাটো মানৱতাৰ প্ৰতি ক্ষতিকাৰক।” এই মন্তব্যই ৰাজ্যজুৰি তীব্ৰ বিতৰ্কৰ সৃষ্টি কৰিছে। সভাখনৰ সভাপতিত্ব কৰা অজিত কুমাৰ ভূঞাই এই বিষয়ত স্পষ্টীকৰণ দি কয়, “চাৰিগৰাকী প্ৰখ্যাত ব্যক্তি নিজৰ ইচ্ছাত অসমলৈ আহিছিল। তেওঁলোকৰ আগমনৰ সুবিধাৰ্থে আমি নাগৰিক সন্মিলনৰ পৰা এখন সভাৰ আয়োজন কৰিছিলোঁ। সভাত ছৈয়দা হামিদ বা অন্য কোনোৱে এনে কোনো মন্তব্য কৰা নাছিল। যদি সভাত এনে মন্তব্য কৰা হʼলহেঁতেন, আমি তৎক্ষণাৎ প্ৰতিবাদ জনালোঁহেঁতেন।” তেওঁ লগতে কয়, “সভাৰ বাহিৰত কৰা মন্তব্যৰ দায় আমি লʼব নোৱাৰো। সেই মন্তব্য ব্যক্তিগত, আৰু ইয়াৰ সৈতে নাগৰিক সন্মিলনৰ কোনো সম্পৰ্ক নাই। এই বিষয়ত আমাৰ স্থিতি স্পষ্ট কৰিবলৈ আমি আগন্তুক দিনত এখন সংবাদমেলৰ আয়োজন কৰিম।” অজিত কুমাৰ ভূঞাই ছৈয়দা হামিদৰ মন্তব্যৰ তীব্ৰ নিন্দা জনাই কয়, “তেওঁৰ মন্তব্য সম্পূৰ্ণ গৰিহণাৰ যোগ্য। সভাত এনে মন্তব্য কৰা হʼলে আমি তৎক্ষণাৎ প্ৰতিবাদ কৰিলোঁহেঁতেন।” তেওঁ খিলঞ্জীয়া জনগোষ্ঠীৰ স্বাৰ্থৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক প্ৰশ্ন কৰে, “খিলঞ্জীয়াপ্ৰেমী বুলি দাবী কৰাসকলে মুখ্যমন্ত্ৰীক সোধক—কিয় বিপ্লৱ শৰ্মা আয়োগৰ প্ৰতিবেদন পেলাই ৰখা হৈছে? কিয় অসম চুক্তিৰ ৬ আৰু ৭ নম্বৰ দফা এতিয়াও কাৰ্যকৰী কৰা হোৱা নাই? মুখ্যমন্ত্ৰীয়ে এই কামসমূহ কৰি খিলঞ্জীয়া জনগোষ্ঠীৰ প্ৰতি তেওঁৰ প্ৰতিশ্ৰুতি প্ৰমাণ কৰক।” ইয়াৰ উপৰিও, দিল্লীত ছৈয়দা হামিদে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ গ্ৰেপ্তাৰৰ দাবী জনোৱাৰ বিষয়ত অজিত কুমাৰ ভূঞাই মন্তব্য কৰে, “মাদানী কাৰ সৃষ্টি তাক সকলোৱে জানে। তেওঁ মুখ্যমন্ত্ৰীৰ সৃষ্টি। আমাৰ সৈতে মাদানীৰ কোনো সম্পৰ্ক নাই, আৰু ছৈয়দা হামিদৰ মন্তব্যৰ সৈতেও আমাৰ কোনো যোগ নাই। কোন জাতীয় শত্ৰু আৰু কোনে জাতিৰ সংকটৰ সময়ত নিজৰ স্বাৰ্থ চিন্তা কৰিছে, তাক ৰাইজে ভালদৰে দেখিছে। জনতাই এই বিষয়ত নিজৰ বিচাৰ কৰিব।”

## দুৰ্ঘটনাৰ পিছত সহায়

মানসিকতাক পোহৰলৈ আনিছে। জানিব পৰা মতে, ২০ আগষ্টৰ আবেলি তামুলপুৰ জিলাৰ সুবগপুৰ আৰক্ষী চকীৰ অন্তৰ্গত ভৰালী চʼকৰ সমীপত এই মৰ্মান্তিক ঘটনা সংঘটিত হয়। অভিষেক দাস, যি কচুকাটাৰ অৱসৰপ্ৰাপ্ত সেনা সদস্য দীপক দাসৰ পুত্ৰ, তেওঁৰ চাৰিজন বন্ধু—যুৱৰাজ বড়ো, ধ্ৰুৱজ্যোতি গুৰুতম, নৱজিৎ দাস আৰু মাৰ্টিন বসুমতাৰীৰ সৈতে বগামাটিৰ গ্ৰাছলেণ্ডলৈ ফুৰিবলৈ গৈছিল। উভতি অহাৰ পথত তেওঁলোকৰ KIY মডেলৰ চাৰিচকীয়া বাহনখন ভৰালী চʼকৰ ওচৰত নিয়ন্ত্ৰণ হেৰুৱাই দুৰ্ঘটনাত পতিত হয়। দুৰ্ঘটনাৰ ফলত বাহনখনৰ দুৱাৰ অটোমেটিক লক হৈ যায়, যাৰ বাবে অভিষেকে বাহনৰ চানৰুফৰ মাজেৰে ওলাই স্থানীয় লোকৰ পৰা সহায় বিচাৰিবলৈ চেষ্টা কৰে। কিন্তু সহায়ৰ পৰিৱৰ্তে, স্থানীয় লোকৰ একাংশই অভিষেকৰ ওপৰত আক্ৰমণ কৰে। অভিযোগ অনুসৰি, তেওঁক এখন তামোলৰ বাৰীলৈ টানি নিয়া হয় আৰু তাত নৃশংসভাৱে প্ৰহাৰ কৰা হয়। এই সময়ত গাড়ীৰ ভিতৰত থকা অভিষেকৰ বন্ধুসকল উপায়হীন হৈ পৰে। স্থানীয় লোকৰ একাংশই আৰক্ষীৰ উদ্ধাৰ প্ৰচেষ্টাতো বাধা সৃষ্টি কৰে বুলি অভিযোগ উত্থাপিত হৈছে। প্ৰায় দুই ঘণ্টাৰ পিছত অভিষেকৰ পৰিয়ালে ঘটনাৰ খবৰ পায় আৰু তেওঁক মুমূৰ্ষু অৱস্থাত উদ্ধাৰ কৰি চিকিৎসালয়লৈ লৈ যোৱাৰ চেষ্টা কৰে। দুৰ্ভাগ্যজনকভাৱে, ৰঙিয়ালৈ নিয়াৰ পথত তুলসীবাৰী অঞ্চলত অভিষেকৰ মৃত্যু হয়। এই ঘটনাৰ পিছত পৰিয়ালে তামুলপুৰ আৰক্ষী থানাত এজাহাৰ দাখিল কৰে, কিন্তু এতিয়ালৈকে কোনো অভিযুক্তক গ্ৰেপ্তাৰ কৰা হোৱা নাই। পৰিয়ালে ন্যায়ৰ দাবী জনাইছে। অন্যহাতে, স্থানীয় লোকৰ একাংশই দাবী কৰিছে যে অভিষেকৰ বাহনখন অত্যন্ত দ্ৰুতগতিত চলি আছিল আৰু এখন স্কুটি আৰু এখন ই-ৰিক্সাক মহতিয়াই এটা দোকানত খুন্দা মাৰে। তাৰ পিছত অভিষেক চানৰুফৰ মাজেৰে ওলাই পৰে আৰু তাৰ পিছতেই তেওঁৰ মৃত্যু হয়। এই দাবীৰ সত্যতা এতিয়াও তদন্তৰ জৰিয়তে নিশ্চিত হোৱা নাই। বৰ্তমান আৰক্ষীয়ে এই ঘটনাৰ তদন্ত অব্যাহত ৰাখিছে। তদন্তৰ ফলাফলৰ পিছতহে ঘটনাৰ প্ৰকৃত কাৰণ আৰু দোষীসকলৰ বিষয়ে স্পষ্ট তথ্য পোহৰলৈ আহিব। তামুলপুৰ আৰক্ষী থানাত দাখিল কৰা এজাহাৰৰ ভিত্তিত তদন্ত চলি আছে, কিন্তু এতিয়ালৈকে কোনো গ্ৰেপ্তাৰৰ খবৰ পোৱা নাই।

## সংবিধান সংশোধনীৰ

গ্ৰহণযোগ্য বা সমৰ্থনযোগ্য নহয়। তেওঁ স্পষ্ট কৰি দিয়ে যে বিজেপি দল আৰু তেওঁ নিজে ব্যক্তিগতভাৱে কংগ্ৰেছৰ এনে আচৰণৰ কঠোৰ বিৰোধিতা কৰে। সংবাদ প্ৰতিষ্ঠান এএনআইৰ সৈতে এক সাক্ষাৎকাৰত শ্বাহে প্ৰশ্ন তুলি কয়, “মই সমগ্ৰ দেশ আৰু বিৰোধী দলসমূহক সুধিব বিচাৰো—কোনো প্ৰধানমন্ত্ৰী, মুখ্যমন্ত্ৰী বা নেতাই জেলৰ পৰা চৰকাৰ চলাব পাৰে নেকি? এনে কাৰ্যকলাপ গণতন্ত্ৰৰ বিৰুদ্ধে নহয়নে?” তেওঁ আৰু কয়, “কংগ্ৰেছ এতিয়াও চেষ্টা কৰি আছে যাতে জেʼললৈ গʼলে তেওঁলোকে সহজেই জেʼলৰ পৰা চৰকাৰ গঠন কৰিব পাৰে। তেওঁলোকৰ মতে, জেʼলক মুখ্যমন্ত্ৰী বা প্ৰধানমন্ত্ৰীৰ কাৰ্যালয় হিচাপে গণ্য কৰা হʼব। আমাৰ দল আৰু মই এই ধাৰণা সম্পূৰ্ণৰূপে নাকচ কৰোঁ। এনে পৰিস্থিতিত সংসদ বা বিধানসভাৰ সংখ্যাগৰিষ্ঠতাত কোনো প্ৰভাৱ নপৰে। কোনো সদস্য জেললৈ গʼলে দলৰ অন্য সদস্যই চৰকাৰ চলাব, আৰু জামিন পালে তেওঁ পুনৰ শপত লʼব পাৰিব। ইয়াত আপত্তিৰ কি আছে?” ১৩০ নম্বৰ সংবিধান সংশোধনীৰ বিষয়ে ব্যাখ্যা কৰি অমিত শাহে কয়, “এই সংশোধনীত আমি এক ব্যৱস্থা সন্নিৱিষ্ট কৰিছো—যদি প্ৰধানমন্ত্ৰী, মুখ্যমন্ত্ৰী বা কেন্দ্ৰীয় বা ৰাজ্য চৰকাৰৰ কোনো নেতা গুৰুতৰ অভিযোগৰ বাবে গ্ৰেপ্তাৰ হয় আৰু ৩০ দিনৰ ভিতৰত জামিন নাপায়, তেন্তে তেওঁক নিজৰ পদ ত্যাগ কৰিব লাগিব। যদি তেওঁ স্বেচ্ছায় পদত্যাগ নকৰে, তেন্তে তেওঁক আইনগতভাৱে পদৰ পৰা অপসাৰণ কৰা হʼব। এই নীতি আমি ১৩০ সংশোধনীত অন্তৰ্ভুক্ত কৰিছো।” তেওঁ আৰু উল্লেখ কৰে, “প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নিজৰ পদকো এই সংশোধনীৰ অধীনত অন্তৰ্ভুক্ত কৰিছে। পূৰ্বে ইন্দিৰা গান্ধীয়ে ৩৯ সংখ্যক সংশোধনীৰ জৰিয়তে ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী আৰু লোকসভাৰ অধ্যক্ষক ভাৰতীয় আদালতৰ ন্যায়িক পৰ্যালোচনাৰ পৰা সুৰক্ষিত কৰিছিল। কিন্তু মোদীয়ে নিজৰ বিৰুদ্ধে এনে সংশোধনী আনিছে, যʼত জেললৈ গʼলে প্ৰধানমন্ত্ৰীকো পদত্যাগ কৰিবলৈ বাধ্য কৰা হʼব।” শ্বাহে কংগ্ৰেছৰ পূৰ্বৰ কাৰ্যকলাপৰ সমালোচনা কৰি কয়, “মনমোহন সিংৰ শাসনকালত কংগ্ৰেছে দোষী সাংসদক ৰক্ষা কৰিবলৈ এক অধ্যাদেশ জাৰি কৰিছিল, যিটো ৰাহুল গান্ধীয়ে ৰাজহুৱাভাৱে ফালি নাকচ কৰিছিল।” তেওঁ আম আদমি পাৰ্টীৰ নেতা অৰবিন্দ কেজৰিৱালৰ উদাহৰণ দি কয়, “কেজৰিৱালক দিল্লীৰ মুখ্যমন্ত্ৰী থকাৰ সময়ত দুৰ্নীতিৰ অভিযোগত গ্ৰেপ্তাৰ কৰা হৈছিল, কিন্তু তেওঁ জেʼললৈ গৈয়ো পদত্যাগ কৰিবলৈ অস্বীকাৰ কৰিছিল।” কংগ্ৰেছৰ দ্বৈত মানদণ্ডৰ অভিযোগ তুলি শ্বাহে কয়, “কংগ্ৰেছে পূৰ্বে এনে গোচৰৰ বিৰোধিতা কৰিছিল, কিন্তু এতিয়া বিহাৰত আৰ জে ডিৰ লালু প্ৰসাদ যাদৱক সমৰ্থন কৰিছে।” শ্বাহে বিজেপিৰ প্ৰতিবাদৰ কথা উল্লেখ কৰি কয়, “আমিও বিভিন্ন বিষয়ত প্ৰতিবাদ কৰোঁ, কিন্তু সংসদত বিধেয়ক উত্থাপনত বাধা প্ৰদান কৰাটো গণতান্ত্ৰিক নীতিৰ পৰিপন্থী। বিৰোধী দলসমূহে জনসাধাৰণৰ আগত নিজৰ স্থিতিৰ ব্যাখ্যা দিব লাগিব।”

## মুম্বাইত অসম চৰকাৰৰ

চৰকাৰক আগন্তুক ৬০ বছৰৰ বাবে উন্নয়নমূলক কামৰ বাবে চাৰি বিঘা ভূমি লীজত প্ৰদান কৰিব। এই ভূমিৰ জৰিয়তে অসমৰ নাগৰিকৰ সুবিধাৰ বাবে প্ৰয়োজনীয় আন্তঃগাঁথনি নিৰ্মাণ কৰা হʼব। দেওবাৰে গুৱাহাটীৰ জ্যোতিকুছিৰ এক নম্বৰ কাৰ্বি পথত অৱস্থিত নিজৰ বাসভৱনত আয়োজিত এক সংবাদমেলত এই ঘোষণা কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে মুম্বাই চহৰ ভাৰতৰ বাণিজ্যিক ৰাজধানী হিচাপে পৰিচিত। তেওঁ উল্লেখ কৰে যে মুম্বাই বিশ্বৰ অন্যতম শীৰ্ষ বাণিজ্য কেন্দ্ৰ হিচাপে স্বীকৃতি লাভ কৰিছে আৰু বিশ্ব মঞ্চত এক সুকীয়া স্থান দখল কৰিবলৈ সক্ষম হৈছে। মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে যে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই মুম্বাই বন্দৰ কৰ্তৃপক্ষৰ ওচৰত এটা কেম্পাচ নিৰ্মাণৰ বাবে ভূমিৰ বাবে আবেদন জনাইছিল। মুখ্য সচিবৰ জৰিয়তে প্ৰেৰিত এই আবেদন পত্ৰত মুম্বাইৰ গুৰুত্বপূৰ্ণ স্থানত, বিশেষকৈ হোটেল তাজৰ সমীপত, ভূমিৰ বাবে অনুৰোধ কৰা হৈছিল। মুম্বাই বন্দৰ কৰ্তৃপক্ষই এই আবেদনৰ বিশদ পৰ্যালোচনা কৰি তেওঁলোকৰ বোৰ্ডত ইয়াক অনুমোদন জনায়। কেন্দ্ৰীয় মন্ত্ৰীৰ মন্ত্ৰালয়ৰ তৰফৰ পৰা এই বিষয়ে গভীৰভাৱে অধ্যয়ন কৰাৰ পিছত এম্পাৱাৰ কমিটীৰ দ্বাৰা চূড়ান্ত অনুমোদন প্ৰদান কৰা হৈছে। ফলত, অসম চৰকাৰক চাৰি বিঘাতকৈ অধিক ভূমি ৬০ বছৰৰ বাবে লীজত দিয়াৰ অনুমতি মন্ত্ৰালয়ে দিছে। সোণোৱালে আৰু কয় যে এই সিদ্ধান্ত অসমৰ বাবে এক ইতিবাচক খবৰ। তেওঁৰ মতে, অসম চৰকাৰে এই ভূমিৰ জৰিয়তে ৰাজ্যৰ স্বাৰ্থত বিভিন্ন উন্নয়নমূলক কাম-কাজ সম্পন্ন কৰিব পাৰিব। এই স্থানত অসম চৰকাৰে এটা আন্তঃগাঁথনি নিৰ্মাণ কৰিব, যʼত তথ্য কেন্দ্ৰৰ দৰে সুবিধাও থাকিব, যাৰ জৰিয়তে অসমৰ বিষয়ে তথ্য প্ৰদানৰ লগতে বিনিয়োগৰ সুযোগ সৃষ্টি কৰা হʼব। তেওঁ লগতে কয় যে মুম্বাইলৈ অসমৰ বহু লোক উন্নত চিকিৎসা আৰু শিক্ষাৰ বাবে যায়। এই নতুন কেন্দ্ৰৰ জৰিয়তে তেওঁলোকৰ থকা-খোৱাৰ সুবিধাৰ লগতে চৰকাৰী ভ্ৰমণৰ ক্ষেত্ৰতো সুব্যৱস্থা নিশ্চিত কৰা হʼব। মুম্বাইত অসম চৰকাৰৰ নিজা ভূমিত এটা কেন্দ্ৰ গঢ়ি উঠিলে অসমৰ নাগৰিকৰ বাবে এক গুৰুত্বপূৰ্ণ সুবিধা হʼব। শেষত, মন্ত্ৰীগৰাকীয়ে কয়, “মুখ্যমন্ত্ৰীৰ অনুৰোধৰ প্ৰতি আমি সঁহাৰি দিছো। অসমৰ উন্নয়নৰ পথত এই সিদ্ধান্ত এটা গুৰুত্বপূৰ্ণ পদক্ষেপ। মই আশাবাদী যে অসম চৰকাৰে এই স্থানত এটা উৎকৃষ্ট অনুষ্ঠান গঢ়ি তুলিব।”

## মোদীৰ ডিগ্ৰী সম্পৰ্কীয়

শৈক্ষিক ডিগ্ৰীৰ তথ্য প্ৰকাশৰ নিৰ্দেশ বাতিল কৰে। ন্যায়াধীশ শচীন দত্তই দিল্লী বিশ্ববিদ্যালয়ৰ দ্বাৰা দাখিল কৰা এক আবেদনৰ শুনানিৰ অন্তত এই ৰায় প্ৰদান কৰে। বিশ্ববিদ্যালয়ে ২০১৭ চনৰ চিআইচিৰ নিৰ্দেশক প্ৰত্যাহ্বান জনাইছিল, যʼত আৰটিআই আবেদনকাৰীক মোদীৰ ডিগ্ৰী সম্পৰ্কীয় তথ্য প্ৰদানৰ নিৰ্দেশ দিয়া হৈছিল। ন্যায়াধীশ দত্তই ৰায়ত স্পষ্ট কৰে যে, চিআইচিৰ পূৰ্বৰ নিৰ্দেশ আঁতৰাই ৰখা হৈছে। নীৰজ শৰ্মা নামৰ এজন ব্যক্তিয়ে আৰটিআইৰ জৰিয়তে ১৯৭৮ চনত দিল্লী বিশ্ববিদ্যালয়ৰ পৰা কলা শাখাত স্নাতক ডিগ্ৰী লাভ কৰা সকলো ছাত্ৰ-ছাত্ৰীৰ তথ্য বিচাৰিছিল। উল্লেখযোগ্য যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে একে বছৰত দিল্লী বিশ্ববিদ্যালয়ৰ পৰা ৰাজনীতি বিজ্ঞানত স্নাতক ডিগ্ৰী লাভ কৰিছিল, যিটো তেওঁ নিৰ্বাচনী এফিডেফিটত উল্লেখ কৰিছিল। দিল্লী বিশ্ববিদ্যালয়ে এই তথ্য প্ৰকাশ কৰিবলৈ অস্বীকাৰ কৰি কয় যে, এই তথ্য “ব্যক্তিগত” প্ৰকৃতিৰ আৰু ইয়াৰ “জনস্বাৰ্থৰ সৈতে কোনো সম্পৰ্ক নাই।” ২০১৬ চনৰ ডিচেম্বৰত নীৰজ শৰ্মাই বিশ্ববিদ্যালয়ৰ এই সিদ্ধান্তৰ বিৰুদ্ধে চিআইচিত অভিযোগ দাখিল কৰে। ইয়াৰ পৰিপ্ৰেক্ষিতত তথ্য আয়ুক্ত অধ্যাপক এম আচাৰ্যুলুৱে ১৯৭৮ চনৰ কলা শাখাৰ স্নাতক ছাত্ৰ-ছাত্ৰীৰ পঞ্জীয়ন তালিকা ৰাজহুৱা কৰাৰ নিৰ্দেশ দিয়ে। এই নিৰ্দেশৰ বিৰুদ্ধে দিল্লী বিশ্ববিদ্যালয়ে ২০১৭ চনৰ ২৩ জানুৱাৰীত উচ্চ ন্যায়ালয়ত আবেদন দাখিল কৰে। দিল্লী উচ্চ ন্যায়ালয়ৰ সাম্প্ৰতিক ৰায়ত বিশ্ববিদ্যালয়ৰ যুক্তি গ্ৰহণ কৰি চিআইচিৰ নিৰ্দেশ বাতিল কৰা হৈছে। এই ৰায়ৰ ফলত প্ৰধানমন্ত্ৰীৰ শৈক্ষিক ডিগ্ৰীৰ তথ্য ৰাজহুৱা কৰাৰ প্ৰয়োজন নাই বুলি স্থিৰ কৰা হৈছে, যিহেতু ইয়াক ব্যক্তিগত তথ্য হিচাপে গণ্য কৰা হৈছে।

## পুষ্টিহীনতা আক্ৰান্ত অসমৰ

ঠাকুৰে সদৰি কৰামতে, পুষ্টিহীনতাত ভোগা শিশুৰ ক্ষেত্ৰত অসমৰ স্থান হʼল দেশৰ ভিতৰতে চতুৰ্থ। মহিলা আৰু শিশু কল্যাণ মন্ত্ৰালয়ৰ তথ্য মতে পুষ্টিহীনতাত ভোগা শিশুৰ ক্ষেত্ৰত (০-৫ বছৰ বয়সৰ) দেশৰ ভিতৰতে প্ৰথম স্থানত আছে উত্তৰ প্ৰদেশ। উত্তৰ প্ৰদেশৰ ৪৮.৮৩ শতাংশ শিশু অপুষ্টিত ভুগিছে। উত্তৰ প্ৰদেশৰ পিচতে লাক্ষাদ্বীপৰ ৪৪.৮৩ শতাংশ আৰু ঝাৰখণ্ডৰ ৪৩.২৬ শতাংশ শিশু পুষ্টিহীনতাত ভুগিছে। তাৰ পিচতে আছে অসমৰ নাম। অসমৰ ৪২.৯৪ শতাংশ শিশু (০-৫ বছৰ বয়সৰ) ভুগি আছে পুষ্টিহীনতাত। অৰ্থাৎ দেশৰ ৩৬খন ৰাজ্য তথা কেন্দ্ৰীয়শাসিত অঞ্চলৰ ভিতৰত পুষ্টিহীনতাত ভোগা শিশুৰ হাৰৰ ক্ষেত্ৰত অসমৰ স্থান হʼল চতুৰ্থ। আনহাতে পুষ্টিহীনতাত ভোগা শিশুৰ ৰাষ্ট্ৰীয় হাৰ হʼল ৩৭.০৭ শতাংশ। অকল এয়াই নহয়, অসমত ০-৫ বছৰ বয়সৰ প্ৰতি এহেজাৰ শিশুৰ ভিতৰত মৃত্যুমুখত পৰে ৩৫টি শিশু। পৰ্যাপ্ত স্বাস্থ্যসেৱাৰ অভাৱতে এই শিশুসকলে জীৱনকালৰ আৰম্ভণিতে পৃথিৱীৰ পৰা বিদায় লʼবলগীয়া হয়। শিশুৰ মৃত্যুৰ ক্ষেত্ৰত। অসমৰ স্থান দেশৰ ভিতৰতে পঞ্চম। মধ্যপ্ৰদেশ, উত্তৰ প্ৰদেশ, ছত্তীশগড়, ওড়িশাৰ পিচতে অসমৰ স্থান। প্ৰতি এহেজাৰ শিশুৰ ভিতৰত মধ্যপ্ৰদেশৰ ৪৭টি, উত্তৰ প্ৰদেশৰ ৪২টি, ছত্তীশগড়ৰ ৪১টি আৰু ওড়িশাৰ ৩৭টি শিশু মৃত্যুমুখত পৰে। ০-৫ বছৰ বয়সৰ শিশুৰ মৃত্যুৰ ৰাষ্ট্ৰীয় হাৰ হʼল ৩০। আনহাতে অসমত প্ৰতি এহেজাৰ নৱজাতকৰ (০-২৮ দিন বয়স) ভিতৰত মৃত্যু হয় ২২টিৰ। ইয়াৰ বিপৰীতে নৱজাতকৰ মৃত্যুৰ ৰাষ্ট্ৰীয় হাৰ হʼল ১৯টি।

অঞ্চলটোৰ মহিলাৰ বাবেও সুঃখবৰ দিলে নাৰায়ণ ডেকাই

# বৰক্ষেত্ৰীত দুখনকৈ 'আদৰ্শ গাঁও' ঘোষণা

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ২৫ আগষ্ট ঃ** নলবাৰী জিলাৰ বৰক্ষেত্ৰী সমষ্টিৰ অন্তৰ্গত বৃহত্তৰ কালদি গাঁৱত কালি বৰক্ষেত্ৰী সমষ্টিৰ প্ৰাক্তন বিধায়ক নাৰায়ণ ডেকাক ৰাজহুৱাভাৱে সম্বৰ্ধনা জনোৱা হয়। উল্লেখ্য যে কালদি গাঁওখনে আদৰ্শ গাঁও হিচাপে স্বীকৃতি লাভ কৰাত আগভাগ লোৱা নাৰায়ণ ডেকাক সম্বৰ্ধনা জনায় কালদি গাঁৱৰ ৰাইজৰ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে। কালদি গো-পূজাস্থলীত কালি



গাঁওখনৰ ৰাইজৰ উদ্যোগত জ্যেষ্ঠ নাগৰিক ৰজনী বৈশ্যৰ সভাপতিত্বত অনুষ্ঠিত হয় এখন সম্বৰ্ধনা সভা। সভাত কালদি গাঁও উন্নয়ন সমিতি, কালদি গোপালথান হাইস্কুল, কালদি প্ৰাথমিক বিদ্যালয়, কালদি আদৰ্শ বিদ্যালয়, কস্তুৰবা গান্ধী বালিকা বিদ্যালয়, কালদি উপ-স্বাস্থ্য কেন্দ্ৰ, আঞ্চলিক জনতা গো-পূজা উদযাপন সমিতি, দামোদৰদেৱ সত্ৰ পৰিচালনা সমিতিকে ধৰি শতাধিক অনুষ্ঠান-প্ৰতিষ্ঠান আৰু অঞ্চলটোৰ একাংশ লোকে নাৰায়ণ ডেকাক গামোচা, জাপি, শৰাই, মানপত্ৰ, গছপুলি, কিতাপৰ টোপোলা আদিৰে সম্বৰ্ধনা জনায়। ডেকাই ৰাজহুৱা সম্বৰ্ধনা গ্ৰহণ কৰি আদৰ্শ গাঁও সন্দৰ্ভত নিজৰ বক্তব্য প্ৰদান কৰে। ভাষণ প্ৰসংগত কালদি গাঁৱত নতুনকৈ নিৰ্মাণ কৰা আদৰ্শ মহাবিদ্যালয়ত অহা বছৰৰ পৰা পাঠদান আৰম্ভ হ'ব বুলি কয়। নাৰায়ণ ডেকাই ভাষণ প্ৰসংগত অহা ডিচেম্বৰ মাহত বৰক্ষেত্ৰীৰ ৩৯ হেজাৰ গৰাকী লাখপতি বাইদেৱে ৰাজ্য চৰকাৰৰ দহ হেজাৰ টকাৰ চেক লাভ কৰিব বুলিও কয়। সভাত বৰক্ষেত্ৰী আঞ্চলিক পঞ্চায়তৰ সভাপতি প্ৰীতম গোস্বামীয়ে আদৰ্শ গাঁওখনত কি কি থাকিব লাগে, আদৰ্শ গাঁও কেনেকুৱা হ'ব লাগে সেই সন্দৰ্ভত ৰাইজক অৱগত কৰে। সভাত কালদি গাঁও নিবাসী শিক্ষক বীৰেন দাসে গাঁৱৰ ঐতিহ্য সন্দৰ্ভত বহল বৰ্ণনা দাঙি ধৰে। সভাত নলবাৰী জিলা পৰিষদৰ প্ৰাক্তন অধ্যক্ষ নিতুল ডেকা, বৰক্ষেত্ৰী-ধৰ্মপুৰ মণ্ডল বিজেপিৰ সভাপতি ৰাজু ডেকা, বৰতলা-কালদি গাঁও পঞ্চায়তৰ সভানেত্ৰী মিতালী মেধি, সমাজকৰ্মী দধি বৰ্মন প্ৰমুখ্যে ভালেকেইগৰাকী বিশিষ্ট ব্যক্তি আৰু দুই শতাধিক পুৰুষ-মহিলা উপস্থিত থাকে। আনহাতে, বৰক্ষেত্ৰী সমষ্টিৰ অন্তৰ্গত ৫২ নং বৰতলা কালদি গাঁও পঞ্চায়তৰ অন্তৰ্ভুক্ত ৩ নং বৰতলাতো এক সম্বৰ্ধনা অনুষ্ঠিত হয়। ৫২ নং বৰতলা কালদি গাঁও পঞ্চায়তৰ অন্তৰ্ভুক্ত ৩ নং বৰতলাতো আৰু কালদি গাওঁ দুখন আদৰ্শ গাওঁ হিচাপে পৰিগণিত হোৱাত উপস্থিত ৰাইজে সন্তোষ প্ৰকাশ কৰে। বিশেষ সম্বৰ্ধনা সভাখনত উপস্থিত থাকে জি, এম, ডিৰ অধ্যক্ষ তথা প্ৰাক্তন বিধায়ক নাৰায়ণ ডেকা, মুকালমুৱা জাগাৰা জিলা পৰিষদৰ সদস্য দীপ্তি তালুকদাৰৰ লগতে ৱাৰ্ড সদস্য নিৰঞ্জন দাস, প্ৰীতম গোস্বামী প্ৰমুখ্যে অঞ্চলটোৰ ভালেমান লোক উপস্থিত থাকে।

সোধা-পোছাৰ বাবে আটক দুজন

# ৯১ বৰ্ষীয় ব্যক্তিক শুই থকা অৱস্থাত জখম, চিকিৎসালয়ত মৃত্যু

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ২৫ আগষ্ট ঃ** যোৰহাট পুলিবৰ থানাৰ এলেকাভুক্ত পুৰণিমাটি ন-পমুৱা গাঁৱৰ তৰুণ বৰুৱা নামৰ ৯১ বৰ্ষীয় ব্যক্তিজন পৰিয়ালৰ লোকসকল পথাৰত কাম কৰিবলৈ যাওঁতে ঘৰত কোনো নথকা অৱস্থাত বিছনাত শুই আছিল। কোনো লোকে মাৰপিত কৰি বিছনাতে তেওঁক জখম কৰে। পথাৰৰ পৰা পৰিয়ালৰ লোক আহি তৰুণ বৰুৱাক অসুস্থ অৱস্থাত দেখি যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ চিকিৎসালয়ত ভৰ্তি কৰায়। চিকিৎসকয়েও তৰুণ বৰুৱাক কোনো লোকে মাৰপিত কৰে বুলি পৰিয়ালক জনায়। ঘটনাটো কি হৈছিল তৰুণ বৰুৱাই ক'ব পৰা অৱস্থাত নাছিল। ৪ দিন চিকিৎসাধীন অৱস্থাত থকাৰ পাছত তৰুণ বৰুৱাই যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ চিকিৎসালয়তে শেষ নিঃশ্বাস ত্যাগ কৰে। তৰুণ বৰুৱাক শুই থকা অৱস্থাত কোনে, কিয় মাৰপিত কৰিলে সেই সন্দৰ্ভত অনুসন্ধানৰ বাবে পৰিয়ালৰ লোকে চিকিৎসাধীন অৱস্থাতে আৰক্ষীক এজাহাৰ দি থৈছিল। আৰক্ষীয়ে অনুসন্ধান কৰি আজি সোধা-পোছাৰ বাবে পুৰণিমাটিৰে পুণ্যেশ্বৰ কলিতা, ন-পমুৱাৰ অবিনাশ কাকতিক আটক কৰিছে। আৰক্ষীৰ অনুসন্ধানতহে ঘটনাটোৰ প্ৰকৃত সত্য পোহৰলৈ আহিব।

# নামখলাত গ্ৰাম্য লক্ষ্মীভঁৰাল আৰু গ্ৰাম সেৱা সংঘৰ অভিনন্দন অনুষ্ঠান

**অসম বাৰ্তা, নামখলা, ২৫ আগষ্ট ঃ** দৰং আৰু ওদালগুৰি জিলাৰ সিমান্তৱৰ্তী মিছাহাটখলা গ্ৰাম্য লক্ষ্মী ভঁৰাল আৰু মিছাহাটখলা গ্ৰাম সেৱা সংঘৰ সৌজন্যত ২০২৫ বৰ্ষত উচ্চ মাধ্যমিক, উচ্চতৰ মাধ্যমিক, স্নাতক আৰু স্নাতকোত্তৰ চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা মিছাহাটখলা অঞ্চলৰ শিক্ষাৰ্থী সকলক উৎসাহিত কৰাৰ উদেশ্যি অভিনন্দন সভা অনুষ্ঠিত কৰি মান পত্ৰ প্ৰদান কৰে। মিছাহাটখলা গ্ৰাম সেৱা সংঘ, মিছাহাটখলা গ্ৰাম্য লক্ষ্মী ভঁৰালৰ সভাপতি নিৰঞ্জন বৰুৱাই শুভাৰম্ভ কৰা আৰু সম্পাদক বুল চন্দ্ৰ ডেকাই সভাৰ উদেশ্য ব্যাখ্যা কৰা সভাত সঞ্চালকৰ আসন অলংকৃত কৰে কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ, অৱসৰপ্ৰাপ্ত জোৱান বিশিষ্ট সমাজকৰ্মী নন্দেশ্বৰ বৰুৱাই। গুৰুকুল গ্ৰুপ অব ইডুকেশ্বনেল উইং, মঙলদৈৰ সহঃ শিক্ষয়িত্ৰী, হৰস্নেহা দেৱীয়ে বন্তি প্ৰজ্বলন কৰা অভিনন্দন সভা উদ্বোধন কৰে সৰাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়, স্নাতকোত্তৰ শিক্ষক, বিশিষ্ট শিশু নাট্যকাৰ চন্দন দাসে। উদ্বোধনী ভাষণত দাসে উল্লেখ কৰে যে ছাত্ৰ-ছাত্ৰী সকলে পৰীক্ষাৰ ফলাফলত কেৱল নিজৰ পিতৃ মাতৃৰ নামেই উজ্জ্বলি নুঠাই। নিজ গাঁওখনৰ নামো পৰীক্ষাৰ ফলাফলে ভাৰত বিখ্যাত কৰি বাতৰিৰ শিৰোনাম দখল কৰিব পাৰে বুলি মন্তব্য কৰে। নিৰ্দিষ্ট বক্তাৰ ভাষণত উঁাহী উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহঃ শিক্ষক তথা ৰাষ্ট্ৰীয় পুৰস্কাৰ প্ৰাপ্ত কৃতী শিক্ষক শশাংক হাজৰিকাই কয় যে ত্ৰিশ বছৰ আগত আৰু এতিয়াৰ যি অংকীয় পদ্ধতি শিক্ষাই মনুষ্য জীৱনত যথেষ্ট প্ৰভাৱ পেলাইছে আৰু সেই সময়ৰ পৰিবেশত ছাত্ৰ-ছাত্ৰীয়ে ব্যক্তিগত বা উদ্যোগিক ক্ষেত্ৰত এটা সংস্থাপনৰ বাবে থমকি ৰৱ লগা হৈছিল। তাৰ ফলত ত্ৰিশ বছৰীয়া শিক্ষাৰ যি পৰিক্ৰমা অসমৰ শৈক্ষিক দিশত ভাৰতৰ অন্য ৰাজ্যৰ তুলনাত পিচ পৰিছিল। পঢ়া-শুনাত ভাল ভাল ছাত্ৰ-ছাত্ৰীয়ে সংস্থাপনৰ ক্ষেত্ৰত খালীঠাই পূৰণ কৰিব নোৱাৰাত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত থাকি যোৱা মনৰ ক্ষোভে আজিৰ অভিভাৱক সকলক নিজৰ ল'ৰা-ছোৱালীক চিকিৎসক, অভিযন্তাৰ হোৱাৰ বাবে প্ৰতিযোগিতা ক্ষেত্ৰখনত অভিভাৱক সকলে যথেষ্ট-পৰিশ্ৰম কৰা দেখা যায় বুলি ভাষণ প্ৰসংগত উল্লেখ কৰে। বিশিষ্ট অতিথিৰ আসন অলংকৃত কৰা কৰুণাধাৰা দৰং জিলা সহায়ক সমিতিৰ প্ৰধান সচিব, বৈভৱ বঁটাপ্ৰাপ্ত, বিশিষ্ট সমাজকৰ্মী গণেশ দত্তই ছাত্ৰছাত্ৰী সকলে নিৰাশ হৈ পঢ়াত মনোনিৱেশ কৰিলে জীৱনৰ লক্ষ্যত উপনীত হব নোৱাৰে বুলি উল্লেখ কৰি এগৰাকী ছাত্ৰ বা ছাত্ৰীয়ে হতাশ বা নিৰাশাক প্ৰশ্ৰয় নিদি নিজৰ লক্ষ্য যদি স্থিৰ কৰে সেই ছাত্ৰ বা ছাত্ৰী গৰাকী জীৱনৰ লক্ষ্যত উপনীত হ'বই বুলি অভিনন্দন অনুষ্ঠানৰ জৰিয়তে উপস্থিত থকা ছাত্ৰ-ছাত্ৰী সকলক উৎসাহীত কৰে। গাম্ভীৰ্যপূৰ্ণ সভাখন প্ৰতিকুল বতৰে বিধিপথালি দিছিল যদিও শান্তিৰঞ্জন শইকীয়াই পৰিচালন কৰা অভিনন্দন অনুষ্ঠানত আমন্ত্ৰিত অতিথি হিচাবে নামখলা গাঁও পঞ্চায়তৰ সভানেত্ৰী নিকুমণি শইকীয়া, নামখলা গাঁও পঞ্চায়তৰ সদস্য কুলদ্বীপ ডেকা নামখলা গাঁও পঞ্চায়তৰ সদস্য নাৰায়ণ ভট্টৰ লগতে কেইবাগৰাকী অৱসৰী শিক্ষক, সমাজকৰ্মী উপস্থিত থাকে। শান্তিৰঞ্জন শইকীয়াই উপস্থিত ৰাইজক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰি হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা মুঠ ২৮ গৰাকী ছাত্ৰছাত্ৰীক বিশিষ্ট ব্যক্তি সকলৰ দ্বাৰাই মান পত্ৰ সমূহ প্ৰদান কৰে। ছাত্ৰছাত্ৰী সকল ক্ৰমে প্ৰজ্ঞান কলিতা, দীপু ডেকা, ৰাকেশ ডেকা, নিতুপন শইকীয়া, ভাৰ্গৱ ডেকা, চয়নিকা ডেকা, সুৰঞ্জনা শৰ্মা, দীপাবালা কাকতি, বিতোপন বৰুৱা, জিৎপল শৰ্মা। উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ ক্ৰমে পল্লৱী শৰ্মা, স্মৃতিৰেখা ডেকা, ধুৰ্জটি প্ৰসাদ শৰ্মা, কৰিশ্মা ডেকা, হিমাশ্ৰী দেৱী, নিশিতা শৰ্মা, নিলোৎপল ডেকা, কংকুমণি শৰ্মা, দ্বীপজ্যোতি শৰ্মা। স্নাতক চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ ক্ৰমে বিতোপন শৰ্মা, কাশ্মীৰি ডেকা, মনালিছা ডেকা, মৃগাংক বৰুৱা, দিব্যজ্যোতি শৰ্মা, বি এচ চি নাৰ্চিঙত উত্তীৰ্ণ জুৰী দেৱী; বি এড পৰীক্ষাত উত্তীৰ্ণ মৌচুমী শইকীয়া, স্নাতকোত্তৰ চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ দীশামণি দেৱী, কংকনা বৰুৱাক অভিনন্দন জ্ঞাপন কৰা হয়।

# নীটত সফলতা লাভ কৰা আনফৰ 'ছুপাৰ ৫০'ৰ শিক্ষাৰ্থীক সম্বৰ্ধনা

**অসম বাৰ্তা, মোৰাঝাৰ, ২৫ আগষ্ট ঃ** হোজাইৰ কলেজ ৰোডস্থিত ষ্টাৰ হোটেলৰ সভা কক্ষত আজি এক বৃহৎ সম্বৰ্ধনা সভাৰ আয়োজন কৰা হয়। এই সম্বৰ্ধনা সভাত মৌলানা মস্তাক আনফৰ নেতৃত্বাধীন আনফৰ ছুপাৰ ৫০ৰ জৰিয়তে নীট পৰীক্ষাত সফলতা অৰ্জন কৰি বিভিন্ন চিকিৎসা আৰু অভিযান্ত্ৰিক মহাবিদ্যালয়ত নামভৰ্তি কৰিবলৈ সক্ষম হোৱা ১১ গৰাকী শিক্ষাৰ্থীক উষ্ম সম্বৰ্ধনা জনোৱা হয়। উক্ত সম্বৰ্ধনা সভাখনত আনফৰ ফাউণ্ডেশ্বনৰ আহ্বায়ক ফাৰুক আনফৰ, চেয়াৰমেন আচলম আনফৰ, অসম সংখ্যালঘু উন্নয়ন বৰ্ডৰ প্ৰাক্তন অধ্যক্ষ হবিব মহাম্মদ চৌধুৰী আদিকৰি বহু কেইগৰাকী গণ্যমাণ্য ব্যক্তি উপস্থিত থাকে। উল্লেখ্য যে দৰিদ্ৰ মেধাসম্পন্ন শিক্ষাৰ্থীসকলক চিকিৎসক আৰু অভিযন্তা হোৱাৰ সপোন পূৰণ কৰিবলৈ আনফৰ পৰিয়ালে আনফৰ ফাউণ্ডেচনৰ জৰিয়তে গ্ৰহণ কৰিছিল আনফৰ ছুপাৰ-৫০ নামৰ এক অভিলাষী আঁচনি। আনফৰ ছুপাৰ ৫০য়ে আজিৰ সৰ্বভাৰতীয় পৰ্যায়ত নিজৰ এক সুকীয়া পৰিচয় লাভ কৰি সেই বৃহৎ সপোনক বাস্তৱত পৰিণত কৰিবলৈ সক্ষম হৈছে। সমগ্ৰ দেশৰ ভিতৰতে আজি আনফৰ ছুপাৰ ৫০ ৰ শিক্ষাৰ্থীসকলে নীটত সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। নীট ২০২৪-২৫ বৰ্ষৰ পৰীক্ষাত




আনফৰ ছুপাৰ ৫০ য়ে পুনৰ অভূতপূৰ্ব সফলতা লাভ কৰি সমগ্ৰ দেশৰ ভিতৰতে উজলি উঠিছে। ২০২৪-২৫ বৰ্ষৰ নীট পৰীক্ষাত ১১ গৰাকী শিক্ষাৰ্থীয়ে সৰ্বভাৰতীয় পৰ্যায়ত স্থান লাভ কৰি ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হয়। উল্লেখ্য যে এইসকল মেধাসম্পন্ন শিক্ষাৰ্থীৰ অধিকাংশ শিক্ষাৰ্থীয়ে আৰ্থিকভাৱে পিছপৰা শিক্ষাৰ্থীসকলৰ মেধা, আগ্ৰহ আৰু চিকিৎসক, অভিযন্তা হোৱাৰ সপোনৰ কথা জানিব পাৰি আনফৰ ফাউণ্ডেচনৰ ন্যাসৰক্ষী মৌলানা মস্তাক আনফৰৰ নিৰ্দেশত আনফৰ ফাউণ্ডেচনে তেওঁলোকৰ শিক্ষাৰ সম্পূৰ্ণ খৰচ বহন কৰিছিল। লগতে আনফৰ ফাউণ্ডেচনৰ জৰিয়তে বিনামূলীয়া কোচিঙৰ ব্যৱস্থা কৰা হৈছিল। আৰ্থিকভাৱে সৱল শিক্ষাৰ্থী সকলকো বিশেষ ৰেহাই প্ৰদান কৰি উন্নত কোচিং প্ৰদানেৰে তেওঁলোকৰ এই সপোন পূৰণৰ বাবে অহোপুৰুষাৰ্থ চেষ্টা কৰিছিল আনফৰ ছুপাৰ ৫০য়ে। এই মেধাসম্পন্ন শিক্ষাৰ্থীসকলক দক্ষ প্ৰশিক্ষকৰ দ্বাৰা কোচিং প্ৰদান কৰা হৈছিল। আনফৰ ছুপাৰ ৫০ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে দিন-ৰাতি পৰিশ্ৰম কৰি শিক্ষাৰ্থী সকলৰ সপোন পূৰণ কৰিবলৈ নিষ্ঠাৰে চেষ্টা কৰিছিল। যাৰ বাবে আজি সমগ্ৰ ভাৰতৰ ভিতৰত আনফৰ ছুপাৰ ৫০ৰ শিক্ষাৰ্থীসকলে বিশেষ পাৰদৰ্শিতাৰে সুনাম অৰ্জন কৰিবলৈ সক্ষম হয়। হোজাইৰ ষ্টাৰ হোটেলৰ সভা কক্ষত অনুষ্ঠিত হোৱা সম্বৰ্ধনা সভাখনত আনফৰ ফাউণ্ডেচনে আনফৰ ছুপাৰ ৫০ ৰ কৃতি শিক্ষাৰ্থী সকলক জাপি, ফুলাম গামোচা, শৰাই আৰু পচিশ হাজাৰ টকাৰ চেক প্ৰদানৰে সম্বৰ্ধনা জনোৱা হয়।

# আউনীআটী সত্ৰৰ ৰাজমেধি বসন্ত কুমাৰ হাজৰিকাৰ মৃত্যুত আঞ্চলজুৰি শোকৰ ছাঁ

**অসম বাৰ্তা, আমগুৰি, ২৫ আগষ্ট ঃ** আউনীআটী সত্ৰৰ ৰাজমেধি আৰু আমগুৰি শাখা সত্ৰ ভূএগ্ৰহাটৰ প্ৰাক্তন পাচনী বসন্ত কুমাৰ হাজৰিকা (৮৭)ৰ বাৰ্ধক্যজনিত কাৰণত শনিবাৰে গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু ঘটে। দেৰগাঁৱত জন্মগ্ৰহণ কৰা হাজৰিকাই প্ৰায় পাঁচ বছৰ বয়সতে সত্ৰত প্ৰৱেশ কৰি উদাসীন ভকতৰূপে তেওঁৰ আধ্যাত্মিক যাত্ৰা আৰম্ভ কৰিছিল। তেওঁ আঞ্চলিক আধ্যাত্মিক আৰু সামাজিক জীৱনত সক্ৰিয়ভাৱে জড়িত হৈ সত্ৰ-সমাজৰ অন্যতম ব্যক্তি হিচাপে পৰিগণিত হৈ পৰিছিল। হাজৰিকাৰ মৃত্যু খবৰ বিয়পি পৰাৰ লগে লগে ভূএগ্ৰহাট, সাউদ গাঁও, ন-পাম গাঁও, কৈৰ্বত্ত গাঁও, আৰু ফুকন চুকসহ বহু গাঁৱৰ নামঘৰ সমাজৰ লোক একত্ৰিত হৈ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ জৰিয়তে তেওঁৰ প্ৰতি শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। উক্ত অনুষ্ঠানত আমগুৰিৰ বিধায়ক প্ৰদীপ হাজৰিকা, আঞ্চলিক আধ্যাত্মিক উত্তৰণ সংগঠনসহ বিভিন্ন সামাজিক তথা আধ্যাত্মিক অনুষ্ঠানৰ বিষয়ববীয়া আৰু সদস্যসকল উপস্থিত থাকে। আউনীআটী সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱগোস্বামী, ডেকা অধিকাৰ দেবানন্দ দেৱগোস্বামী, আমগুৰি জ্যেষ্ঠ নাগৰিক সন্মিলন আদি বিভিন্ন আধ্যাত্মিক আৰু সামাজিক সংগঠনে হাজৰিকাৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰে আৰু তেওঁৰ অৱদান স্মৰণ কৰে।

# অগপ দলৰ অসম ধৰ্মীয় সংখ্যালঘু পৰিষদৰ কেন্দ্ৰীয় সম্পাদক পাৰভেজ ৰহমানৰ পদত্যাগ

**অসম বাৰ্তা, অভয়াপুৰী, ২৫ আগষ্ট ঃ** অসম গণ পৰিষদ দলৰ অসম ধৰ্মীয় সংখ্যালঘু পৰিষদৰ কেন্দ্ৰীয় সম্পাদক তথা গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা পাৰভেজ ৰহমানে আজি নিজৰ পদৰ লগতে অগপৰ প্ৰাথমিক সদস্য পদৰ পৰা পদত্যাগ কৰে। সম্প্ৰতি ৰাজ্যখনত চলি থকা উচ্ছেদ অভিযানক লৈ উত্থিত বিতৰ্ক আৰু সমালোচনাৰ মাজতেই ৰহমানে এই সিদ্ধান্ত গ্ৰহণ কৰে। আজি অভয়াপুৰীত অনুষ্ঠিত এখন সংবাদমেলত ৰহমানে কয় যে, ৰাজ্য চৰকাৰে চলাই থকা উচ্ছেদত বিশেষকৈ সংখ্যালঘু সমাজৰ মানুহে অযথা হাৰাশাস্তি ভোগ কৰিবলগা হৈছে, যাৰ প্ৰতি তেওঁ গভীৰ দুখ প্ৰকাশ কৰিছে। তেওঁ লগতে কয়, উচ্ছেদৰ নামত যিহেতু বহু পৰিয়াল গৃহহীন হ'বলগীয়া হৈছে আৰু পুনঃসংস্থাপনৰ কোনো ব্যৱস্থা চৰকাৰে আগবঢ়োৱা নাই, সেয়া মানুহক গৃহহীন কৰাৰ এক নিদাৰুণ প্ৰচেষ্টা। ইয়াৰ লগতে উচ্ছেদিত লোকসকলক 'বহিৰাগত' বুলি আখ্যা দিয়াটোও এক সংবেদনশীল বিষয়ক ৰাজনৈতিকভাৱে ব্যৱহাৰ কৰা বুলি ৰহমানে মন্তব্য কৰে। পাৰভেজ ৰহমানে অভিযোগ তোলে যে, অগপ দল চৰকাৰৰ অংশীদাৰ হোৱাৰ বাবেই এনে উচ্ছেদ অভিযানত মুকলি সমৰ্থন জনাইছে। দলৰ কেন্দ্ৰীয় সভাপতি আৰু কাৰ্যকৰী সভাপতি উভয়ৰ ভূমিকাই দলৰ সংবিধানৰ মুল আদৰ্শৰ লগত নীতি বিৰোধী বুলি উল্লেখ কৰি তেওঁ কয় যে, সংবিধানত দিয়া মৌলিক অধিকাৰক উপেক্ষা কৰি অগপ দল সংখ্যালঘু জনগোষ্ঠীৰ বিপৰীতে এনেকুৱা কঠোৰ মনোভাব গ্ৰহণ কৰিছে। এইবোৰ কাৰণতেই ৰহমানে অগপৰ প্ৰাথমিক সদস্য পদৰ লগতে সকলো ধৰণৰ দলীয় দায়িত্ব আৰু পদবী একেলগে ত্যাগ কৰাৰ সিদ্ধান্ত লয়। তেওঁৰ এই পদত্যাগক অগপ দলৰ ভিতৰতে নতুন এক বিতৰ্কৰ জন্ম দিছে। সংখ্যালঘু সমাজৰ লগত জড়িত ৰাজনীতিত এই ঘটনা উল্লেখযোগ্য প্ৰভাৱ পেলাব বুলি ধাৰণা কৰা হৈছে। উল্লেখযোগ্য যে দীৰ্ঘদিন ধৰি পাৰভেজ ৰহমানে ১৭ নং সৃজনগ্ৰাম বিধানসভা সমষ্টিত নীৰৱচ্ছিন্ন ভাৱে তৃণমূল পৰ্যায়ত কাম কৰি আছিল। কিন্তু হঠাতেই একাংশ নেতাই পাৰভেজ ৰহমানক পৰোক্ষ ভাৱে একাষৰীয় কৰি জনৈক ছাহিদুল হক ওৰফে 'গাৰো' নামৰ ব্যক্তি এগৰাকীক ১৭ নং সৃজনগ্ৰাম বিধান সভা সমষ্টিৰ প্ৰাৰ্থীৰূপে প্ৰক্ষেপ কৰাত সমষ্টিটোত থকা পাৰভেজ ৰহমানৰ সমৰ্থক সকলৰ হেঁচাত ৰহমানে অগপ দল ত্যাগ কৰা বুলি বিশেষ সূত্ৰে জনা গৈছে।

# হাজোত আৰক্ষীৰ অভিযানত নিচাযুক্ত সামগ্ৰী জব্দ, আটক ৩

**অসম বাৰ্তা, হাজো, ২৫ আগষ্ট ঃ** কামৰূপ জিলাৰ হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত গাওঁসমূহত দিনক দিনে বৃদ্ধি পাইছে মদ, গাঞ্জা, ড্ৰাগছকে আদি কৰি বিভিন্ন মাদক দ্ৰব্যৰ ৰমৰমীয়া ব্যৱসায়। ইয়াৰ মাজতে কালি নিশা হাজো আৰক্ষীয়ে অভিযান চলাই জব্দ কৰে বৃহৎ পৰিমাণৰ নিচাযুক্ত কফ চিৰাপ। জানিব পৰা মতে, এক গোপন সূত্ৰৰ খবৰৰ ভিত্তিত হাজো আৰক্ষীয়ে ৰামদিয়া আৰক্ষী চকীৰ সহযোগত হাজোৰ মিলপাৰাত অভিযান চলাই জব্দ কৰিবলৈ সক্ষম হয় উক্ত নিচাযুক্ত সামগ্ৰীসমূহ। হাজোৰ মিলপাৰাৰ এঘৰ লোকৰ পৰা এখন টেম্পো বাহনেৰে বৰুৱাবাৰীলৈ সৰবৰাহ কৰি থকা সময়তে আৰক্ষীয়ে বাহনসহ জব্দ কৰে অবৈধ কফ চিৰাপখিনি। অভিযানত আৰক্ষীয়ে নিচাযুক্ত সামগ্ৰী সৰবৰাহ কৰা AS-25-CC-5609 নম্বৰৰ টেম্পোখনৰ লগতে সৰবৰাহকাৰীয়ে ব্যৱহাৰ কৰা AS- 01 EA-5732 নম্বৰৰ আন এখন চাৰিচকীয়া বাহন জব্দ কৰে। আনহাতে এই অভিযানত নিচাযুক্ত সামগ্ৰী সৰবৰাহত জড়িত তিনিজনকৈ ব্যক্তিক আটক কৰিবলৈ সক্ষম হয়। আটকাধীন লোককেইজন - হাজো মিলপাৰাৰ নুৰুল আমিন, আশ্ৰাফুল আলম আৰু বাবৰ আলী। উল্লেখ্য যে, আৰক্ষীয়ে আটক কৰা লোক কেইজনৰ স্বীকাৰোক্তিৰ ভিত্তিত মিলপাৰাৰ এটা গুদামত অভিযান চলাই আৰক্ষীয়ে জব্দ কৰে আন ৭ কাৰ্টন কফ চিৰাপ। আৰক্ষীয়ে জানিবলৈ দিয়া মতে জব্দকৃত কফ চিৰাপখিনিৰ আনুমানিক বজাৰ মূল্য ৩ লক্ষাধিকৰো অধিক।

BTC নিৰ্বাচন কেন্দ্ৰ কৰি সংগঠন শক্তিশালীকৰণৰ ওপৰত গুৰুত্ব

# গোঁসাইগাঁৱত AIUDFৰ কাৰ্য্যকৰী সভা

**অসম বাৰ্তা, গোঁসাইগাঁও, ২৫ আগষ্ট ঃ** AIUDFৰ গোঁসাইগাঁও জিলা সমিতিৰ উদ্যোগত আজি কৰিমবজাৰস্থিত দলীয় কাৰ্যালয়ত এক গুৰুত্বপূৰ্ণ কাৰ্য্যকৰী সভা অনুষ্ঠিত হয়। উক্ত সভাত বিশেষকৈ সমাগত BTC পৰিষদৰ নিৰ্বাচনক কেন্দ্ৰ কৰি সংগঠনৰ ভেটি অধিক দৃঢ় আৰু শক্তিশালী কৰাৰ প্ৰয়াস চলোৱা হয়। সভাত দলীয় কাৰ্যকলাপ, সাংগঠনিক দিশ আৰু আগন্তুক নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত বিস্তৃত আলোচনা কৰা হয়। সভাত জিলা সমিতিৰ সভাপতি খালিলুৰ ৰহমান, সম্পাদক আৰু অন্য নেতৃত্বসকল উপস্থিত থাকি দলৰ ভৱিষ্যৎ দিশ সন্দৰ্ভত একগোট সিদ্ধান্ত গ্ৰহণ কৰে। সন্মিলনত সভাপতি গৰাকীয়ে সদৰি কৰে যে গোঁসাইগাঁও জিলা সমিতিৰ অন্তৰ্গত তিনিখন সমষ্টিত — ২ নং গুমা, ৩ নং শ্ৰীৰামপুৰ আৰু ৬ নং কাচুগাঁও — AIUDF দলে প্ৰাৰ্থীত্বৰ বাবে কেন্দ্ৰীয় সমিতিলৈ আবেদন জনাব। সভাপতি ৰহমানে দাবী কৰে যে, এই তিনিখন সমষ্টিত AIUDF দল যথেষ্ট শক্তিশালী স্থানত আছে আৰু বিশেষকৈ গুমা সমষ্টিত দলটোৱে পুনৰ আসনটো দখল কৰাৰ ক্ষেত্ৰত আশাবাদী। তেওঁ উল্লেখ কৰে যে, সমষ্টিসমূহত অনুষ্ঠিত সভাসমূহত বিভিন্ন জাতি-জনগোষ্ঠীৰ সক্ৰিয় অংশগ্ৰহণ পৰিলক্ষিত হৈছে, যিয়ে AIUDFৰ বাবে এক উৎসাহজনক দিশ প্ৰতিপন্ন কৰিছে। সভাপতিগৰাকীয়ে আনহাতে ক্ষোভ প্ৰকাশ কৰি কয় যে, সংখ্যালঘু লোকক আঞ্চলিক দলসমূহে বহুদিন ধৰি কেৱল ভোট বেংকৰ ৰূপত ব্যৱহাৰ কৰি আহিছে। এইবাৰ ৰাইজে সেই মনোভাৱৰ বিৰুদ্ধে প্ৰতিক্ৰিয়া দেখুৱাই AIUDF দলৰ পৰা অধিক আশা প্ৰকাশ কৰিছে আৰু দলটোক আঁকোৱালি লোৱাৰ মনস্থ কৰিছে।

# জালান আয়ৰন এণ্ড ষ্টিল কোম্পানীত শ্ৰমিক জীৱন্তে অগ্নিদগ্ধ হৈ মৃত্যু

**অসম বাৰ্তা, কমলপুৰ, ২৫ আগষ্ট ঃ** উত্তৰ কামৰূপ সম্প্ৰতি উদ্যোগিক হাবলৈ পৰিণত। ৩১ নং ৰাষ্ট্ৰীয় ঘাইপথৰ জালুকবাৰীৰ পৰা ৰঙিয়ালৈ সৰু বৰ উদ্যোগ প্ৰতিষ্ঠানে ত্ৰাহিমধুসূদন দেখাইছে বৃহত্তৰ অঞ্চলবাসীক। দক্ষতাপূৰ্ণ আৰু অদক্ষতাপূৰ্ণ শ্ৰমিকৰে ঠাহ খাই থকা উদ্যোগ প্ৰতিষ্ঠান সমূহে শ্ৰমিকৰ ন্যূনতম সা-সুবিধাৰ লক্ষ্য নাৰাখি নিজৰ লাভাংশ্য আদায় কৰি আহিছে। শেহতীয়াকৈ চাংসাৰি আৰক্ষী থানাৰ অন্তৰ্গত মদনপুৰ টোলগেটৰ সমীপৱৰ্তী জালান আয়ৰন এণ্ড ষ্টিল কোম্পানীত কৰ্মৰত অৱস্থাত এজন শ্ৰমিক জীৱন্তে অগ্নিদগ্ধ হৈ মৃত্যু সাবতি লবলগা হয়। ঘটনাৰ বিৱৰণ অনুসৰি শনিবাৰৰ পুৱতি নিশাৰ ভাগত ক্ৰেন চালক বাইহাটা চাৰিআলি থানাৰ অন্তৰ্গত কোচপাৰা নিবাসী নন্দ দাস নামৰ শ্ৰমিক জনৰ অজ্ঞাতে লো গলোৱা অগ্নিকুণ্ডত কোনো কাটিং নকৰাকৈ এটি গেছ চিলিণ্ডাৰ জাতীয় সামগ্ৰী পেলায় দিয়ে। ফলশ্ৰুতিত তৎমূহৰ্তত জুইয়ে আবৰি ধৰে ছয়জন শ্ৰমিকক। ইয়াৰে ভিতৰত নন্দ দাস গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈ নেমকেয়াৰ হাস্পতালত আজি পুৱতি নিশা মৃত্যুক সাৱতি লয়। অভিযোগ অনুসৰি কোম্পানীৰ স্বত্বাধিকাৰীয়ে নীতি বহিৰ্ভুত ভাৱে কোনো সুৰক্ষা আচবাব নিদিয়াকৈ ফেক্টৰীৰ কামত নিয়োজিত কৰি আহিছে। স্থানীয় ৰাইজে দৰিদ্ৰ পৰিয়ালটিৰ একমাত্ৰ উপাৰ্জনকাৰী ব্যক্তিজনৰ মৃত্যুত ক্ষোভ প্ৰকাশৰ লগতে উপযুক্ত ক্ষতিপুৰণৰ দাবী জনাইছে।

অধিৱেশনৰ মুকলি সভাত অংশগ্ৰহণ সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মা

# বিজনীত সদৌ চিৰাং জিলা ছাত্ৰ সন্থাৰ দ্বিতীয় বাৰ্ষিক বিজনী অধিৱেশন

**অসম বাৰ্তা, বিজনী, ২৫ আগষ্ট ঃ** বিজনী আঞ্চলিক ছাত্ৰ সন্থা আৰু বিজনীবাসী ৰাইজৰ সহযোগত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত অধিৱেশনৰ আজি দ্বিতীয় দিনৰ কাৰ্যসূচীত সভাপতি উৎপল শৰ্মা




অংশগ্ৰহণ কৰি সম্প্ৰতি ৰাজ্য চৰকাৰে চলাই অহা উচ্ছেদ অভিযানৰ ওপৰত কেবাটাও গুৰুত্বপূৰ্ণ মন্তব্য কৰাৰ লগতে অসমৰ জ্বলন্ত অবৈধ বিদেশীৰ সমস্যা সমাধান সূত্ৰ অসম চুক্তিৰ ৫ নং দফাত সকলো লুকাই আছে বুলি কয়। অসম চুক্তি মৰ্মে ১৯৭১ চনৰ পিছত অহা হিন্দুই হওক মুছলমানে হওক যাব লাগিব। অসমৰ স্থায়ী শান্তি আৰু প্ৰগতি অসম চুক্তিত লুকাই আছে। ৪০ বছৰে অসম চুক্তি ৰূপায়ণ নকৰাৰ বাবে জাতিটোৰ প্ৰতি অহা সংকট প্ৰকোট হ'ল। অসম চুক্তিৰ প্ৰতিটো দফা আখৰে আখৰে ৰূপায়ণ কৰি অসমৰ নাগৰিকক সুৰক্ষিত কৰিব লাগে বুলি কয় উৎপল শৰ্মাই। সদৌ অসম ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক সুদীপ চন্দই সভাপতিত্বত অনুষ্ঠিত উক্ত সভাত উৎপল শৰ্মাৰ উপৰিও আছুৰ কেবাজনো নেতৃত্ব অংশগ্ৰহণ কৰে।

# মাজুলী জিলা ছাত্ৰ সন্থাৰ ৰাজহুৱা সভা সম্পন্ন

**অসম বাৰ্তা, উজনী মাজুলী, ২৫ আগষ্ট ঃ** সদৌ মাজুলী জিলা ছাত্ৰ সন্থাৰ দ্বিতীয় বাৰ্ষিক অধিৱেশনখনি এইবাৰ জেংৰাই আঞ্চলিক ছাত্ৰ সন্থাৰ সহযোগত আৰু ফুলনি অঞ্চল বাসী ৰাইজৰ আতিথ্যত ফুলনিত অহা অক্টোবৰ মাহৰ ভিতৰত অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰি, আজি ফুলনি উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰাংগণত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। সদৌ মাজুলী জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক দীপাংকৰ ৰাজখুৱাই আঁত ধৰা ৰাজহুৱা সভাখনিত সভাপতিত্ব কৰে সদৌ মাজুলী জিলা ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি প্ৰাঞ্জল শইকীয়াই। সভাত উপস্থিত থাকে সদৌ অসম ছাত্ৰ সন্থাৰ সাংস্কৃতিক সম্পাদক বিতোপন শৰ্মা, কাৰ্যনিৰ্বাহক সদস্য ৰংগৰস মহন্ত, সদৌ মাজুলী জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা ক্ৰমে - সূৰ্যকুমাৰ ভুএগ, পবিত্ৰ গোস্বামী, অজিত হাজৰিকা, জেংৰাই আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি ৰজত শইকীয়া, অসম সেনাৰ আহ্বায়ক দীপক নেওঁগ, জেংৰাইমুখ মহাবিদ্যালয়ৰ প্ৰবক্তা বিনোদ দাস, গোৰ্খা সন্মিলনৰ সম্পাদক মণিকুমাৰ নেৱাৰ, বিভিন্ন বিদ্যালয়-মহাবিদ্যালয়ৰ শিক্ষাগুৰুসকল, বিভিন্ন দল-সংগঠনৰ নেতৃস্থানীয় ব্যক্তিসকল, মহিলা সংগঠনৰ বিষয়ববীয়া সকলে, সমাজৰ গণ্য-মাণ্য ব্যক্তি সকল তথা ছাত্ৰ সন্থাৰ বিভিন্ন বিষয়ববীয়া সকল। আজি অনুষ্ঠিত ৰাজহুৱা সভাৰ সিদ্ধান্ত মৰ্মে আগন্তুক জিলা ছাত্ৰ সন্থাৰ অধিৱেশন খনি সৰ্বাংগসুন্দৰ ভাৱে অনুষ্ঠিত কৰিবলৈ জেংৰাইমুখ মহাবিদ্যালয়ৰ প্ৰৱক্তা বিনোদ দাসক সভাপতি আৰু যুটীয়া সম্পাদক হিচাপে বিতোপন শৰ্মা আৰু পবিত্ৰ গোস্বামী আৰু উপস্থিত থকা বিভিন্ন ব্যক্তি সকলক লৈ এখন শক্তিশালী অভ্যৰ্থনা সমিতি গঠন কৰে।

# শংকৰদেৱ শিশু বিদ্যা নিকেতন, বৰভাগত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাৱ তিথি পালন

**অসম বাৰ্তা, বাহাৰঘাট, ২৫ আগষ্ট ঃ** নলবাৰী জিলাৰ অন্তৰ্গত বৰভাগৰ অগ্ৰণী শিক্ষানুষ্ঠান শংকৰদেৱ শিশু বিদ্যা নিকেতন বৰভাগত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাৱ তিথি অতি উলহ মালহেৰে আৰু আধ্যাত্মিক ভাৱে পালন কৰা হয়। উপ-প্ৰধানাচাৰ্য শ্ৰী কীচক কুমাৰ বৈশ্যই আত ধৰা অনুষ্ঠানটোত মহাপুৰুষ শংকৰদেৱৰ ফটোত পুষ্পাঞ্জলি আৰু বন্তি প্ৰজ্বলন কৰে নিকেতনৰ প্ৰধান আচাৰ্য শ্ৰী নৰেশ্বৰ ডেকাই। নিকেতনৰ আচাৰ্য শ্ৰী কিশোৰ কুমাৰ শৰ্মা আৰু আচাৰ্যা বনশ্ৰী ভট্ট তালুকদাৰৰ নেতৃত্বত সপ্তম, অষ্টম, নৱম আৰু দশম শ্ৰেণীৰ ছাত্ৰীৰ দ্বাৰা বৰগীত আৰু দিহানাম পৰিবেশন কৰা হয়। দ্বিতীয়ৰ পৰা পঞ্চম শ্ৰেণীৰ ছাত্ৰ -ছাত্ৰীৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতা আৰু ষষ্ঠ শ্ৰেণীৰ পৰা দশম শ্ৰেণীৰ ছাত্ৰ -ছাত্ৰীৰ মাজত ৰচনা প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰসাদ বিতৰণেৰে অনুষ্ঠানৰ সফল সমাপ্তি ঘটে।

বহু সংখ্যক দুষ্প্ৰাপ্য চৰাই উদ্ধাৰ, পলায়ন দুই চোৰাং চিকাৰী

# লাহৰীঘাটত চোৰাং চৰাই চিকাৰীৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান

**অসম বাৰ্তা, ভূৰাগাঁও, ২৫ আগষ্ট ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটত চোৰাং চৰাই চিকাৰীৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান অব্যাহত আছে। যোৱা নিশা লাহৰীঘাট সমজিলা আৰক্ষী অধীক্ষকৰ নেতৃত্বত যোৱা আৰক্ষীৰ দলে লাহৰীঘাটৰ পলাশজুৰিত অভিযান চলাই বহু সংখ্যক দুষ্প্ৰাপ্য চৰাই উদ্ধাৰ কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে দুষ্প্ৰাপ্য চৰাই উদ্ধাৰ কৰাৰ সময়তেই দুই চোৰাং চৰাই চিকাৰী পলায়ন কৰিবলৈ সক্ষম হয়। পলায়ন কৰা চোৰাং চৰাই চিকাৰী হবিবুৰ ৰহমান আৰু বাহাৰুল ইছলামে দীৰ্ঘদিন ধৰি দুষ্প্ৰাপ্য চৰাই চিকাৰ কৰি আহিছে। বিভিন্ন চৰাইৰ মাত ৰেকৰ্ডিং কৰি দুষ্প্ৰাপ্য চৰাই ধৰি আহিছে। পিছত এই দুষ্প্ৰাপ্য চৰাই সমূহ একাংশ মাংস লোভী লোকৰ হাতত ১৫০-২০০ টকাত বিক্ৰী কৰি দিয়ে। কিছুদিন পূৰ্বে আৰক্ষীয়ে অভিযান চলাই কেবাটাও চোৰাং চৰাই চিকাৰী গ্ৰেপ্তাৰ কৰাৰ লগতে বহু সংখ্যক দুষ্প্ৰাপ্য চৰাই উদ্ধাৰ কৰিছিল। এনে ঘটনাৰ চাঞ্চল্য মাৰ নাযাওঁতেই পুনৰ বৃহৎ পৰিমাণৰ এনে চৰাই উদ্ধাৰ হোৱা ঘটনাত উদ্বেগ প্ৰকাশ কৰিছে প্ৰকৃতিপ্ৰেমীসকলে।

# নাগ্ৰীজুলীত তামোলপুৰ জিলা গোৰ্খা সন্মিলনৰ কাৰ্যকৰী সভা

**অসম বাৰ্তা, কুমাৰীকাটা, ২৫ আগষ্ট ঃ** তামোলপুৰ জিলাৰ ভূটান সীমান্তৰ নাগ্ৰীজুলীত অসম গোৰ্খা সন্মিলন তামোলপুৰ জিলা সমিতিৰ এখনি কাৰ্যকৰী সভা অনুষ্ঠিত হয়। দিনৰ ১২ বজাৰ পৰা জিলা সমিতিৰ সভাপতি নৰেন কাৰ্কীৰ সভাপতিত্ব অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সমিতিৰ সাধাৰণ সম্পাদক এলবি চুবেয়ে। আজিৰ সভাত SIR, D. Voter, ভূমি সমস্যাক লৈ বিশেষ চৰ্চা কৰা হয়। কাৰ্যকৰী সভাত অসম চৰকাৰৰ প্ৰাক্তন মন্ত্ৰী পদম বাহাদুৰ চৌহান, বিটিচিৰ প্ৰাক্তন এমচিএলএ বাসুদেৱ উপাধ্যায়, অসম গোৰ্খা সন্মিলন বিটিআৰ ক্ষেত্ৰীয় সমিতিৰ সভাপতি পিতাম্বৰ পাঠক, মুখ্য উপদেষ্টা ডিলু শৰ্মা কন্দ্ৰীয় সমিতিৰ মুখ্য সম্পাদক লক্ষ্মী চেডাই হিচাপ নিৰীক্ষক হৰি চুংগেল, সদৌ অসম গোৰ্খা ছাত্ৰ সন্থা তামোলপুৰ জিলা সমিতিৰ সভাপতি ৰাজু তামাঙ, সাধাৰণ সম্পাদক টংক ভট্টৰাইৰ লগতে কেইবাগৰাকী গোৰ্খা সন্মিলনৰ বিষয়ববীয়াৰ তামোলপুৰ জিলা সমিতিৰ অন্তৰ্গত শাখা সমিতিৰ সভাপতি সম্পাদক উপস্থিত থাকে।

# শিৱসাগৰ দোপদৰৰ সপ্তম শ্ৰেণীৰ ছাত্ৰ নিৰুদ্দেশ

**অসম বাৰ্তা, নামতি, আমগুৰি, ২৫ আগষ্ট ঃ** শিৱসাগৰ জিলাত সঘনাই যুৱক-যুৱতী নিৰুদ্দেশৰ ঘটনা সংঘটিত হৈ আহিছে। যোৱা ২১ আগষ্টৰ পৰা নিৰুদ্দেশ হৈ আছে শিৱসাগৰ জিলাৰ দোপদৰ উড়িয়া বস্তিৰ এজন সপ্তম শ্ৰেণীৰ ছাত্ৰ। ছাত্ৰজনৰ নিৰুদ্দেশৰ সন্দৰ্ভত হালোৱাটিং থানাত পৰিয়ালৰ এজাহাৰ দাখিল কৰিছে। শিৱসাগৰ জিলাৰ হালোৱাটিং আৰক্ষী থানাৰ অন্তৰ্গত দোপদৰ উড়িয়াবস্তিৰ ধ্ৰুৱ খদলৰ পুত্ৰ তথা সপ্তম শ্ৰেণীৰ ছাত্ৰ সুৰজ খদল ২১ আগষ্টৰ সন্ধিয়াৰে পৰা নিৰুদ্দেশ হৈ আছে। পৰিয়ালৰ লোকে ছাত্ৰজনক বিভিন্ন ঠাইত বিচাৰ-খোচাৰ কৰিও কোনোধৰণৰ সন্ধেদ নোপোৱাত হালোৱাটিং আৰক্ষী থানাত নিৰুদ্দেশ সন্দৰ্ভত এখন এজাহাৰ দাখিল কৰিছে। কোনো সদাশয় ব্যক্তিয়ে ছাত্ৰজনক কৰবাত দেখা পালে ৬০০১০-৭০৫৪১, ৬৯০০৮-৬৩৪৬৮ নম্বৰত যোগাযোগ কৰিবলৈ পৰিয়ালে আহ্বান জনাইছে।

# টিয়কহাবি সপ্তাহজোৰা ফুটবল প্ৰতিযোগিতাত 'সাপেখাতী ক্ৰীড়া খিতাপ অৰ্জন'

**অসম বাৰ্তা বিশেষ, সোণাৰি, ২৫ আগষ্ট ঃ** চৰাইদেউ জিলাৰ সোণাৰি টিয়কহাবি ৰাজহুৱা খেলপথাৰত অনুষ্ঠিত হোৱা নিখিল বড়ো ছাত্ৰ সন্থা চৰাইদেউ জিলা সমিতি আৰু টিয়কহাবি ক্ৰীড়া সন্থা উদ্যোগত তথা ৰাইজৰ সহযোগিতাত আয়োজিত হোৱা স্বৰ্গীয় হেমকান্ত বসুমতাৰী, স্বৰ্গীয় পদ্মেশ্বৰ বসুমতাৰী সোঁৱৰণী ট্ৰফী ও প্ৰাইজমণি ফুটবল প্ৰতিযোগিতা সামৰণি পৰে। আজি চূড়ান্ত খেলত টাইব্ৰেকা জৰিয়তে সাপেখাতী ক্ৰীড়া সন্থাই চূড়ান্ত খিতাপ অৰ্জন কৰে। চূড়ান্ত খেলখনত সাপেখাতী ক্ৰীড়া সন্থাই ৰজাপুখুৰী এফ চিক টাইব্ৰেকা সহায়ত ৩-২ গ'লৰ ব্যৱধানত পৰাজিত কৰে। নিৰ্ধাৰিত সময়লৈকে গ'ল শূন্য ভাৱে সমাপ্ত হোৱাত পৰিচালকে টাইব্ৰেকা পদ্ধতি অৱলম্বন কৰে। সাপেখাতী ক্ৰীড়া সন্থা হৈ ৰাহুল হাজৰিকা, ৰূপম গগৈ, আৰু জিৎ ওৰাঙে গ'ল কাৰ্যকৰী কৰা বিপৰীতে কৃষ্ণাণু মেছে গ'ল দিবলৈ সক্ষম নহয়। আনহাতে ৰজা পুখুৰী হৈ গোবিন্দ ওৰাঙ, আকাশ মাঝীৰে গ'ল দিয়া বিপৰীতে সিদ্ধান্ত চেতিয়া, শংকৰ নাগবংশী, মুন্না গগৈয়ে গ'ল কাৰ্যকৰী কৰাত ব্যৰ্থ হয়। শ্ৰেষ্ঠ খেলুৱৈ হিচাপে অমৰ কছাৰীয়ে খিতাপ অৰ্জন লাভ কৰাৰ লগতে টুটু বড়া শ্ৰেষ্ঠ গ'লকীপাৰ বঁটা লাভ কৰিব সক্ষম হয়। উক্ত খেলপৰিচালক হিচাপে ঘন বড়া বৰাৰ নেতৃত্বত গৌতম বড়া, ৰোমান চুতীয়া, মনোজ বড়া, দিগন্ত লাহনে সুন্দৰভাৱে ভাবে খেল পৰিচালনা কৰে। উক্ত সামৰণি অনুষ্ঠানত উপস্থিত থাকে স্থানীয় বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰ, অসম উদ্যোগিক উন্নয়ন নিগম (অধ্যক্ষ)তপন কুমাৰ গগৈ, দেমবিৰাঙ পাংগিং "অধ্যক্ষ"অসম সম্পদ শিৱসাগৰ/নাজিৰা, চৰাইদেউ ক্ৰীড়া সন্থা সাধাৰণ সম্পাদক মইদুল ইছলাম বৰা, অৱসৰ প্ৰাপ্ত উপাধ্যক্ষ মণি গগৈ, সংযুক্ত বড়ো গণ মঞ্চ উপসভাপতি ৰঞ্জন বসুমতাৰী প্ৰমুখ্যে কৰি দাতা পৰিয়ালৰ লগতে বিভিন্নজন ব্যক্তি উপস্থিত থাকে। সপ্তাহজোৰা ফুটবল প্ৰতিযোগিতাত চৰাইদেউ জিলা সমিতিৰ "এবছু" সভাপতি/ সম্পাদক ইন্দ্ৰজিত খাখলাৰী, নৱজ্যোতি নাৰ্জাৰী লগতে টিয়কহাবি ক্ৰীড়া সন্থাৰ সভাপতি/ সম্পাদক বিকাশ দৈমাৰী আৰু দ্বীপ নাৰ্জাৰী নেতৃত্বত সকলো সদস্য একত্ৰিত হৈ শান্তিপূৰ্ণভাৱে সামৰণি মাৰে। জনগণৰ সহঁাৰিয়ে সপ্তাহজোৰা ফুটবল প্ৰতিযোগিতা কেইখন জীপাল কৰি তুলিলে।

# আজাৰাৰ হৰি গায়ত্ৰী মহাবিদ্যালয়ত কামৰূপ জিলা কবি সন্মিলনৰ পূৰ্ণাংগ সমিতি গঠন

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ২৫ আগষ্ট ঃ** সদৌ অসম কবি সন্মিলনৰ অন্তৰ্ভূক্ত কামৰূপ জিলা কবি সন্মিলনৰ পূৰ্ণাংগ সমিতিখন যোৱা ২৪-০৮-২০২৫ ইংৰাজী ৰবিবাৰে গুৱাহাটীৰ আজাৰা হৰি গায়ত্ৰী মহাবিদ্যালয়ত সদৌ অসম কবি সন্মিলনৰ উদ্যোগত কামৰূপ জিলাৰ বিভিন্ন প্ৰান্তৰ পাঁচটাকৈ শাখাৰ সহযোগত কামৰূপ জিলা কবি সন্মিলনৰ পূৰ্ণাংগ সমিতি গঠন আৰু 'কাব্যদিন' অনুষ্ঠান সুকলমে অনুষ্ঠিত হয়। সদৌ অসম কবি সন্মিলনৰ সম্পাদক কৃষ্ণ দৈমাৰীয়ে আঁত ধৰা অনুষ্ঠানটিত সভাপতিত্ব কৰে সদৌ অসম কবি সন্মিলনৰ সভাপতি ৰাজুমণি বেজবৰুৱাই। সভাত উদ্বোধনী ভাষণ প্ৰদান কৰে সদৌ অসম কবি সন্মিলনৰ প্ৰধান সম্পাদক পাৰভিজ হুছেইনে। সভাত উপস্থিত থকা বিশিষ্ট ব্যক্তিসকল ক্ৰমে আজাৰাৰ হৰি গায়ত্ৰী দাস মহাবিদ্যালয়ৰ অধ্যক্ষা ডঃ বিজু বৰুৱা, সদৌ অসম কবি সন্মিলনৰ 'নতুন কবিতা'ৰ সভাপতি ড° ইফটিকাৰ আলী আহমেদ, সদৌ অসম কবি সন্মিলনৰ সম্পাদক কৃষ্ণ দৈমাৰী, সদৌ অসম কবি সন্মিলনৰ সাংগঠনিক সম্পাদক তথা বিশিষ্ট কবি মৃণাল কুমাৰ বৰা, সদৌ অসম কবি সন্মিলনৰ ৰাজ্যিক উপ-সমিতিৰ যুৱ শাখাৰ সমন্বয়ক পঞ্চমী সৰকাৰ, সদৌ অসম কবি সন্মিলনৰ ৰাজ্যিক সাধাৰণ পৰিষদৰ সদস্যদ্বয় ক্ৰমে শোভন কুমাৰ মেধি আৰু কুমাৰ ৰাহুল, কামৰূপ মহানগৰ জিলা কবি সন্মিলনৰ উপ সভাপতি প্ৰভাত বৰদলৈ, জ্যেষ্ঠ সাংবাদিক মনোৰঞ্জন ভট্টাচাৰ্য। উল্লেখ্য যে অনুষ্ঠানৰ আৰম্ভণিতে জনতাৰ কবি ৰাম গগৈৰ সোঁৱৰণত পুষ্পাঞ্জলি আৰু বন্তি প্ৰজ্বলন কৰে সদৌ অসম কবি সন্মিলনৰ সভাপতি ৰাজুমণি বেজবৰুৱাই। বন্তি প্ৰজ্বলনৰ পাছতেই সবিতা দেৱী বৰুৱাই গোৱা সৰস্বতী বন্দনাৰে অনুষ্ঠানৰ মূল কাৰ্যসূচী আৰম্ভ হয়। অনুষ্ঠানৰ মাজতে কৃষ্ণচূড়া শাখা কবি সন্মিলনৰ বিষয়ববীয়া তথা সদস্য-সদস্যাসকলে এটি সমবেত গীত পৰিবেশন কৰে। সভাত উল্লিখিত ব্যক্তি সকলৰ ভাষণ প্ৰদানৰ পাছতেই ক্ৰমে কবি জগন্নাথ কলিতাক সভাপতি, অচ্যুৎ কলিতাক সম্পাদক, ড° শেৱালি কলিতা দাস, ভবেশ চন্দ্ৰ ডেকা আৰু মনোৰঞ্জন ডেকাক উপ সভাপতি, চবিন চন্দ্ৰ নাথ আৰু মিৰ্জা লুটফাৰ ৰহমানক সহ সম্পাদক, শুক্লেশ্বৰ মালীক কোষাধ্যক্ষ, জিণ্টুমণি শৰ্মাক প্ৰচাৰ সম্পাদক, দীপাঞ্জলি গোস্বামীক সাংগঠনিক সম্পাদক, চম্পাৱতী কলিতাক পত্ৰিকা সম্পাদক, অলি বৰুৱাক কাৰ্যালয় সম্পাদক, সঞ্জয় কুমাৰ দাস, পৃথক কলিতা, নবীন নাথ, ফুলমণি দাস, জোন জোনালী ডেকাক কাৰ্যনিৰ্বাহক সদস্য হিচাপে লৈ কামৰূপ জিলা কবি সন্মিলনৰ পূৰ্ণাংগ সমিতিখন গঠন কৰা হয়। উপদেষ্টা হিচাপে মনোনীত কৰা বিশিষ্ট ব্যক্তিসকল হ'ল ৰক্তিমা ডেকা বৰুৱা, খগেন্দ্ৰজিৎ ঠাকুৰীয়া, অনিল কুমাৰ গোস্বামী, মাণিক চন্দ্ৰ দত্ত, পমী গোস্বামী, মনোৰঞ্জন ভট্টাচাৰ্য, ৰুণমী তালুকদাৰ। মনোনীত সদস্য হিচাপে নিৰ্বাচিত হয় সবিতা দেৱী বৰুৱা, ৰুণজুলা শৰ্মা, উষা দেৱী, জয়শ্ৰী শৰ্মা ভট্টাচাৰ্য, হিমালী কলিতা আৰু হেমেন চন্দ্ৰ হাজৰিকা। সভাত ৮০ জনকৈও অধিক কবিয়ে স্বৰচিত কবিতা পাঠ আৰু গীত পৰিবেশন কৰে। আনহাতে, সদৌ অসম কবি সন্মিলনৰ আমন্ত্ৰণক্ৰমে নলবাৰী জিলাক প্ৰতিনিধিত্ব কৰি বৰক্ষেত্ৰী কবি সন্মিলনৰ উপ-সভাপতি তথা বি আৰ আম্বেদকাৰ বঁটাপ্ৰাপক বিপিন চন্দ্ৰ দাস, বৰক্ষেত্ৰী কবি সন্মিলনৰ সম্পাদক তথা যুৱ প্ৰজন্মৰ কবি-লেখক তথা শঙ্কৰ-মাধৱ হাইস্কুলৰ শিক্ষক পিংকু মণি ৰায় চৌধুৰী, সহ-সম্পাদক তথা বৰক্ষেত্ৰীৰ সাংবাদিক ধনজিৎ বৈশ্য, শঙ্কৰ মাধৱ হাইস্কুলৰ শিক্ষক ধনজিত তালুকদাৰো উপস্থিত থাকে।

# গোঁসাইগাঁৱত AIUDFৰ কাৰ্য্যকৰী সভা

**অসম বাৰ্তা, শ্ৰীৰামপুৰ, ২৫ আগষ্ট ঃ** দলটোৰ গোঁসাইগাঁও জিলা সমিতিৰ উদ্যোগত আজি কৰিমবজাৰ স্থিত কাৰ্যালয়ত এক গুৰুত্বপূৰ্ণ পৰ্যালোচনা সভা অনুষ্ঠিত হয়। উক্ত সভাত সমাগত বিটিচি পৰিষদৰ নিৰ্বাচনক কেন্দ্ৰ কৰি সাংগঠনিক ভেটি শক্তিশালী কৰি তুলিবলৈ কিছু গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত বিতংভাবে আলোকপাত কৰাৰ লগতে দলীয় কাৰ্য্য আগবঢ়াবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হয়। দলৰ গোঁসাইগাঁও জিলা সমিতিৰ সভাপতি সম্পাদক তথা সতীৰ্থ বৃন্দই এক সংবাদ মেল আয়োজন কৰি গোঁসাইগাঁও জিলা সমিতিৰ অন্তৰ্গত সমষ্টিবোৰত তিনিজনকৈ প্ৰাৰ্থী আবেদন কৰিব। সভাপতি খালিলুৰ ৰহমানে বিশেষকৈ বিটিচি পৰিষদৰ ২ নং গুমা, ৩ নং শ্ৰীৰামপুৰ আৰু ৬ নং কাচুগাও সমষ্টিত AIUDF দল যথেষ্ট শক্তিশালী বুলি দাবী কৰি সমষ্টিবোৰত প্ৰাৰ্থীত্ব বিচাৰি কেন্দ্ৰীয় সমিতিলৈ আবেদন কৰিব বুলি সদৰি কৰে। AIUDF দলে গুমা সমষ্টিখন পুনৰ দখল কৰাটো নিশ্চিত বুলি প্ৰকাশ কৰি কয় যে দলটোৱে সমষ্টিখনত অনুষ্ঠিত কৰা সভাত বিভিন্নজন গোষ্ঠীৰ লোকে অংশগ্ৰহণ কৰা পৰিলক্ষত হৈছে। সংখ্যালঘু লোকক আঞ্চলিক দলে ইমান দিনে অকল ভোট বেংক হিচাপে ব্যৱহাৰ কৰাৰ বাবে ক্ষুব্ধ ৰাইজে এইবাৰ AIUDF দলক আঁকোৱালি কৰি ল'ব বুলি সভাপতি গৰাকীয়ে প্ৰকাশ কৰে।

# নগাঁৱত ভোটাৰ তালিকাৰ সংশোধনী প্ৰক্ৰিয়া আৰম্ভ

**অসম বাৰ্তা, পুৰণিগুদাম, ২৫ আগষ্ট ঃ** নগাঁও জিলাৰ পানীগাঁওস্থিত অসম ৰাজ্যিক সমবায় ফেডাৰেচন লিমিটেডে অহা ২৬ আগষ্টৰ পৰা ভোটাৰ তালিকাৰ সংশোধনী প্ৰক্ৰিয়া আৰম্ভ কৰিব। জানিব পৰা মতে, অসম সমবায় আইন ২০০৭ ৰ ধাৰা ২৬ (৩) আৰু ৪১ (১) অনুসৰি ফেডাৰেচনৰ ভোটাৰ তালিকা গুৱাহাটী ভঙাগড়স্থিত উপ-পঞ্জীয়ক (কামৰূপ)ৰ আৰু নগাঁওস্থিত পানীগাঁৱৰ ফেডাৰেচনৰ কাৰ্য্যালয়ত ইতিমধ্যে ৰাজহুৱা কৰা হৈছে। অসম ৰাজ্যিক সমবায় ফেডাৰেচন লিমিটেডৰ পৰিচালনা সমিতিৰ নিৰ্দেশ মৰ্মে লিমিটেডৰ পৰিচালক সম্পাদকে এখন প্ৰেছ বিবৃতিৰ জৰিয়তে জানিবলৈ দিয়ে যে, লিমিটেডটোৰ যিসকল অংশীদাৰ আছে সেই সদস্যসকলৰ ভোটাৰ তালিকাৰ সংশোধনী প্ৰক্ৰিয়াৰ ক্ষেত্ৰত কিবা আপত্তি বিপত্তি বা সংশোধনী থাকিলে অহা ৫ ছেপ্টেম্বৰৰ ভিতৰত নগাঁও পানীগাঁৱৰ জিলা পৰিষদ মাৰ্কেট, মাৰ্কেট প্লেচত থকা অসম ৰাজ্যিক সমবায় ফেডাৰেচন লিমিটেডৰ কাৰ্যালয়ত যোগাযোগ কৰিব পাৰিব। অংশীদাৰসকলে উপৰোক্ত সময়সীমাৰ ভিতৰত নিজৰ নিজৰ অভিযোগসমূহ উত্থাপন নকৰিলে পাছত কোনোধৰণৰ আপিল গ্ৰহণযোগ্য নহ'ব বুলি জানিবলৈ দিছে।

# ডিমৰুগুড়িত গাঁও পঞ্চায়তত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ ধন আৱণ্টনত খেলি-মেলি

**অসম বাৰ্তা, বঢ়মপুৰ, ২৫ আগষ্ট ঃ** নগাঁও জিলাৰ খাগৰিজান উন্নয়ন খণ্ডৰ অন্তৰ্গত ডিমৰুগুড়ি গাঁও পঞ্চায়তৰ ৫ নং ৱাৰ্ডত প্ৰধানমন্ত্ৰীৰ আৱাস যোজনাৰ হিতাধিকাৰীৰ ধন আবণ্টনত খেলিমেলি হোৱাৰ অভিযোগ উত্থাপন হৈছে। জানিব পৰা মতে- ৱাৰ্ডটোৰ জেছমিনা খাটুন আৰু জেছমিনা বেগমৰ নামত ২০১৮ বৰ্ষত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ ঘৰ আবণ্টন হৈছিল। শেহতীয়া ভাৱে ঘৰৰ আবণ্টিত ধনৰ প্ৰথম কিস্তি বিভাগীয় ভাৱে মোকলাই দিছে। এই ধন মোকলাই দিয়াৰ ক্ষেত্ৰত কিছু খেলিমেলি হোৱাৰ অভিযোগ উঠিছে। জানিব পৰা মতে জেছমিন খাটুনৰ নামত অহা প্ৰথম কিস্তিৰ ধন জেছমিন বেগমৰ একাউণ্টত সোমাইছে। পূৰ্বৰ পঞ্চায়ত প্ৰতিনিধি আৰু ডিমৰুগুড়ি গাঁও পঞ্চায়ত কাৰ্য্যালয়ৰ বিসংগতিৰ বাবেই এই খেলিমেলি হৈছে বুলি ৰাইজৰ মাজত চৰ্চা হৈছে। ইয়াক কেন্দ্ৰ কৰি ৱাডটোত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। এই সন্দৰ্ভত ভুক্তভোগীয়ে ন্যায় বিচাৰি ডিমৰুগুড়ি গাও পঞ্চায়তৰ কাষ চাপিছে যদিও পঞ্চায়তটোৱে গুৰুত্ব দিয়া নাই। পূৰ্বৰ পঞ্চায়ত প্ৰতিনিধি ইউনুছ হালদাৰে জানিবলৈ দিয়ে যে - জেছমিন বেগম আৰু জেছমিন খাটুন দুয়োগৰাকী নামত ঘৰ আৱণ্টিত হৈছিল। কিছু কাৰিকৰী বিসংগতিৰ বাৱে এই মেলিমেলিৰ সৃষ্টি হৈছে। তেওঁ বিৰুদ্ধে এই সন্দৰ্ভত একাংশই কৰা অভিযোগ হালদাৰে অচিকাৰ কৰিছে।

# জাঁজী শাখা কবি সন্মিলনৰ উদ্যোগত 'বৰ্ষাৰ চোতালত শব্দৰ ধেমালি' শীৰ্ষক অনুষ্ঠান

**অসম বাৰ্তা, জাঁজী, ২৫ আগষ্ট ঃ** শিৱসাগৰ জিলা কবি সন্মিলনৰ অন্তৰ্গত জাঁজী শাখা কবি সন্মিলনৰ উদ্যোগত আজি 'বৰ্ষাৰ চোতালত শব্দৰ ধেমালি' শীৰ্ষক এক অনুষ্ঠান অনুষ্ঠিত হৈ যায়। জামুগুৰি সংস্কৃত টোলত অনুষ্ঠিত এই অনুষ্ঠানত সভাপতিত্ব কৰে জাঁজী শাখা কবি সন্মিলনৰ সভাপতি বন্তি ভট্টাচাৰ্যই। শাখাৰ সম্পাদিকা যুতিকা শইকীয়াই আঁত ধৰা অনুষ্ঠানটোত কণ্ঠশিল্পী ৰূপালী বৰকটকীৰ এটা গীতেৰে শুভাৰম্ভ কৰা হয়। গীত- মাত, কবিতাৰ বৰ্ণাঢ্য অনুষ্ঠানটো শাখাৰ সহ সম্পাদিকা ৰুলী বৰগোহাঁই গগৈৰ কবিতা, ৰিন্তী বৰুৱাৰ গীত পৰিবেশন, শিশু সাহিত্যিক অদিতি খাউণ্ডৰ কবিতা পাঠ, ৰঞ্জিতা ভৰালীৰ গোৱালপৰীয়া লোক গীত পৰিৱেশনে জীপাল কৰে। আজিৰ সভাত জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা অসম কলেজ শিক্ষক সন্থাৰ প্ৰাক্তন সভাপতি জ্যোতিপ্ৰসাদ গগৈ বিশিষ্ট অতিথিৰূপে যোগদান কৰি কবি সন্মিলনৰ যোগেদি নতুন নতুন কবিৰ সৃষ্টি কৰিবলৈ আহ্বান জনায়। শাখাৰ উপ সভাপতি উষা বৰপূজাৰী, উপদেষ্টা বীণা বৰুৱা আৰু শাখাৰ সম্পাদিকা যুতিকা শইকীয়াৰ আকৰ্ষণীয় কবিতা পাঠে সকলোকে আপ্লুত কৰে। সভাত উপস্থিত থকা নিমন্ত্ৰিত অতিথি শিৱসাগৰ জিলা কবি সন্মিলনৰ ভাৰপ্ৰাপ্ত সম্পাদক প্ৰাঞ্জল আৱিৰ দাসে শাখাক উদ্দেশ্য কৰি সুন্দৰ বক্তব্য আগবঢ়োৱাৰ লগতে এটা সুন্দৰ কবিতা পাঠ কৰে। জিলাৰ আন এগৰাকী ভাৰপ্ৰাপ্ত সম্পাদক বিজু বৰঠাকুৰেও কবিতা পাঠ কৰে। আজিৰ অনুষ্ঠানত স্থানীয় কেইবাজনো গণ্য মান্য লোকৰ উপৰি বহুকেইজন কাব্যপ্ৰমী লোক উপস্থিত আছিল।

বিপুল সমাৰেশত গোলাঘাট গ্ৰন্থমেলা আৰু সাহিত্য সমাৰোহৰ কাৰ্যালয় মুকলি

# পঢুৱৈৰ সংখ্যা দ্ৰুতিগতিত হ্ৰাস পাইছে, গ্ৰন্থ, বাতৰি কাকত পঢ়াৰ প্ৰতি নৱ-প্ৰজন্মক আকৃষ্ট কৰিব লাগিবঃ উপাচাৰ্য প্ৰফেচাৰ জি, সিংঘায়াহ

**ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ২৫ আগষ্ট ঃ** সম্প্ৰতি গ্ৰন্থ পঢুৱৈৰ সংখ্যা সমাজত দ্ৰুত গতিত হ্ৰাস পাইছে। বাতৰি কাকত পঢ়াৰ সংখ্যাও সমাজত যেন কমি গৈছে। বিশেষকৈ নৱ-প্ৰজন্মৰ গ্ৰন্থ অধ্যয়নৰ প্ৰতি যেন অনিহা পৰিলক্ষিত হৈছে। ই শুভ লক্ষণ নহয়। বৌদ্ধিক ভাৱেও আমাৰ নৱ-প্ৰজন্ম প্ৰতিভাধৰ হ'ব লাগিব। তেতিয়াহে ভাষা-সাহিত্যৰ ক্ষেত্ৰখন সবলভাৱে সমৃদ্ধ হ'ব। গোলাঘাট গ্ৰন্থমেলা আৰু সাহিত্য সমাৰোহ -২০২৫ ৰ উদ্‌যাপন সমিতিৰ সভাপতি, জ্যেষ্ঠ সাংবাদিক দিগন্ত কুমাৰ ভূএগ্ৰৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত তেওঁ আৰু কয় যে নৱ-প্ৰজন্মক গ্ৰন্থৰ প্ৰতি আমি আকৃষ্ট কৰিব পাৰিব লাগিব। অনুষ্ঠিত হোৱা গ্ৰন্থমেলা সমূহক তেনে বাস্তৱ ব্যাপক কৰ্মসূচী গ্ৰহণ কৰাৰ তেওঁ আহ্বান জনায়। বীৰাংগনা সতী সাধনী ৰাজ্যিক বিশ্ববিদ্যালয় গোলাঘাট গ্ৰন্থমেলা আৰু সাহিত্য সমাৰোহৰ অংশীদাৰ হৈ সকলো ধৰণৰ সহযোগিতা আগবঢ়াব বুলিও ঘোষণা কৰে। কাৰ্যালয় মুকলিৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰে বিশিষ্ট নিৰন্ধকাৰ, সমাজকৰ্মী, গোলাঘাট জিলা ক্ৰীড়া সন্থাৰ সভাপতি ডাঃ অজিত বৰুৱাই। সভাত বক্তব্য আগবঢ়াই পঢুৱৈ সৃষ্টিৰ ক্ষেত্ৰত গ্ৰন্থমেলাই গ্ৰহণ কৰিব পৰা বিভিন্ন কৰ্মসূচী সন্দৰ্ভত পৰামৰ্শ আগবঢ়াই। গ্ৰন্থমেলা উদযাপন সমিতিৰ সাধাৰণ সম্পাদক তনুজ কুমাৰ মহন্তই আঁত ধৰা অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰে পশ্চিম গোলাঘাট শাখা সাহিত্য সভাৰ



সভাপতি, শিক্ষাবিদ ড° পুতুল চন্দ্ৰ শইকীয়াই। বিশিষ্ট শিক্ষাবিদ, বোলছবি পৰিচালক দীনেশ গগৈ, গোলাঘাট জিলা সাহিত্য সভাৰ প্ৰাক্তন উপসভাপতি, বিশিষ্ট শিক্ষাবিদ গুণেন্দ্ৰ নাথ বৰাই শুভেচ্ছামূলক কবক্তব্য আগবঢ়ায়। অনুষ্ঠানত মেলামৰা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ তিলেশ্বৰ তামুলী, সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় উপসভাপতি অভিৱৰ্তন গোস্বামী, শিক্ষাবিদ ড° তৰালী গগৈ, গোলাঘাট লায়নছ ক্লাবৰ প্ৰাক্তন সভানেত্ৰী ড° মিনোৱাৰা বেগম, কৃষক মুক্তি সংগ্ৰাম সমিতৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক বিদ্যুৎ শইকীয়া, গোলাঘাট জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক চিৰঞ্জীৱ বৰা, গোলাঘাট জিলা মইনা পাৰিজাতৰ সভাপতি যোগেন শইকীয়া, অসম জাতীয়তাবাদী যুৱ পৰিষদৰ কেন্দ্ৰীয় সহকাৰী সম্পাদক ৰাজীৱ লস্কৰ, টি, এম, পিকেৰ মুখ্য সাংগঠনিক সম্পাদক, অধিবক্তা ভূপেন টাইড, সদৌ অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সম্পাদক নিপন গগৈ, গোলাঘাট জিলা টাই আহোম যুৱ পৰিষদৰ সভাপতি পৰীক্ষিত ফুকন, গোলাঘাট জিলা টাই আহোম ছাত্ৰ সন্থাৰ সম্পাদক অংকুৰ কোঁৱৰ, টিএমপিকে গোলাঘাটৰ সভাপতি পৰেশ মৃগাং পেগু, দেৰগাঁও উন্নয়ন খণ্ডৰ সভাপতি লাকী ফুকন, গোলাঘাট জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি প্ৰসন্ন শৰ্মা, সদৌ অনুসূচীত জাতি ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সভাপতি দীপাংকৰ দাস, গোলাঘাট সদৰ কবি সন্মিলনৰ প্ৰাক্তন সভাপতি কমলাক্ষী দত্ত, সমাজকৰ্মী দ্বীজেন বৰা, গোলাঘাট মহকুমা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক দীপক গগৈ, সমাজকৰ্মী দ্বীজেন বৰা, শিক্ষাবিদ মৃদুপৱন শৰ্মা, অভিনেতা, সাংস্কৃতিক কৰ্মী মৃদুল কাকতি, গোলাঘাট জিলা কোচ ৰাজবংশী যুৱ ছাত্ৰ সন্মিলনৰ সভাপতি সঞ্জীৱ শইকীয়া গোলাঘাট আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি হিমাংশু শইকীয়া, কুমুদ শইকীয়া আদিয়ে বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। গোলাঘাট জিলা ছাত্ৰ সন্থাৰ কাৰ্যালয় শ্বহীদ ভৱনত আয়োজিত অনুষ্ঠানত কৃতজ্ঞতাসূচক বক্তব্য আগবঢ়ায় পশ্চিম গোলাঘাট শাখা সাহিত্য সভাৰ সম্পাদক স্বাগতা বৰাই। উল্লেখ্য যে, পশ্চিম গোলাঘাট শাখা সাহিত্য সভাৰ উদ্যোগত সদৌ অসম পুথি প্ৰকাশন আৰু বিক্ৰেতা সংস্থা, গোলাঘাট জিলা প্ৰশাসন, নুমলীগড় শোধনাগাৰ, বিভিন্ন দল-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠানৰ সহযোগত গোলাঘাট নগৰৰ সমন্বয় ক্ষেত্ৰত অহা ২২ অক্টোবৰৰ পৰা ২৯ অক্টোবৰলৈ গোলাঘাট গ্ৰন্থমেলা আৰু সাহিত্য সমাৰোহ -২০২৫ অনুষ্ঠিত হ'ব।

# মুকালমুৱাৰ আদাবাৰীত আৰক্ষীৰ চুৰি সামগ্ৰীসহ দুজন চোৰ আটক

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ২৫ আগষ্ট ঃ** নলবাৰী জিলাৰ আদাবাৰী পহৰা চকীৰ আৰক্ষীয়ে চুৰি সামগ্ৰীসহ দুজন চোৰ আটক কৰা ঘটনাই অঞ্চলটোত প্ৰশংসা বুলিবলৈ সক্ষম হৈছে। ঘোগাৰ লাউতোলাস্থিত ব্ৰহ্মপুত্ৰ ভেলী ইংৰাজী বিদ্যালয়ৰ পৰা ৰন্ধন প্ৰণালীত ব্যৱহৃত সামগ্ৰী চুৰি কৰিছিল চোৰ দুজনে। আদাবাৰী পহৰা চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া দীপক বৰকাকতিৰ নেতৃত্বত চলোৱা অভিযানত গ্ৰেপ্তাৰ কৰা হয় চোৰ দুজনক। ধৃত চোৰ দুজনৰ পৰা এটা গেছ চিলিণ্ডাৰ, এটা কাঠ পলিচ কৰা মেচিন, এটা লোহা কটা মেচিন আৰু এটা ধাতুৰ বেল উদ্ধাৰ কৰে। অধিক তথ্য লাভ কৰিবলৈ আৰক্ষীয়ে ধৃত চোৰ দুজনক জেৰা চলাই আছে বুলি জানিব পৰা গৈছে।

## সংবাদ মাধ্যম অগ্নিৰ ওপৰত থিয় হৈ আছেঃ ভায়োলেট বৰুৱা

# বৰপেটা জিলা সাংবাদিক সন্থাৰ উদ্যোগত অনুষ্ঠিত সাংবাদিক কৰ্মশালাৰ সফল সামৰণি

**অসম বাৰ্তা চেঙা, ২৫ আগষ্ট ঃ** "সংবাদ মাধ্যম হৈছে গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ। এই চতুৰ্থ স্তম্ভৰ অৱদান অবিহনে বাকী তিনিটা স্তমভ সফল হ'ব নোৱাৰে। কিন্তু বাকী তিনিটা যি স্তমভ আছে তাতকৈ এই চতুৰ্থ স্তম্ভটো অগ্নিৰ ওপৰত থিয় হৈ আছে। জুইৰ ওপৰেদি খোজ কাঢ়ি চতুৰ্থ স্তমভই কৰ্তব্য পালন কৰিব লগীয়া হয়। সংবাদ মাধ্যমে সত্য প্ৰতিষ্ঠা কৰিব লাগে আৰু সত্যৰ যি পোহৰ সেই পোহৰ বিলাব যাওঁতে তেওঁলোকে কেতিয়াবা নিঃশেষ হৈ যাবলগীয়া হয়।" এই মন্তব্য অসম আৰক্ষীৰ অৱসৰপ্ৰাপ্ত মহাপৰিদৰ্শক ভায়োলেট বৰুৱাৰ। চেঙাস্থিত মধ্য কামৰূপ মহাবিদ্যালয়ত অনুষ্ঠিত সাংবাদিক কৰ্মশালাত সমল ব্যক্তি হিচাপে উপস্থিত থাকি এই মন্তব্য কৰে অৱসৰপ্ৰাপ্ত আইপিএচ বিষয়া ভায়োলেট বৰুৱাই। সংবাদ মাধ্যমৰ বাবে আজি শুভ দিন নহয় বুলি কোৱা কথাষাৰক উদ্দেশ্য কৰি ভায়োলেট বৰুৱাই সংবাদ মাধ্যমৰ বাবে কোনটো সময়ত শুভ দিন আছিল বুলিও প্ৰশ্ন উত্থাপন কৰি সাংবাদিকতা কৰাটো এটা কঠিন কাম বুলি উল্লেখ কৰে। অসমৰ সাংবাদিক সকলৰ সু-সংগঠিত অতি পুৰণি সংগঠন সদৌ অসম সাংবাদিক সন্থাৰ অধীনৰ বৰপেটা জিলা সাংবাদিক সন্থাৰ উদ্যোগত আৰু পূব বৰপেটা সাংবাদিক সন্থাৰ সহযোগত আজি চেঙাৰ শুভাস্থিত মধ্য কামৰূপ মহাবিদ্যালয়ত এদিনীয়া বিশেষ সাংবাদিক কৰ্মশালা অনুষ্ঠিত হৈ যায়। সাম্প্ৰতিক সময়ৰ সংবাদকৰ্মীসকলক সামাজিক দায়বদ্ধতাৰ লগতে সাংবাদিকৰ নীতি-নিষ্ঠতা, আইনৰ ধাৰা তথা তথ্য ভিত্তিক সাংবাদ প্ৰস্তুত সম্পৰ্কত প্ৰশিক্ষণ দিয়াৰ লগতে বিশেষভাবে



সক্ৰিয় কৰাৰ লক্ষ্যৰে এই বিশেষ কৰ্মশালাখন অনুষ্ঠিত কৰা হয়। কাৰ্যসূচী অনুসৰি পুৱা ১০ বজাত সদৌ অসম সাংবাদিক সন্থাৰ পতাকা উত্তোলন কৰে পূব বৰপেটা সাংবাদিক সন্থাৰ সভাপতি তফিকুৰ ৰহমানে। ইয়াৰ পাছতেই পূব বৰপেটা সাংবাদিক সন্থাৰ সাধাৰণ সম্পাদক প্ৰণয় বৈশ্যই শ্বহীদ তৰ্পণ কাৰ্যসূচী ৰূপায়ণ কৰে। দিনৰ ১১ বজাত বৰপেটা জিলা সাংবাদিক সন্থাৰ সভাপতি আফতাব হুছেইনৰ সঞ্চালনাত অনুষ্ঠিত হয় বিশেষ সাংবাদিক কৰ্মশালা। পূব বৰপেটা সাংবাদিক সন্থাৰ সভাপতি তফিকুৰ ৰহমানে আঁত ধৰা কৰ্মশালাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে পূব বৰপেটা সাংবাদিক সন্থাৰ সাধাৰণ সম্পাদক প্ৰণয় বৈশ্যই। অনুষ্ঠানটোত বন্তি প্ৰজ্বলন কৰি মধ্য কামৰূপ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° গোপেশ কুমাৰ শৰ্মাই ভাষণ প্ৰসংগত কয় যে- "সাংবাদিকসকল বিশ্বাস আৰু আস্থাৰ প্ৰতীক হ'ব লাগে, ভয়ৰ প্ৰতীক হ'ব নালাগে।" কৰ্মশালাখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে সদৌ অসম সাংবাদিক সন্থাৰ সাধাৰণ সম্পাদক তথা জ্যেষ্ঠ সাংবাদিক নকুল তালুকদাৰে। নকুল তালুকদাৰে সাংবাদিকৰ সুৰক্ষা, কৰ্তব্য আৰু দায়িত্ববদ্ধতাৰ বিষয়ে বিশদভাৱে আলোচনা কৰে। সাংবাদিকসকল ভাষাৰ ক্ষেত্ৰত সচেতন হ'ব লাগে বুলি নকুল তালুকদাৰে মন্তব্য কৰাৰ লগতে জাতীয় দায়বদ্ধতাৰ উপৰি সামাজিক দায়বদ্ধতাৰ প্ৰতি গুৰুত্ব প্ৰদান কৰিব লাগে বুলিও মন্তব্য প্ৰকাশ কৰে। সাংবাদিক কৰ্মশালাখনত আন এগৰাকী সমল ব্যক্তি হিচাপে উপস্থিত থাকি চামতাস্থিত কামৰূপ মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক তথা সুবক্তা, লেখক- চিন্তাবিদ ড° সঞ্জীৱ কুমাৰ গোস্বামীয়ে সাংবাদিকতাৰ ওপৰত বহল ব্যাখ্যা আগবঢ়ায়। ড° গোস্বামীয়ে ভাষণ প্ৰসংগত কয় যে - "সাংবাদিকসকল কেতিয়াও নিৰপেক্ষ হ'ব নোৱাৰে; নিৰপেক্ষতা সাংবাদিকৰ ধৰ্ম নহয়। সাংবাদিকসকল জনগণৰ পক্ষত থাকিব লাগিব। সাংবাদিকসকল হৈছে যিকোনো বাতৰি কাকত বা নিউজ চেনেলৰ চকু আৰু কাণ।" আনহাতে সাংবাদিকসকলৰ নীতি-নিষ্ঠতা আৰু বাধ্যবাধকতা সম্পৰ্কতো গোস্বামীয়ে বহল ব্যাখ্যা আগবঢ়ায়। মুখ্য অতিথি হিচাপে উপস্থিত থাকি সদৌ অসম সাংবাদিক সন্থা চমুকৈ 'আজু'ৰ সভাপতি পংকজ কুমাৰ নাথে সাংবাদিকসকলৰ সমস্যা সন্দৰ্ভত বক্তব্য প্ৰদান কৰাৰ লগতে বৰ্তমান সময়ত সাংবাদিকসকল বেছিকৈ প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লগা হয় বুলিও মন্তব্য কৰে। সাংবাদিকসকলক নিষ্ঠা-সততাৰে কাম কৰি যাবলৈ আজুৰ সভাপতি পংকজ কুমাৰ নাথে আহ্বান জনোৱাৰ লগতে আজুক অধিক শক্তিশালী কৰিবলৈও আহ্বান জনায়। আজুৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যনিৰ্বাহক সদস্য ফাইজুৰ ৰহমানেও সাম্প্ৰতিক সময়ৰ সাংবাদিকতাৰ ওপৰত বক্তব্য প্ৰদান কৰে। উক্ত কৰ্মশালাখনত বৰপেটা জিলাৰ উপৰিও নলবাৰী, কামৰূপ, শোণিতপুৰ আদিকে ধৰি কেইবাখনো জিলাৰ শতাধিক সাংবাদিক উপস্থিত থাকে। কৰ্মশালাখনত অংশগ্ৰহণ কৰা সাংবাদিকসকলক প্ৰমাণ পত্ৰও প্ৰদান কৰা হয়।

# বঙাইগাঁও বিশ্ববিদ্যালয়ৰ প্ৰেক্ষাগৃহত সদৌ অসমভিত্তিক চিত্ৰাংকন প্ৰতিযোগিতা

**অসম বাৰ্তা, বঙাইগাঁও, ২৫ আগষ্ট ঃ** বঙাইগাঁও বিশ্ববিদ্যালয়ৰ প্ৰেক্ষাগৃহত দিনজোৰা কাৰ্যসূচীৰে UCMAS Abacus বঙাইগাঁৱৰ উদ্যোগত সদৌ অসম ভিত্তিত বিনামূলীয়া চিত্ৰাঙ্কন প্ৰতিযোগিতা আৰু অভিভাৱক সকলৰ মাজত এবাকাছ'ৰ প্ৰদৰ্শন অনুষ্ঠিত কৰা হয়। উক্ত অনুষ্ঠানত অতিথি হিচাপে বঙাইগাঁও জিলা পৰিষদৰ চি এ তথা ডি চি ওফিচৰ এফ এ বিদ্যুৎ বিকাশ পাঠক, আৰু বঙাইগাঁও হাইস্কুল (ইংৰাজী মাধ্যম)ৰ অধ্যক্ষ আব্দুল মান্নান, ইউ চি মাচ'ৰ উত্তৰ-পূৰ্বাঞ্চলৰ সঞ্চালক বিবুডেন্দু ছাদাংগী, ইউ চি মাচ'ৰ নগাঁৱৰ স্বত্বাধীকাৰ আশিক আহমেদ আৰু বৰপেটাৰ ইউ চি মাচ'ৰ স্বতাধিকাৰ নিশ্বাৰ্থ শৰ্মা উপস্থিত থাকে। উল্লেখযোগ্য চিত্ৰাংকন প্ৰতিযোগিতাত অংশগ্ৰহণকাৰীসকলে নিৰ্দিষ্ট বিষয়বস্তুৰ ওপৰত নিজৰ কলা প্ৰিয়তা আৰু প্ৰতিভা প্ৰদৰ্শন কৰিবলৈ চিত্ৰ অংকন কৰে। উক্ত প্ৰতিযোগিতাত বঙাইগাঁও জিলাৰ কেইবাখনো বিদ্যালয়ৰ প্ৰথম শ্ৰেণীৰ পৰা ষষ্ঠ শ্ৰেণীলৈকে প্ৰায় তিনিহাজাৰ ছাত্ৰ-ছাত্ৰী অংশগ্ৰহণ কৰে বুলি বঙাইগাঁৱৰ ইউ চি মাচ'ৰ স্বত্বাধিকাৰ নিতিশা বৰ্মনে জানিবলৈ দিয়ে। আজি বঙাইগাঁও নতুন পাৰাস্থিত আম্বেদকাৰ পথত UCMAS ৰে ABACUS ৰ বঙাইগাঁও শাখা মুকলি হয়।

# শ্ৰমিক নেতা গিৰীশ চন্দ্ৰ বৰপাত্ৰ-গোঁহাইৰ মৃত্যু বাৰ্ষিকী উদ্‌যাপন

**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ২৫ আগষ্ট ঃ** অসম চাহ কৰ্মচাৰী সংঘৰ প্ৰাক্তন সাধাৰণ সম্পাদক, ৱৰ্কাৰ্চ ফেডাৰেচন অফ ইণ্ডিয়াৰ প্ৰাক্তন সৰ্বভাৰতীয় সম্পাদক, ৰাষ্ট্ৰীয় মজদুৰ কংগ্ৰেছৰ প্ৰাক্তন ৰাজ্যিক সম্পাদক, অসম চাহ কৰ্মচাৰী সংঘৰ ডুমডুমা শাখাৰ সুদীৰ্ঘ কালৰ সম্পাদক তথা ৰাষ্ট্ৰীয় আৰু আন্তৰাষ্ট্ৰীয় পৰ্য্যায়ৰ শ্ৰমিক সংগঠনত আত্মনিয়োগ কৰি উজ্জ্বিৰিত নেতৃত্বৰ পৰিচয় দিবলৈ সক্ষম হোৱা শ্ৰমিক নেতা প্ৰয়াত গিৰীশ চন্দ্ৰ বৰপাত্ৰগোঁহাইৰ পঞ্চম মৃত্যু তিথি উপলক্ষে আজি সংঘৰ ডুমডুমা শাখা কাৰ্যালয়ৰ সভাগৃহত এটি শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰি তেখেতৰ কৰ্মৰাজিক সোঁৱৰণ কৰা হয়। শাখাৰ অন্তৰ্গত ৪০খন বাগিছাৰ কৰ্মচাৰীৰ উপস্থিতিত তেখেতৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলনৰে অনুষ্ঠান ভাগি আৰম্ভ কৰে তেখেতৰ সুদীৰ্ঘ কালৰ সতীৰ্থ অসম চাহ কৰ্মচাৰী সংঘৰ কেন্দ্ৰীয় উপসভাপতি বীৰেন অধ্যাপকে আৰু সভাখনত সভাপতিত্ব কৰে ডুমডুমা শাখাৰ সভাপতি উমানন্দ দত্তই। সভাখনৰ আঁত ধৰে শাখা তথা কেন্দ্ৰীয় সম্পাদক হিতেন্দ্ৰ কুমাৰ বৰুৱাই।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶

◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ ◆ Website : www.asombarta.in ◆ ◆ Facebook : \asombarta ◆ ◆ Instagram : \asom_barta ◆

● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন